LEGISLATIVE ASSEMBLY LIBRARY
ASSAM: SHILLONG.

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1973

Volume 1

No. 3

The 21st March, 1973

CONTENTS

Page

1. **Questions** ... ...

2. Calling attention to a matter of public importance "Padayatra by Bangla Congress to Assam".

3. Speaker's Ruling on a point of order and a question of breach of previlege.

4. Debates on Governor's Address ... .

5. Ruling by the Speaker on an Adjournment Motion.

6. Statement made by the Industries Minister, regarding Power Supply.

7. Debates on Governor's Address ... ...

ASSAM LEGISLATIVE ASSEMBLY SECRETARIAT

GOVERNOR OF ASSAM

Shri Braj Kumar Nehru.

SPEAKER

Shri Ramesh Chandra Barooah, B. L.

DEPUTY SPEAKER

Shri Golok Chandra Rajbanshi, B. L.

MEMBERS OF COUNCIL OF MINISTERS

1.	Shri Sarat Chandra Sinha, Chief Minister. ...	Appointment, Home Political, Finance, General Administration. Secretariat Administration, Flood Control and Irrigation, Matters relating to Election, Information and Public Relations, Planning and Development, Statistics, General Co-ordination of all Departments and any matter not allotted to any other Minister.
2.	Shri Syed Ahmed Ali, Minister. ...	Law, Relief and Rehabilitation, Municipal Administration, Town and Country Planning, Panchayat including Community Development, Parliamentary Affairs, Registration and Stamps.
3.	Shri Paramananda Gogoi, Minister. ...	Revenue and Forests.
4.	Shri Gajen Tanti, Minister ...	Labour and Co-operation.
5.	Shri Mohammed Idris, Minister. ...	Industries including Cottage Industries, Power Mines, and Minerals, Sericulture and Weaving, Trade and Commerce and Wakf Property.
6.	Shri Mahitosh Purkayastha, Minister. ...	Supply, Printing and Stationery, Khadi and Village Industries, Political Sufferers and Excise.
7.	Dr. Lutfur Rahman, Minister	P. W. D. (R.&B.)

8.	Shri Upendra Das, Minister. ..	Agriculture and Fisheries
9.	Shri Uttam Chandra Brahma, .. Minister.	Social Welfare, Welfare of Backward Classes and Soil Conservation.
10.	Shri Harendra Nath Talukdar, Minister. ...	Education, Students and Youth Welfare, Cultural Affairs, Transport and Tourism.
11.	Shri Chatrasing Teron, Minister. ...	Health and Family Planning, Tribal Areas Department.
12.	Shri Joy Bhadra Hagjer, Minister. ...	Live Stock and Veterinary, Jail and Minority Affairs.

MINISTERS OF STATE

Shri Hiteswar Saikia	Home, Health and Family Planning, Education, Information and Public Relations, Youth Welfare and Culutral Affairs.
Shri Bishnu Prasad	Flood Control and Irrigation, Power, Industries, Trade and Commerce.
Smti. Swarna Probha Mahanta ...	Social Welfare, Sericulture and Weaving.

PANEL OF CHAIRMEN

1. Shri Ataur Rahman.
2. Shri Puspadhar Chaliha.
3. Smti. Renuka Devi Barkataki.
4. Shri Giasuddin Ahmed.

Secretary,
SHRI P. D. BARUA.

Chief Reporter,
SHRI L. K. SAIKIA.

Proceedings of the Fourth Session of the Assam Legislative Assembly assembled after the Fifth General Election under Sovereign Democratic Republican Constitution of India

The Assembly met in the Assembly Chamber, Dispur, Gauhatii at 10 A. M. on Tuesday, the 21st March, 1973.

PRESENT

Shri R. C. Barooah, B. L., Speaker in the Chair, 11 (eleven) Ministers, 3 (three) Ministers of State and 83 (Eighty-three) Members.

STARRED QUESTIONS AND ANSWERS

(To which Government replies were given)

Date : 21st March, 1973

Re: **Extension of Service to retired Persons in Law Department**

Shri BALA BHADRA DAS asked:

*13. Will the Minister, Law be pleased to state—

(a) The number of retired pesons allowed extension of service in the Law Department since April, 1972 ?

(b) Whether it is the policy of the Government to extend the services of retired persons ?

(c) If not, why such extension has been given ?

Shri SYED AHMED ALI (Minister, Law) replied :

1. (a)—No such person was allowed extension of service in the Law Department since April, 1972.

(b) & (c)—Does not arise.

Shri GIASUDDIN AHMED (Bilasipara): Sir, the Hon'ble Minister in-charge of Law Department has said that since 1972 no such person was allowed any extension ; may I know from the hon'ble Minister whether before 1972 such extension of service was allowed?

Shri SYED AHMED ALI (Minister, Law): The question is concerned with the extension of service since April/72.

Shri GIASUDDIN AHMED: Sir, the supplementary question is quite relevant, that is, whether before 1972, any such extension of service was allowed ?

Shri SYED AHMED ALI (Minister, Law): I have no information at present to reply to this question.

Shrimati RENUKA DAVI BARKATAKI: May I know from the hon'ble Minister whether any Officer who was granted extension of service before 1972 has continued till today ?

Shri SYED AHMED ALI (Minister, Law): Sir, that information is not with me now because the question refers to 'from 1972'.

Shrimati RENUKA DEVI BARKATAKI: Atleast the hon'ble Chief Minister can give the answer as to which Officer was granted extension of service before 1972 and has continued till today.

Shri SYED AHMED ALI (Minister, Law): This is with reference to the Law Department.

Shri DULAL CHANDRA BARUA : Sir, whether the government has decided not to give such extension of service ?

Shri SARAT CHANDRA SINHA (Chief Minister): Sir, that is the decision of the government ; but then there might be some relaxation over the decision not to give extension.

Shri DULAL CHANDRA BARUA : Relaxation in what circumstances ?

Shri SARAT CHANDRA SINHA, (Chief Minister): Under special and emergent circumstances; the Government cannot be tied down to a rigid position.

Shrimati RENUKA DEVI BARKATAKI: Whether the Law Department had given any extension of service to Shri B. Sarma for three months in 1972.

Shri SYED AHMED ALI (Minister, Law): He was given re-employment and not extension of service.

Shrimati RENUKA DEVI BARKATAKI Sir, what is the difference between re-employment and extension ?

Shri SYED AHMED ALI (Minister, Law): When the service of any particular offiicer is extended he gets all the benefits such as increment, pension, etc., but in the case of re-employment, he does not get any such benefits; he gets only the last pay drawn by him.

Shrimati RENUKA DEVI BARKATAKI: How many officers are given re-employment after 1972 ?

Shri SYED AHMED ALI (Minister, Law): Speaking subject to correction, I think no other officer has been granted re-employment after 1972 in the Law Department.

Shri GIASUDDIN AHMED: What are the rules with regard t such re-employment ?

Shri SYED AHMED ALI (Minister, Law): The Chief Minister has already replied that in the case of extension of service and re-employment it depends on the merit of the case, and according to special and emergent circumstances, this is done.

Shri DULAL CHANDRA BARUA: In the matter of re-employment, there are certain rules ; whether the Government follow any rules in this matter ?

Shri SYED AHMED ALI (Minister, Law): As far as possible, we follow the rules.

Shri GIASUDDIN AHMED: What are those rules ?

Shri SYED AHMED ALI (Minister, Law): I cannot give the answer now as this information is not with me now.

Shri GIASUDDIN AHMED: What are the conditions and circumstances under which re-employment can be given ?

Shri SYED AHMED ALI (Minister, Law): That is already laid down in the rules.

Shri GIASUDDIN AHMED: We want to know what are the rules.

Shrimati RENUKA DEVI BARKATAKI: Can you get a copy of these rules tomorrow ?

Shri SYED AHMED ALI (Minister, Law): I shall have to find out.

Shri DULAL CHANDRA BARUA: Whether there is any rule or you are making the rules yourselves.

Shri SARAT CHANDRA SINHA (Chief Minister): So far as the employment is concerned, under rules, certain persons are employed. But so far as extension and re-employment is concerned, that is done for the convenience of the Government. Sometimes, it may so happen that in a particular department if an officer is not granted extension or given re-employment, there might be dislocation of the administration, in such special circumstances, there might be extension or re-employment here and there. But Sir, as I have alerady stated, the Government has committed itself to the decision that no extensio would be given.

Shri DULAL CHANDRA BARUA: Are we to understand that there is no such ule under which extension or re-employment is given

Shri SARAT CHANDRA SINHA (Chief Minister): I have already stated that the Government has decided not to extend any service.

Shri DULAL CHANDRA BARUA: Sir, whether there is any rule for giving such extension or re-employment ?

Shri SARAT CHANDRA SINHA (Chief Minister) I don't think there is any rule.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ:- অধ্যক্ষ মহোদয়, আইন মন্ত্ৰীয়ে কৈছে যে চাকৰী কাল বঢ়াই দিয়া বা পুনৰ নিযুক্তিৰ ক্ষেত্ৰত কিছুমান 'ৰুল' আছে আৰু মুখ্যমন্ত্ৰী মহোদয়ে কৈছে তেনে 'ৰুল' নাই। এতিয়া আমি কোনটো সচা বুলি ধৰিম ?

Shri SARAT CHANDRA SINHA (Chief-Minister): A person's service mieght bextended, although the Government decided not to extendtheir services and the matter ends there.

Shri BADAN CHANDRA TALUKDAR: There are two contradictory statements from the two Ministers.

Shri SARAT CHANDRA SINHA (Chief Minister): There is no contradiction.

Mr. SPEAKER: The Minister in-charge of Law said that he will look into the matter.

Shri PRABIN KUMAR CHOUDHURI: Sir, under what circumstances Shri B. Sarmah wa re-employed?

Shri SYED AHMED ALI (Minister Municipal Administration): As we could not find out or select any suitable officer for appointment a L. R., for the Law Department, that is why only for three months, he was re-employed.

Re: **Election of Members to the Gauhati Municipality**

Shrimati RENUKA DEVI BARKATAKI asked :

*14. Will the Minister, Municipal Administration be pleased to state--

(a) Whether Government has taken any steps to hold election of the representative to the Gauhati Municipality ?

(b) If so, when the Election will be held ?

(c) Whether the voter list has been prepared ?

Shri SYED AHMED ALI (Minister, Municipal Administration) replied :

14(a)—No.

(b) and (c)—Does not arise.

Shrimati RENUKA DEVI BARKATAKI: Sir, the question put was whether government has taken any steps to hold election of the representative to the Gauhati Municipality. Now, I would like to ask the Minister with your permission whether the Government has decided to hold the election for the Gauhati Corporation?

Shri SYED AHMED ALI (Minister, Municipal Administration): Sir, the question is very clear, and that was why I had given the answer—'no'. The question is—whether government has taken steps to hold election of the representative to the Gauhati Municipality. This question does not arise he Hon'ble member has just changed her question and asked whether the election of the Gauhati Corporation would be held. Although this is a different question, I should try to give answer from my memory. The election of the Gauhati Corporation would be held and we are trying to hold the election soon.

Shrimati RENUKA DEVI BARKATATI: Sir, to a deputation of the Gauhati citizens, the Chief Minister said that the election would be held before 1972

Shri SARAT CHANDRA SINHA (Chief Minister): Sir, I don't think that I had given any commitment.

Shaimati RENUKA DEVI BARKATAKI: If the election of the Gauhati Corporation is going to be held, then may I know from the Government what steps are being taken to prepare the electoral roll?

Shri SYED AHMED ALI (Minister, Municipal Administration): All the preparations are under way.

Shrimati RENUKA DEVI BARKATAKI: What are the preparations? Whether a Special Officer for the purpose or any officer has been appointed and if such an officer has been appointed, whether his office and other peraphernalia to run his office and to prepare the electoral roll have been arranged?

Shri SYED AHMED ALI (Minister, Municipal Administration): For holding the election of the Corporation, the first thing that is necessary is to appoint a Commissioner, and he has been accordingly appointed.

Shrimati RENUKA DEVI BARKATAKI: No Special Officer?

Shri SYED AHMED ALI, (Minister, Municipal Administration): Yes, also a Special Officer, both the officers have been appointed recently and now they are taking all steps for preparation of the electoral roll so that the election may be held as early as possible.

Shrimati RENUKA DEVI BARKATAKI: Whether the office and the other requisite peraphernalia have been arranged, or only the officers have been appointed and nothing else done?

Shri SYED AHMED ALI, (Minister, Municipal Admniistration): Sir, I have already replied that the Commissioner and the Special Officers have been appointed. They are now holding offices in the present Municipality office. They are also searching other houses.

বিঃ মৰাপাট কল স্থাপন

ডাঃ সুৰেন্দ্ৰ নাথ দাসে সুধিছে ঃ

*১৫। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে—

(ক) অসমত মৰাপাট কল স্থাপনৰ কাৰণে কেইখন লাইচেঞ্চ্ পোৱা হৈছে ?

(খ) কোনো উদ্যোগ নথকা বৰপেটা মহকুমাৰ বাইজে তাত এটা মৰাপাট কল স্থাপনাৰ্থে আবেদন জনাই থকা কথাটো চৰকাৰে জানেনে ?

(গ) বৰপেটা মহকুমাৰ ৰাইজে "বৰপেটা মৰাপাট কল" স্থাপনাথে এখন কাৰ্য্যকৰী কমিটী গঠন কৰি সেই কমিটিৰ জৰিয়তে গভৰ্ণমেণ্টৰ যি কোনো নীতি মানিলৈ কল স্থাপনত সন্মতি জনাই চৰকাৰলৈ আবেদন কৰিছেনে ?

শ্ৰীমহম্মদ ইদ্ৰিছ (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৫। (ক)—ভাৰত চৰকাৰে এতিয়ালৈকে এখন লাইচেনস দিবলৈ সন্মতি জনাইছে।

(খ) চৰকাৰে বৰপেটাৰ অসম নবীন উদ্যোগী সন্দুৰ পৰা এই সংক্ৰান্তত এখন দৰ্খাস্ত পাইছে।

(গ)—চৰকাৰে এনে কোনো আবেদন পত্ৰ পোৱা নাই।

ডঃ সুৰেণ দাস: অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে অসমত সৰ্ব্বমুঠ কিমান মৰাপাট উৎপাদন হয় আৰু সেই উৎপাদিত মৰাপাট অনুযায়ী অসমৰ কেইটা মৰাপাটৰ কল স্থাপন কৰিব পাৰি ?

শ্ৰীমহম্মদ ইদ্ৰিছ (উদ্যোগ মন্ত্ৰী): অসমত যিমান পৰিমাণৰ মৰাপাট উৎপন্ন হয় তাৰ নিৰিখ অনুযায়ী কমেও অসমত তিনিটা মৰাপাটৰ কল স্থাপন কৰিব পাৰি, কিন্তু কিমান মৰাপাট উৎপন্ন হয়—সেইটো হিচাব মোৰ হাতত এতিয়া নাই। তথাপি সদনক জনাব পাৰো যে সেইটো এচেচ কৰি চৰকাৰৰ ফালৰ পৰা এ, আই, ডি, চি,ৰ যোগেদি তিনিটা মৰাপাটৰ কল অসমত স্থাপন কৰিবলৈ লাইচেনচ্ দিছে।

শ্ৰীদুলাল বৰুৱাঃ কি ভিত্তিত মৰাপাটৰ কল তিনিটা স্থাপন কৰা হব ?

শ্ৰীমহম্মদ ইদ্ৰিছ (উদ্যোগ মন্ত্ৰী): অসমত যিমান মৰাপাট উৎপন্ন হয়, সেই ভিত্তিত মৰাপাটৰ কল তিনিটা স্থাপন কৰিবলৈ লোৱা হব।

শ্ৰীদুলাল বৰুৱা: অধ্যক্ষ্য মহোদয়, আমি সদায় প্ৰশ্ন উত্থাপন কৰো শুদ্ধ আৰু স্পষ্ট জবাব বিচাৰি। কিন্তু মন্ত্ৰী মহোদয়ৰ উত্তৰ কিমান-যিমান-সিমানতেই আছে। গতিকে আমি জানিব বিচাৰিছো যে কিমান পৰিমাণৰ মৰাপাট আমাৰ দেশত উৎপন্ন হয় ?

শ্ৰীমহম্মদ ইদ্ৰিছ (উদ্যোগ মন্ত্ৰী): কিমান পৰিমাণৰ উৎপন্ন হয় তাৰ হিচাব এই মুহূৰ্ত্তত মোৰ হাতত নাই।

শ্ৰীলীলা বৰাঃ কিমান লোম মৰাপাটৰ ওপৰত নিৰ্ভৰ কৰি এটা কল স্থাপন কৰিব পাৰি ।

শ্ৰীমহম্মদ ইদ্ৰিছ (উদ্যোগ মন্ত্ৰী)ঃ মিনিমাম ৬০০ লোম মৰাপাট হলে এটা কল স্থাপন কৰিব পৰা যায় । সেই অনুপাতে অৰ্থাত ৬০০ লোম ধৰি অসমত তিনিটা মৰাপাটৰ কল অতি সহজে স্থাপন কৰিব পৰা যায় ।

শ্ৰীলীলা বৰাঃ যি খন কলৰ লাইচেনচ ভাৰত চৰকাৰে দিবলৈ সিদ্ধান্ত কৰিছে সেইটো কলৰ লোমৰ সংখ্যা কিমান হব পাৰে ?

শ্ৰীমহম্মদ ইদ্ৰিছ (উদ্যোগ মন্ত্ৰী)ঃ প্ৰস্তাৱিত যিটো কল কেন্দ্ৰীয় চৰকাৰে আমাক দিবলৈ ধৰিছে, সেইটো কলৰ লোমৰ সংখ্যা নিৰ্ণয় কৰা হোৱা নাই । কিন্তু ষ্টেণ্ডাৰ্ড হিচাবে এটা কলত ৬০০ লোম লাগে ।

শ্ৰীমতী আনন্দী বাভাঃ যি খন লাইচেনচ অসম চৰকাৰে পাব সেইখন লাইচেনচৰ অসমৰ কোন ঠাইত মৰাপাটৰ কল স্থাপন কৰিব—সেইটো ঠিক কৰা হৈছেনে ?

শ্ৰীমহম্মদ ইদ্ৰিছ (উদ্যোগ মন্ত্ৰী)ঃ যিখন লাইচেনচ আমি পাম সেইটো কিমান লোমৰ ভিত্তিত এটা মৰাপাটৰ কল স্থাপন কৰিব পৰা যাব তাৰ বাবে চৰকাৰে এটা বিশেষজ্ঞ কমিটি নিয়োগ কৰি দিছে । এই কমিটিয়ে বিভিন্ন স্থান পৰিদৰ্শন কৰি এটা স্থান অনুমোদন কৰি চৰকাৰলৈ পঠাব ।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ—এই বিশেষজ্ঞ কমিটিয়ে তেওঁলোকৰ ৰিপৰ্ট পঠালেনে নাই ?

শ্ৰীমহম্মদ ইদ্ৰিছ (উদ্যোগ মন্ত্ৰী)ঃ—প্ৰতিবেদন এতিয়াও দাখিল হোৱা নাই ।

শ্ৰীআতাউৰ ৰহমান ঃ—এই বিশেষজ্ঞ কমিটিৰ সদস্য কোন কোন ?

শ্ৰীমহম্মদ ইদ্ৰিছ (উদ্যোগ মন্ত্ৰী)ঃ—এই কমিটিৰ সদস্য এগ্ৰিকালচাৰ প্ৰডাক্চন কমিচনাৰ, অসম, চিলং ।

Shri DULAL CHANDRA BARUA: On a point of order, Sir, now the Agricultural production Commissioner's post is lying vacant. How could then the Agricultural Production Commissioner be the member of that Committee?

Shri MAHAMMAD IDRIS (Minister, Industries): At the time when the Committee was constituted, that post was not vacant and in fact he accompanied the Committee when it went around investigating sites for the Jute Mill in different places, and therefore, I think there can be no objection to his signing the Report of the Committee when it will be ready.

Then the other Members: Additional Chief Engineer, P. W. D.

Superintending Engineer, Managing Director, Assam Industrial Development Corporation.

A Representative from the Government of India, Ministry of Foreign Trade, and,

The Director of Industries, Assam.

Shrimati PRANITA TALUKDAR: Whether the Minister-in-Charge Industries is aware of the fact that some two months back some Government officers went to Sorbhog and some other parts of Barpeta to see the suitability of a site for establishing the Jute Mill in the Sub-division, and whether they have since submitted any report?

Shri MAHAMMAD IDRIS (Minister, Industries)—That was the purpose for constituting the Committee, and therefore, that Committee might have visited Sorbhog also, and the report is awaited.

শ্ৰীআটাউৰ ৰহমান :—এই তদন্ত কমিটিয়ে প্ৰতিবেদন দাখিল কৰিছেনে কি ? আৰু যদি কৰিছে তেন্তে তাৰ ওপৰত ভিত্তি কৰি চৰকাৰে মৰাপাট কল স্থাপনৰ সিদ্ধান্ত লব নে সম্ভাব্য মৰাপাট কল স্থাপন কৰিব পৰা এলেকাৰ নেতৃস্থানীয় লোকৰ লগতো আলোচনা কৰিব ?

শ্ৰীমহম্মদ ইদ্ৰিছ (উদ্যোগ মন্ত্ৰী) :—তদন্ত কমিটিৰ প্ৰতিবেদনৰ ওপৰত গুৰুত্ব আৰোপ কৰা সমিচীন হব ।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—অধ্যক্ষ মহোদয়, চৰকাৰে এইটো কথা জনাবনে যে মুখ্য মন্ত্ৰীৰ সমষ্টি চাপৰৰ পৰা আৰম্ভ কৰি আইন মন্ত্ৰী মহোদয়ৰ সমষ্টি গৌৰীপুৰ এলেকা আৰু মাজত বিলাসীপাৰাতো বহুত উপযোগী ঠাই আছে, আৰু এইটো অঞ্চলত অসমৰ আটাইতকৈ বেছি মৰাপাট উৎপাদন হয় । এইটো কথা চৰকাৰে জানে নে, যদি জানে তেন্তে সেই ঠাইখিনিৰ কোনো এঠাইত মৰাপাট কল স্থাপন কৰাৰ দিহা চৰকাৰে কৰিবনে ?

শ্ৰীমহম্মদ ইদ্ৰিছ (উদ্যোগ মন্ত্ৰী) :—চৰকাৰে জানে, আৰু এইটো অসমৰ কাৰণে সৌভাগ্যৰ কথা যে কেৱল মুখ্য মন্ত্ৰীৰ সমষ্টিৰ পৰা আৰম্ভ কৰি আইন মন্ত্ৰীৰ এলেকালৈকে আৰু মাজৰ অঞ্চলত মৰাপাট কল স্থাপন নহয় ।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :—অধ্যক্ষ মহোদয়, সম্ভাব্য মৰাপাট কল পাব্লিক চেক্টৰ আৰু প্ৰাইভেট চেক্টৰৰ কোনটোত স্থাপন কৰাৰ সিদ্ধান্ত চৰকাৰে লব ?

শ্ৰীমহম্মদ ইদ্ৰিছ (উদ্যোগ মন্ত্ৰী) :—এইটো চৰকাৰে সিদ্ধান্ত কৰি ষ্টেট চেক্টৰত লব পাৰে ।

ডাঃ সুৰেন্দ্ৰ নাথ দাস :—অসমত যদি বেছি মৰাপাট কলৰ লাইচেন্স দিয়ে তেন্তে তাৰ বাবে কলিকতাত থকা মৰাপাট কলৰ মালিক সকলে খতিয়ানৰ ভয়তে ভাৰত চৰকাৰক অসমত বেছিকৈ লাইচেন্স নিদিবলৈ কৈ থকা কথাটো সঁচানে ?

শ্ৰীমহম্মদ ইদ্ৰিছ (উদ্যোগ মন্ত্ৰী) :—এইটোৰ উত্তৰ দিয়া সম্ভৱ নহয়, তথাপি অনুমান কৰিব পাৰি যে যত বেছি মৰাপাট উৎপাদন হয় তাৰ মানুহে বাধা দিব পাৰে ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—আমি ইতিমধ্যে ক'ত কি হব এই কথা মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিছো 'গছত কঠাল ওঠত তেল নোখাওঁতেই চেল-বেল' লাইচেন্স পোৱা নাই তেনে স্থলত জেগাৰ কথা চিন্তা কৰিলে কি হব ? মই এতিয়া সুবিধ খুজিছো যে লাইচেন্স দিয়া হৈছে নে নাই ? যদি নাই হোৱা কেতিয়া দিব ?

শ্ৰীমহম্মদ ইদ্ৰিছ (উদ্যোগ মন্ত্ৰী) : লাইচেন্স সম্পৰ্কে সন্দেহৰ কোনো কাৰণ নাই। আমাৰ চৰকাৰে ভাৰত চৰকাৰক তিনিটা মৰাপাট কল প্ৰতিষ্ঠানৰ বাবে আবেদন কৰি ভাৰত চৰকাৰৰ পৰা নিৰ্দ্দেশ আহিছে আৰু সেই মতেই কাম কৰি আছে। আৰু দুটা কলৰ লাইচেন্স পাবৰ কাৰণে আমি যত্ন কৰি আছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : মোৰ আচল কথাটো স্পষ্ট নহল, মই সুধিছো আমি লাইচেন্স ইতিমধ্যে পালো নে নাই আৰু যদি পোৱা নাই তেন্তে কেতিয়া পাম আৰু এই কথাটো কোন ষ্টেজত আছে ?

Shri MAHAMMAD ILRIS (Minister, Industries) Sir, it is very clear and I have already stated that Government of India has agreed to issue one licence.

Shrimati RENUKA DEVI BARKATAKI—Sir, it is very unfortunate that because of political wire-pulling they have not been able to take any decision for the location of the Jute Mill. Sir, whether it is a fact that the Committee for Central Jute Corporation has suggested establishment of some Jute Mills in Assam ? May I know whether there is any single Jute Mill in Assam.

Shri MAHAMMAD IDRIS (Minister, Industries)—Sir, I have very frankly stated that there is no doubt about one licence and that has been repeatedly assured by the Government of India. I think there is no political wire-pulling in this matter and the Committee, which has been constituted for this purpose, has suggested. that the finished products markets in Assam do not justify more than one Mill in Assam. This was their recommendation.

শ্ৰীআতাউৰ ৰহমান : অধ্যক্ষ মহোদয়, এই বিশেষজ্ঞ কমিটিৰ টাৰ্মচ্ অব ৰেফাৰেন্স কি কি আছিল ?

শ্ৰীমহম্মদ ইদ্ৰিছ (উদ্যোগ মন্ত্ৰী) : চুইটেবুল ছাইট চিলেকচনৰ কথা বিবেচনা কৰি আছে।

শ্ৰীলীলাকান্ত দাস : যি তিনিটা মৰাপাট কল স্থাপন কৰিব খুজিছে সেই কল কেইটা এক্সপাৰ্ট কমিটিৰ ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি স্থান নিৰ্ণয় কৰিবনে চৰকাৰৰ শিল্প নীতিৰ ওপৰত ভিত্তি কৰি স্থান নিৰ্ণয় কৰিব ?

শ্ৰীমহম্মদ ইদ্ৰিছ (উদ্যোগ মন্ত্ৰী) : উত্তৰটো মই আগতেই দিছো। বিশেষজ্ঞ কমিটিয়ে সকলো দিশৰ পৰা বিবেচনা কৰিয়েই চাইট চিলেক্ট কৰিব।

বিঃ মঙ্গলদৈ মহকুমাত ৰাজহ বিভাগৰ খণ্ড

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :

*১৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মঙ্গলদৈ মহকুমাত কেইটা ৰাজহ বিভাগৰ খণ্ড আৰু উপপ্ৰতি সমহৰ্ত্তাৰ কাৰ্য্যালয় আছে আৰু কি কি ?

(খ) কলাইগাওঁ ৰাজহ বিভাগৰ খণ্ড আৰু উপপ্ৰতি সমাহৰ্ত্তাৰ কাৰ্য্যালয় কেতিয়াৰ পৰা খোলা হৈছিল ?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৬। (ক)—মঙ্গলদৈ মহকুমাত দুটা ৰাজহ বিভাগৰ খণ্ড আছে আৰু দুয়োটা খণ্ডতে দুটা উপপ্ৰতি সমাহৰ্ত্তাৰ কাৰ্য্যালয়ো আছে।

তলত৷ দেখুৱাৰ দৰে :—

১—মঙ্গলদৈ চক্ৰ (চাৰ্কোল)
২—কলাইগাওঁ চক্ৰ (চাৰ্কোল)

(খ)—কলাইগাওঁ চক্ৰ (চাৰ্কোল) কেতিয়াৰ পৰা খোলা হৈছিল; এই বিষয়ে সঠিক তাৰিখ দিব পৰা নাযায় যদিও অনুমান ইংৰাজী ১৮৮৯ চনৰ পৰা খোলা হৈছিল। তেতিয়াৰ পৰাই কলাইগাওঁ চাৰ্কোল অফিচ বন্ধা হয়।

(গ) সেই কাৰ্য্যলয়ত আৰম্ভনীৰ পৰা ঘৰ-দুৱাৰৰ পৰিবৰ্ত্তন কৰা হৈছে নেকি আৰু যদি নাই হোৱা এতিয়া সেই কাৰ্য্যলয়ৰ দুৰৱস্থাদৈ লক্ষ্য কৰি ঘৰ-দুৱাৰ ভাল কৰাৰ ব্যৱস্থা কৰিবনে ?

(ঘ) মঙ্গলদৈ মহকুমাত আৰু অধিক ৰাজহ বিভাগৰ খণ্ড খোলাৰ প্ৰস্তাৱ কেতিয়া বিবেচনা কৰিব ?

(গ) আৰম্ভনীৰ পৰাই সেই কাৰ্য্যালয়ৰ ঘৰ-দুৱাৰ পৰিবৰ্ত্তন কৰা হোৱা নাই। গড়কাপ্তানী বিভাগৰ আৰু মঙ্গলদৈৰ মহকুমাধিপতিৰ পৰা এই বিষয়ে যথাবিধি (Formal) প্ৰস্তাৱ পালেই ঘৰ-দুৱাৰ ভাল কৰাৰ বিহিত ব্যৱস্থা লোৱা হব।

(ঘ) মঙ্গলদৈ মহকুমাত আৰু অধিক ৰাজহ বিভাগৰ খণ্ড খোলাৰ প্ৰস্তাৱ চৰকাৰে পৰীক্ষা কৰি আছে আৰু কৰ্ম্মচাৰী নিয়োগ ইত্যাদিৰ বাবদ টকা পইচাৰ খৰচ আদিৰ বিষয়ে ভূমি অধীকৰ্ত্তা, গুৱাহাটীৰ লগত যোগাযোগ কৰা হৈছে।

শ্ৰীলক্ষী কান্ত শইকীয়া : অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে জনাইছে যে ইংৰাজী ১৮৮৯ চনতে কলাইগাওঁ চাৰ্কোল প্ৰতিষ্ঠা কৰা হৈছিল, কিন্তু এতিয়ালৈকে সেই ঠাইৰ উন্নয়ন ব্যৱস্থা একো কৰা নাই। প্ৰায় এশ বছৰৰ আগতে যি ঘৰ বান্ধিছিল তাৰ মেৰামতি আজিও হোৱা নাই। মন্ত্ৰী মহোদয়ৰ পৰা এই কথা জানিব পাৰোনে যে, সেই ঠাইৰ পৰা বহুতো অনুৰোধ কৰা স্বত্বেও কিয় তাৰ মেৰামতি হোৱা নাই ?

শ্ৰীপৰমা নন্দ গগৈ (ৰাজহ মন্ত্ৰী) : এই সম্পৰ্কে চৰকাৰে গড়কাপ্তানী বিভাগৰ লগত যোগা-যোগ ৰাখি আছে।

শ্ৰীলক্ষী কান্ত শইকীয়া ঃ কলাই গাওঁ অঞ্চলটোত আৰু কেইবাটাও চাৰ্কোল কৰা সম্পৰ্কে বহু দিনৰ পৰা দাবী আহিছে সেই সম্পৰ্কে চৰকাৰে কি বিবেচনা কৰিছে ?

শ্ৰীপৰমা নন্দ গগৈ (ৰাজহ মন্ত্ৰী) ঃ প্ৰশ্নৰ উত্তৰত জনাইছোৱেই যে, পৰীক্ষা কৰি আছে আৰু এই সম্পৰ্কত ৰাজহৰ খৰচ আছে গতিকে ৰাজহ বিভাগে অকল কাম কৰো বুলিয়েই কৰিব নোৱাৰে। গতিকে বিত্তীয় বিভাগৰ মঞ্জুৰীৰ বাবে চৰকাৰে বিবেচনা কৰি আছে। দুটা খণ্ড ভাগি চাৰিটাত পৰিণত কৰিবৰ কাৰণে বিহিত ব্যৱস্থা লবৰ বাবে আমি গড়কাপ্তানী বিভাগলৈ লিখা লিখি কৰি আছো।

শ্ৰীলক্ষী কান্ত শইকীয় ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজহ মন্ত্ৰী ডাঙৰীয়াই কালি মোৰ এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে তেখেতে মঙ্গলদৈৰ সম্পৰ্কত একো কব নোৱাৰে। এই দৰে মঙ্গলদৈক পিচপেলাই ৰাখিবৰ কাৰণে চেষ্টা কৰাৰ কাৰণে মই দুখ প্ৰকাশ কৰিছো। মন্ত্ৰী মহোদয়ে এই চাৰ্কোল কেইটা প্ৰতিষ্ঠা কৰাৰ সম্পৰ্কত কি ব্যৱস্থা কৰিছে জনাবনে ?

শ্ৰীপৰমা নন্দ গগৈ ঃ মাননীয় প্ৰশ্ন কৰ্ত্তাই যি ধাৰণা লৈছে সেইটো ভুল ধাৰণা। চৰকাৰে ইচ্ছাকৃত ভাবে মঙ্গলদৈক পিচপেলাই থবৰ, কাৰণে চেষ্টা কৰাৰ ধাৰণাটো সত্য নহয়। কাৰণ চাৰিটা চাৰ্কোল প্ৰতিষ্ঠা কৰিবৰ কাৰণে কি ধৰণৰ প্লেন এষ্টিমেট লাগিব সেই বিষয়ে পি ডাব্লিও ডিলৈ চিঠি পত্ৰ লিখা হৈছে। আৰু সেইটো পালেহে বিত্ত দ্বিতীয় পৰ্য্যায়ৰ যেনে টকা মঞ্জুৰী আদি কামত আগবাঢ়িব পৰা হব। অৱশেষত মই আকৌ তেখেতক কব খুজিছো যে চৰকাৰে এই ক্ষেত্ৰত অৱহেলা কৰি বহি থকা নাই।

শ্ৰীমাল চন্দ্ৰ পেগু ঃ কিমান দিনৰ ভিতৰত প্লেন আৰু এষ্টিমেট হব ?

শ্ৰীপৰমা নন্দ গগৈ ঃ অন্য বিভাগৰ কথাটো মই সদ্যহতে কব নোৱাৰো ।

শ্ৰীলীলা কান্ত দাস ঃ প্ৰত্যেক উন্নয়ন খণ্ড এলেকাতে একোটা উপপ্ৰতি সমাহৰ্ত্তা খণ্ড প্ৰতিষ্ঠা কৰা হবনে ?

শ্ৰীপৰমা নন্দ গগৈ ঃ এই সন্দৰ্ভত প্ৰশ্ন নুঠে ।

শ্ৰীবাহাদুৰ বসুমতাৰী ঃ কোন কোন ঠাইত এই চাৰ্কোল কেইটা হব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীপৰমা নন্দ গগৈ ঃ আগতে মঙ্গলদৈ আৰু কলাইগাওঁ যি দুটা চাৰ্কোল আছিল এতিয়া সেই দুটাকে চাৰিটা কৰাৰ চেষ্টা কৰা হৈছে। সেই কেইটা হৈছে মঙ্গলদৈ, দলগাওঁ, কলাইগাওঁ আৰু ওদালগুৰি ।

শ্ৰীআটাওৰ ৰহমান ঃ এই সম্পৰ্কত চৰকাৰৰ কিবা নীতি আছেনেকি ? যদি আছে কি ?

মিঃ স্পীকাৰ ঃ এইটো পলিচি মেটাৰৰ কথা ।

Re: **Petro—Chemical Complex at Bongaigaon**

Shrimati RENUKA DEVI BARKATAKI asked .

*17. Will the Minister, Industries be please to state—

(a) Whether it is a fact that the Government of India had agreed to start a new company for the Petro-Chemical Complex at Bongaigaon ?

(b) If so, whether the company has started functioning ?

(c) What will be the nature of the company ?

(d) Who are the office-bearers of the company ?

(e) Who represents Assam or Assam Government in the Board of Management of company ?

17. (a) Yes.

(b) No.

(c) Does not arise in view of reply to (b).

(d) Does not arise in view of reply to (b).

(e) Does not arise in view of reply to (b).

Shrimati RENUKA DEVI BARKATAKI: Mr. Speaker Sir, I cannot understand what is meant by the Minister. My question is whether Government of India had agreed to start a new Company for the Petro-Chemical Complex at Bongaigaon. If so, what will be the nature of the Company, whether the Government of Assam knows it or not.

Shri MAHMMAD IDRIS (Minister, Industries): Sir, detail information is not with me at present.

Shri DULAL CHANDRA BARUA: Sir, may I know why the Minister has not come with proper information of the House ? We have the right to know whether from the starting of this Complex there is formation of company, if so, what is the present company in Assam.

Shri MAHMMAD IDRIS (Minister, Industries): Sir, I am sorry the Hon'ble members take it like that in regard to giving information to this August House. Sir, I draw your attention that this question relates to an undertaking which belongs to a Central Company. Therefore, any information regarding this complex is to be got from the IPC, Ministry of Petro-Chemicals. So, we have tried our best to obtain information and there is not concealment of information.

Shri DULAL CHANDRA BARUA: Sir, what is the present position ?

Shri MAHMMAD IDRIS: (Minister, Industries), : Sir I have already told that Government of India had agreed to start a new Company and they have informed us that a separate company will be constituted to streamline the project.

Shri GIASUDDIN AHMED: Sir, it is stated by the Minister that Government of India agreed to form a company. Now, may I know whether Government of Assam has also agreed to form such a company ?

Shri MAHMMAD IDRIS (Minister, Industries): Sir, Government of India agreed to form such company at the instance of the State Government and naturally we suggested that a seperate company should be formed where our representative would be there. This principle they have agreed.

Shri GIASUDDIN AHMER: Sir, what is the nature of the company, whether it is a private company or somethingelse.

Shri MAHMMAD IDRIS; (Minister, Industries): Sir, it would be a company of the I. P. C.

Mrs. SYEDA ANWARA TAIMUR: Sir, what is the machinery for appointment of high salaried persons or officers of such public undertaking in this company ?

Shri SUBHANKAR SINGH: Sir, may I know what is the criteria for setting up a new Petro-Chemical Complex from the Minister in-charge industries ?

Shri MAHMMAD IDRIS (Minister, Industries) : Sir it is to be decided by the Petro-Chemical Corporation.

Shri PROMODE GOGOI: When the Government of India has agreed to start the Company ?

Shri MAHMMAD IDRIS (Minister, Industries): The Government of India has agreed to constitute a Company and to be established at Bongaigaon.

Shri PROMODE GOGOI: No Sir, my question was when the Government of India propose to start the Company? Whether any time and date was fixed ?

Shri MAHMMAD IDRIS (Minister, Industries): No, they have not indiciated any time. We had the occasion to meet the Union Minister sometime back and we placed the matter before him. He was pleased to assure that the matter will be expedited and also informed that the matter is already at hand.

Shri DULAL CHANDRA BARUA: Whether honourable Minister had indicated anything about our representation in the Company ?

Shri MAHMMAD IDRIS (Minister, Industries): That demand is there. Our representative is to be there that is our demand.

Shrimati RENUKA DEVI BARKATAKI: In the last budget Session this point was raised on the floor of the House. At that time the honourable Minister in-charge gave us an assurance that Government of Assam will take necessary steps to appoint a representative from our side, but since then 8 months have elapsed. I want to know from the Minister how much time it will take to know about the nature of the Company ? I think no action was taken yet.

Shri MAHMMAD IDRIS (Minister, Industries): Sir, I do not think it wll take much time. As soon as the Company is formed the representatives from our side will be there. It is not very correct to say that Assam Government has not taken any steps in this regard. Since the Statement was made on the floor of the House we reminded several times the Government of India about this and also we met the Union Minister incharge who assured us that will be expedited.

Shri PREMADHAR BORA: What was the deed of agreement about the employment potential and other factors ?

Shri MAHMMAD IDRIS (Minister, Industries): There is no agreement to be made.

The entire burden of Finance will be borne by I. P. C. L.

Shri PREMADHAR BORA: What is the employment potential and the share of the Assam Government in this regard ?

Shri MAHMMAD IDRIS (Minister, Industries): Whatever employment is there it will be under I. P. C. L. because the company belongs to them.

. . . .

But employment will be there from our side as well.

Shri SUBANKAR SINHA: Though it is a coordinated work between the Government of India and Government of Assam, the Minister incharge of our State is supposed to know the criteria for setting up of new company in our State. My question is whether the Government of Assam has recommended the cases of any new Petro-Chemical Complex units in Cachar district ?

Shri MAHMMAD IDRIS (Minister, Industries): Sir, at the moment no such proposal was sent to Government of India for another Petro-Chemical Complex unit.

বি: লাট মণ্ডল সকলৰ বদলি

ডঃ সুৰেন্দ্ৰ নাথ দাসে সুধিছে:

*১৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) লাট মণ্ডল সকলৰ বিৰুদ্ধে সঘনে উঠি থকা ৰাইজৰ আপত্তিৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ বদলিৰ ব্যৱস্থা কৰাত আইনগত কিবা বাধা আছেনেকি ?

(খ) যদি তেনে কিবা বাধা আছে সেইটো সংশোধন কৰাৰ কিবা ব্যৱস্থা কৰিবনে ?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে।

১৮।(ক) লাট মণ্ডল সকলক বদলি কৰাত আইনগত কোনো বাধা নাই। উপায়ুক্তই এজন লাট মণ্ডলক তেখেতৰ অধীনত থকা জিলাৰ এটা লাটৰ পৰা অইন এটা লাটলৈ বদলি কৰাৰ ব্যৱস্থা আইনমতে দিয়া হৈছে।

(খ) প্ৰশ্ন নুঠে।

ডঃ সুৰেন্দ্ৰ নাথ দাস: মণ্ডল বদলি কৰাৰ সম্পৰ্কত দেখা যায় যে ঘৰ বাৰী নথকা এলেকালৈ মণ্ডল জনক বদলি কৰিব নোৱাৰে এই কথা সঁচা নেকি ?

শ্ৰীপৰমা নন্দ গগৈ (ৰাজহমন্ত্ৰী): তেনেকুৱা এটা ব্যৱস্হা ১৯৭২ চনৰ ৭ ডিচেম্বৰলৈ চলি আছিল। ৮ ডিচেম্বৰৰ পৰা নীতি সলনি কৰি বদলি কৰাৰ ব্যৱস্হা কৰিছো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী: লাট মণ্ডলৰ এপইণ্টিং অৰ্থৰিটি কোন আৰু দুৰ্নীতিত লিপ্ত হলে কোনে শাস্তি দিয়ে ?

শ্ৰীপৰমা নন্দ গগৈ (ৰাজহ মন্ত্ৰী): জিলা উপায়ুক্তই তেওঁলোকক নিয়োগ কৰে তেৱেঁই শাস্তি দিয়ে.

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী: উপায়ুক্তই ডিৰেক্টৰলৈ ফৰৱাৰ্ড কৰি দিয়া কথাটো সঁচানে ?

শ্ৰীপৰমা নন্দ গগৈ (ৰাজহ মন্ত্ৰী): বৰখাস্ত কৰিব লগীয়া হলে এপ্ৰুভেল লবলগা হব পাৰে।

শ্ৰীমাল চন্দ্ৰ পেগু: উপায়ুক্তই বদলি নকৰিলে চৰকাৰে বদলি কৰিব পাৰেনে নোৱাৰে ?

শ্ৰীপৰমা নন্দ গগৈ (ৰাজহ মন্ত্ৰী)ঃ চৰকাৰে তাৰ ব্যৱস্হা কৰিব ।

শ্ৰীজালাল উদ্দিন আহম্মদঃ মণ্ডলজন দুৰ্নীতি পৰায়ণ হলে উপায়ুক্তক গোচৰ দিয়া হয়, কিন্তু উপায়ুক্ত নিজে দুৰ্নীতিত লিপ্ত হলে তেতিয়া কি হব ?

শ্ৰীপৰমা নন্দ গগৈ (ৰাজহ মন্ত্ৰী)ঃ সেইটো মতামতৰ কথা ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱাঃ মণ্ডল বিলাক ইমান প্ৰভাৱশালী যে দুৰ্নীতিত চিধা চিধি ভাৱে লিপ্ত হলেও একো ব্যৱস্হা লব পৰা নাই। ইয়াৰ আগৰ মন্ত্ৰী গৰাকীৰ পৰা এজন মণ্ডলে ৫০ টকা খোৱা স্বত্বেও কোনো ধৰণৰ বিহীত ব্যৱস্হা লব পৰা নহল। এই মণ্ডল বিলাকৰ ওপৰত ব্যৱস্হা লব পৰা উপায় নাই নেকি ?

শ্ৰীপৰমা নন্দ গগৈ (ৰাজহ মন্ত্ৰী)ঃ তেনে ধৰণৰ প্ৰচাৰিত কাহিনী শুনা যায়। লাট মণ্ডল নিয়োগ কৰিবলৈ হলে সেই এলেকাৰ স্হানীয় বাসিন্দা হব লাগিব। এই গোটেই কথা বিলাক চিন্তা কৰি সংশোধন আনিছো আৰু ডিচেম্বৰ মাহৰ প্ৰথম সপ্তাহত এই নিয়ম বলবত কৰিছো। এতিয়া উপায়ুক্তই মণ্ডল সকলক বদলি কৰিব পাৰে আৰু শাস্তি বিধান কৰিব পাৰে ।

শ্ৰীগিয়াচুদ্দিন আহম্মদঃ এতিয়া চৰকাৰে ভূমি সংস্কাৰৰ আঁচনি লৈছে, যদি এই দুৰ্নীতি পৰায়ণ মণ্ডল বিলাকৰ আমোল পৰিবৰ্ত্তনৰ ব্যৱস্হা কৰা নহয় তেনেহলে ভূমি সংস্কাৰৰ সকলো আঁচনি ব্যৰ্থ হব। এই কথাটো চিন্তা কৰিছে নেকি ?

শ্ৰীপৰমা নন্দ গগৈ (ৰাজহ মন্ত্ৰী)ঃ এইটো মতামতৰ কথা হলেও প্ৰশ্নটোৰ গুৰুত্ব আছে। কাৰণ এনে ধৰণৰ মণ্ডলক লৈ ভূমি সংস্কাৰ কৰিবলৈ গলে নিশ্চয় বাধা আহিব। সেই বিষয়ে চৰকাৰ সম্পূৰ্ণ সজাগ আৰু এই বিষয়টো আগত ৰাখি এঠাইৰ পৰা আন ঠাইলৈ বদলি কৰাৰ নতুন বিধি ব্যৱস্হা কৰিছো ।

শ্ৰীজালাল উদ্দিন আহম্মদঃ এজন মণ্ডলে ১০০ টকা দৰ্ম্মহা পায় কিন্তু তেওঁ গুৱাহাটীত বহু টকাৰ ঘৰ সাজিছে আৰু এম্বেচেদৰ গাড়ী আদি লৈছে। এই বিলাক অনুসন্ধান কৰিবৰ কাৰণে চৰকাৰৰ বিধি ব্যৱস্হা আছে নেকি ?

শ্ৰীপৰমা নন্দ গগৈ (ৰাজহ মন্ত্ৰী)ঃ এনে ধৰণে সমূহীয়া ভাৱে ব্যৱস্হা লব পৰা নাযায়। বিশেষ কোনো এজনৰ দুৰ্নীতিৰ অভিযোগ আহিলে নিশ্চয় ব্যৱস্হা লম।

বিঃ অৱসৰ প্ৰাপ্ত বিষয়া নিয়োগ

শ্ৰীবলভদ্ৰ দাসে সুধিছেঃ

*১৯। মাননীয় শিক্ষাবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) শিক্ষা বিভাগত এজন অৱসৰ প্ৰাপ্ত বিষয়াক উপদেশ হিচাবে নিয়োগ কৰা হৈছেনে ?

(খ) যদি উপদেশ হিচাবে নিয়োগ কৰা নাই তেন্তে কি হিচাবে নিয়োগ কৰা হৈছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

১৯। (ক) নাই হোৱা।

(খ) চৰকাৰে এই অৱসৰ প্ৰাপ্ত বিষয়া জনক শিক্ষা বিভাগত অফিচাৰ অন-স্পেচিয়েল ডিউটি হিচাবে নিয়োগ কৰিছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : নীতিগত ভাবে চৰকাৰে কোনো ধৰণে অবসৰপ্ৰাপ্ত বিষয়াক কামত নিয়োগ নকৰিবলৈ সিদ্ধান্ত লোৱা স্বত্বেও আৰু বিধান সভাত এই সম্পৰ্কে যথেষ্ট আলোচনা হোৱাৰ পিচত চৰকাৰে প্ৰতিশ্ৰুতি দিয়াৰ পিচত এই বিষয়া জনক কি কাৰণত তেনে ধৰণে নিয়োগ কৰি ৰখা হৈছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : মই বিধান সভাত কৈছিলো যে ১৯৭২ চনৰ ফেব্ৰুৱাৰী মাহত এবছৰৰ কাৰণে নিয়োগ কৰা হৈছে। আমাৰ এটা এডুকেশ্যন কমিচন কৰা হব আৰু তেওঁক মেম্বাৰ চেক্ৰেটেৰী কৰা হব। তাতে তেওঁক ৰখা হব নে নহয় সেইটো সিদ্ধান্ত কৰা হব।

শ্ৰীপ্ৰমোদ গগৈ : যিজন বিষয়াক স্পিচিয়েল অফিচাৰ হিচাবে নিয়োগ কৰা হৈছে তেওঁৰ নাম কি ? এতিয়া কি কি কাম তেওঁক কৰিবলৈ দিয়া হৈছে ? আৰু এতিয়ালৈকে কি কি কাম কৰিছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : তেওঁৰ নাম হল শ্ৰীগোপাল শৰ্ম্মা বৰুৱা। তেওঁক শিক্ষা বিভাগৰ স্কুল বিলাক পৰীক্ষা কৰিবলৈ দিয়া হৈছে। এই কামৰ ওপৰিও ডিব্ৰুগড়ৰ লিয়াচন অফিচাৰ হিচাবে কাম কৰি আছে।

শ্ৰীপ্ৰমোদ গগৈ : তেওঁক লিয়াচন অফিচাৰ হিচাবে নিয়োগ কৰাৰ ফলত অৱস্থা শান্ত কৰাৰ পৰিবৰ্ত্তে অশান্ত কৰাত যি অবদান আছে এইটো কথা সচানে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : এই কথাটো মই নাজানো।

শ্ৰীপ্ৰমোদ গগৈ : নাজানে যদি সেই বিষয়ে তদন্ত কৰিব নে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : তেনে ধৰণৰ অভিযোগ অহা নাই।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : এই অৱসৰ প্ৰাপ্ত অফিচাৰ জনক নিয়োগ কৰা এবছৰ হৈ গল চৰকাৰৰ ঘোষিত নীতি থকা স্বত্বেও কি অজুহাতত তেওঁক ৰাখি থৈছে ? তেওঁ ইনাম দিনে যিখিনি কাম কৰিলে তাক সদনত দাখিল কৰিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : মই আগেয়ে কৈছো যে বিভাগীয় স্কুল বিলাক পৰীক্ষা কৰিব দিয়া হৈছে। আমি বিভাগটো পুনৰ গঠন কৰিব বিচাৰিছো। বিভাগৰ উন্নয়ন মূলক কাম বিলাকৰ বিষয়ে পৰীক্ষা কৰাৰ দায়িত্ব দিয়া হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : তেওঁ কি পৰীক্ষা কৰিলে সদনত তাৰ ৰিপৰ্ট দাখিল কৰিবনে ? মই জনাত তেওঁ একো কাম কৰা নাই কেৱল মন্ত্ৰীৰ গাড়ীৰ পিচে পিচে ঘূৰে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : মন্ত্ৰীৰ পিচে পিচে ঘূৰা নাই।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : কি বিশেষ কাম কৰিলে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ বিভাগত আগতে উল্লেখ কৰা বিলাক কাম কৰি আছে ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ এক দুই হেজাৰ বাজহুৱা ধনেৰে কি কাম কৰিলে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ অফিচাৰ হিচাবে কাম কৰি আছে ।

শ্ৰীদুলাল খাউণ্ড ঃ শিক্ষা বিভাগৰ নীতি নিয়ম সমূহ পৰীক্ষা কৰিবৰ কাৰণে তেওঁক নিয়োগ কৰা হৈছে, এতিয়া কিমান বছৰ তেওঁ পৰীক্ষা কৰিলে বা ফাইনেলাইজ কৰিলে জানিব দিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ তেওঁ বিভাগীয় কাম কৰি আছে ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ তেওঁ ইমান দিনে কি কি কাম কৰিলে তাৰ তালিকা এখন সদনত দাখিল কৰিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ তালিকা হিচাবে কাম নাই ।

শ্ৰীদুলাল খাউণ্ড ঃ মন্ত্ৰী মহোদয়ে কৈছে যে মানুহ জনক এবছৰৰ কাৰণে নিয়োগ কৰা হৈছে। এতিয়া এবছৰ পাৰ হৈ গ'ল, গতিকে তেওঁক পুনৰ নিয়োগ কৰা হৈছে। আকৌ কিয় নিয়োগ কাল বঢ়াই দিয়া হৈছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ সম্প্ৰতি ৩১ মাৰ্চলৈ বঢ়াই দিয়া হৈছে আৰু লিয়াচন অফিচাৰ হিচাবে ৰখা হৈছে। আমাৰ এডুকেশ্যন কমিচন কৰা হব নে নহব আৰু তেওঁক মেম্বাৰ্ চেক্ৰেটেৰী কৰা হব নে নহব চৰকাৰে সিদ্ধান্ত এতিয়াও লোৱা নাই এডুকেশ্যন কমিচন কৰাৰ কাৰণে কাগজপত্ৰ বিলাক তেও তৈয়াৰ কৰিছে। গতিকে এডুকেশ্যন কমিচন কৰা হব নে নহব চৰকাৰে সিদ্ধান্ত লব আৰু তেতিয়া তেওক ৰখা হব নে নহয় সেইটো সিদ্ধান্ত লোৱা হব ।

শ্ৰীসোণেশ্বৰ বৰা ঃ যি জন লোকৰ কৰ্ম্ম জীৱনৰ কাৰ্য্য কালত শিক্ষা নীতিৰ কোনো পৰিবৰ্ত্তন নহল বা উন্নতি সাধন নহল, যাৰ কাৰণে অসম চৰকাৰৰ নতুন মন্ত্ৰী সভাই নতুন নেতৃত্বত নতুন পদ্ধতিত শিক্ষা নীতি লব লগা হৈছে। গতিকে এই পুৰণা মানুহ জনৰ নেতৃত্ব ফেইল কৰিলে যেতিয়া তেওঁক আকৌ কিয় শিক্ষাৰ তুলাচালনি ধৰিবলৈ দিয়া হৈছে। এই লিয়াচন অফিচাৰ জনৰ উচতনিত ডিব্ৰুগড় মেডিকেল কলেজৰ ২৯ জন লৰা জেইলত সোমাব লগা হৈছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ তেনে ধৰণৰ খবৰ নাই ।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী ঃ শিক্ষা বিভাগৰ নিচিনা এটা ডাঙৰ বিষয়ৰ সংস্কাৰৰ দায়িত্ব এই মানুহ জনক দিয়া হৈছে। এই বিষয়া জনে সংস্কাৰৰ কাম কৰিছেনে ? এই চৰকাৰে শিক্ষা নীতিৰ সংস্কাৰ কৰিবৰ কাৰণে নতুন নতুন শিক্ষা নীতি চলাই আছে, এই চৰকাৰে একো কৰিব নোৱাৰে হয়তো আৰু দুই চাৰিটা চৰকাৰেও একো কৰিব নোৱাৰে। এই ক্ষেত্ৰত চৰকাৰে এই বিষয়া জনৰ কাৰ্য্যকাল বঢ়াই থাকিব নে শেষ কৰিব ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ কমিচন কৰাৰ পিচত এওক ৰখা হব নে নহয় সেইটো প্ৰশ্ন আহিব।

Shri DULAL CHANDRA BARUA: Is that gentleman so indispensible that he should be allowed to continue when the Commission is formed ? Is there no body to man that post ?

শ্ৰীদুলাল খাউণ্ড: মানুহ জনৰ নিয়োগ চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰিছে নে কমিচনটো মানুহ জনৰ ওপৰত নিৰ্ভৰ কৰিছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ: চৰকাৰৰ বিবেচনা আছিল কমিচন কৰা আৰু তেখেতকো ৰখাৰ সিদ্ধান্ত আছিল ।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (শিক্ষা মন্ত্ৰী): যোৱাকালি প্ৰশ্নোত্তৰৰ সময়ত মই এটা খবৰ দিম বুলি কৈছিলো আপুনি অনুমতি দিলে এতিয়া দিব পাৰো ।

Shri MAL CHANDRA PEGU: I want to ask the Honourable Speaker about my questions. I sent my question soon after the last budget session. The questions were admitted in the month of June, but uptill now no answer has come.

Mr. SPEAKER: Please see me in my chamber.

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ: কথাটো হ'ল শ্ৰীবন্দনা দত্ত বৰুৱাক অসম লোক সেৱা আয়োগে মনোনয়ন দিয়া সম্পৰ্কে। অসম লোক সেৱা আয়োগে প্ৰথম মনোনয়ন দিছিল শ্ৰীমতী ৰাণী হাজৰীকাক আৰু দ্বিতীয় মনোনয়ন দিছিল শ্ৰীমতী বন্দনা দত্ত বৰুৱাক। ১৯৭২ চনৰ ১০ জানুৱাৰী তাৰিখে মনোনয়ন দিছিল। তাৰে প্ৰথমটোৰে আগতেই নিযুক্তি পালে কটনত আৰু পাচত এটা পোষ্ট খালি হোৱাত শ্ৰীমতী বন্দনা দত্ত বৰুৱাক দিয়া হৈছে, একে বিষয়ত শ্ৰীমতী মঞ্জুলা গোস্বামীৰ খালি পদত।

Shri DULAL CHANDRA BARUA: On a point of clarification, Sir, The interview was held for a particular post by the A. P. S. C. but when the second vacancy occured was it not incumbent on the Government to advertise the post through A. P. S. C. ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ: আচলতে মনোনয়ন ১ বছৰলৈ বাহাল থাকে, আৰু তেওঁকো সেই সময়ৰ ভিতৰতে দিয়া হৈছে ।

Shri DULAL CHANDRA BARUA: But the procedure is that when another vacancy occurs in the Department, it is to be advertised through A. P. S. C. and fill it up. Does the Government not consider this appointment irregular ?

Shri HARENDRA NATH TALUKDAR (Minister, Education): It was not an irregular appointment because the list was valid for one year.

Shri DULAL CHANDRA BARUA: When the nomination was received by Government and when this lady was appointed?

Shri HARENDRA NATH TALUKDAR (Minister, Education): I have already said that we received the nomination on 10th January, 1972 and the lady was appointed on 8th January, 1973 and the notification in the Gazette was published on 9th January, 1973.

Shri DULAL CHANDRA BARUA: The nomination was received on 10th January, 1972 and the appointment was made on 8th January, 1973, that is, after the expiry of one year, and therefore it was irregular.

Shri HARENDRA NATH TALUKDAR (Minister, Education): Not after one year.

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈঃ অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ৰ এটা বিষয়ৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। যোৱা ১৯৭২ চনৰ জুলাই মাহৰ এই বিধান সভাৰ মজিয়াতে গড়কাপ্তানী বিভাগৰ কৰ্ম্মচ্যুত কৰ্ম্মচাৰী সম্পৰ্কে আলোচনা হৈছিল আৰু তেতিয়া মন্ত্ৰী মহোদয়ে সদনত আশ্বাস দিছিল যে এই কৰ্ম্মচ্যুত লোক সকলক নিজ নিজ বিভাগত অন্তৰভুক্ত কৰিব। কিন্তু এতিয়ালৈকে চৰকাৰৰ পক্ষৰ পৰা কোনো ধৰণৰ ব্যৱস্থা লোৱা হোৱা নাই। ইয়াৰ ফলত গড়কাপ্তানী বিভাগৰ শ্ৰমিক সকলে পুনৰ তেওঁলোকে বিধান সভাৰ সম্মুখত বিক্ষোভ প্ৰদৰ্শন কৰিছে। তেওঁলোকে যিবিলাক দাবী উত্থাপন কৰিছে তাৰ ভিতৰত মুখ্য দাবী যোৱা ১৮ জুলাই ১৯৭২ তাৰিখে মুখ্য মন্ত্ৰীৰ বাসভৱনত মুখ্য মন্ত্ৰী, গড়কাপ্তানী মন্ত্ৰী, মুখ্য সচিব, মুখ্য অভিযন্তা উপস্থিত আছিল। তাত যি প্ৰতিশ্ৰুতি দিছিল তাক আজিলৈকে কাৰ্য্যকৰী নকৰিলে তৃতীয়তে ২৫-৯-৭২ তাৰিখে বিধান সভা গৃহৰ ৪ নং ৰুমত চৰকাৰ আৰু সংঘৰ লগত যি চুক্তি লিখিত ভাৱে সম্পাদন হৈছিল সিও আজিলৈকে সম্পূৰ্ণ কাৰ্য্যকৰী নকৰা। গতিকে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা আৰু চৰকাৰৰ পক্ষৰ পৰা যিবিলাক প্ৰতিশ্ৰুতি দিয়া হৈছিল সেই বিলাক কিয় এতিয়াও কাৰ্য্যকৰী হোৱা নাই আৰু কাৰ্য্যকৰী কৰাৰ কি ব্যৱস্থা লৈছে জানিব খুজিছো।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকীঃ অধ্যক্ষ মহোদয়, মই গগৈ ডাঙৰীয়াৰ লগত একমত। আজি যি সকল গড়কাপ্তানী বিভাগৰ কৰ্ম্মচাৰীয়ে বিধান সভাৰ সন্মুখত চিঞৰ বাখৰ কৰি আছে সৌভাগ্যই হওঁক বা দুৰ্ভাগ্যই হওঁক মই তেওঁলোকৰ অৰ্থাৎ সংস্থাৰ সভানেত্ৰী। আজি যিসকল কৰ্ম্মচাৰীয়ে তৃতীয় অৰু চতুৰ্থ যাৰ ওপৰত ভিত্তি কৰি গোটেই চৰকাৰখন চলি আছে সেই কৰ্ম্মচাৰী সকলৰ কেইবা হাজাৰে অফিছ কাছাৰীৰ পৰা ছুটীলৈ বিধান সভাৰ সন্মুখত আহি তেওঁলোকৰ দাবী জনাইছে। মই চৰকাৰৰ ওচৰত নিবেদন কৰিছো আজি যি সকল কৰ্ম্মচাৰীয়ে নিজৰ কাম বাদ দি ছুটী লৈ বিধান সভাৰ সম্মুখত আহি তেওঁলোকৰ ন্যায্য দাবীৰ বাবে চিঞৰ বাখৰ কৰিব লগা হৈছে, এক মাহ আগতে যি ক্ষেত্ৰত তৃতীয় চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলৰ দাবী পূৰণৰ আশ্বাস মুখ্য মন্ত্ৰীয়ে দিছে সেই ক্ষেত্ৰত এটা অদ্ভুত ধৰণৰ কথা হৈছে যে এই সংস্থাৰ যিজন সাধাৰণ সম্পাদক তেওঁক ৮ বছৰ চাকৰী কৰাৰ পাছত এতিয়া তেওঁক বৰ্খাস্ত কৰিছে। your service is not required

চৰকাৰক মই নিবেদন কৰিব বিছাৰিছো যে এই কৰ্ম্মচাৰী সকলৰ আজি পৰ্য্যন্ত কোনো সদ্-ব্যৱস্থা কৰা হোৱা নাই। আজি চৰকাৰে পে কমিচনৰ ওপৰত দোহাই দিছে। চৰকাৰে পে কমিচনৰ ৰিপোৰ্ট দিয়াৰ সময় ৩১ মাৰ্চলৈ বঢ়াই দিছে। এই পে কমিচনৰ নামত চৰকাৰে আজি বছৰেকীয়া বাজেট দাখিল নকৰিলে। পে কমিচনৰ পৰামৰ্শৰ ওপৰত ভিত্তি কৰি চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলক দৰমহা বেছি দিব বুলি কৈছে মই এই খিনিতে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে এই কমিচনৰ যিজন চেয়াৰমেন তেওঁ এজন অৱসৰপ্ৰাপ্ত বিষয়া, আকৌ ইয়াৰ সচিব বা অৱৰ সচিব আটাই বিলাকেই অৱসৰপ্ৰাপ্ত বিষয়া। গতিকে কমিচনৰ দিন যিমানেই বাঢ়ি যায় সিমানেই তেওঁলোকৰ পক্ষে মঙ্গল কিয়নো তেওঁলোকৰ চাকৰিৰকালো সিমানেই বাঢ়ি যাব। গতিকে সোনকালে চৰকাৰৰ হাতলৈ বা সদনৰ সমুখলৈ ৰিপোৰ্ট অহা টান। তিনিমাহ ধৰি নেচনেল হাই ওৱেৰ কৰ্ম্মচাৰী সকলে দৰমহা পোৱা নাই। অথচ এওঁলোকৰ দৰমহা ১৪০ টকা বা ১৩০ টকা বা ১২০ টকা আৰু তেওঁলোকে দিনটোত চাৰি টকাহে দৰমহা পায়। অথচ এই বিভাগৰে দুহেজাৰ বা আঢ়ৈ হাজাৰ গোৱা কৰ্ম্মচাৰী সকলে নিয়মিত ভাৱে দৰমহা পাই আছে। গতিকে এওঁ-লোকৰ চিঞৰ বাখৰৰ প্ৰতি কি মুখ্য অভিযন্তা কি মন্ত্ৰী কাৰো কাণসাৰ নাই।

অধ্যক্ষ মহোদয়ে, মই আপোনাৰ জৰিয়তে তেওঁলোকৰ দাবী বিলাকৰ প্ৰত্যুত্তৰ দিব বুলি দাবী জনালো ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱাঃ অধ্যক্ষ মহোদয়, মই সদনৰ বেছি সময় লব নোখোজো মাত্ৰ আপোনাৰ অনুমতি সাপেক্ষে মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষনৰ বাবে কেইটামান কথা উল্লেখ কৰিব বিচাৰিছো । প্ৰথম কথা হ'ল গড়কাপ্তানী বিভাগৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলে তেওঁলোকৰ দাবী সমূহ লৈ ইয়াত বিধান সভাৰ সম্মুখত থিয় হৈছেহি, তেওঁলোকৰ সজাতি দল যেতিয়া মুখ্য মন্ত্ৰীৰ ঘৰলৈ গৈছিল তাত মইও উপস্থিত আছিলো; তেখেতসকলক কেইটামান কাম কৰি দিম বুলি প্ৰতিশ্ৰুতিও দিছিল কিন্তু সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰা নাই আনকি আজি এবছৰ আগতে retrenched হোৱা গড়কাপ্তানী বিভাগৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীক ৰাজধানীৰ কাম কৰা সময়ত নিযুক্তি দিয়াত আগভাগ দিব বুলিও প্ৰতিশ্ৰুতি দিছিল কিন্তু সেই প্ৰতিশ্ৰুতিও ৰক্ষা কৰা নাই। বহুত প্ৰতিশ্ৰুতিয়েই দিলে, শুনিলোঁও কিন্তু কামত কোনো অহা নাই । গতিকে এতিয়া কোনো প্ৰতিশ্ৰুতি নতুনকৈ শুনিবলৈ নিবিচাৰো কেৱল বাহিৰত দাবী জনাই থকা, কাম বন বাদ দি Mass casual লৈ আহি বিধান সভাৰ সন্মুখত Demonstration দিছেহি তেওঁলোকক মুখ্য মন্ত্ৰীয়ে গৈ কি কৰিব পাৰে কিমান খিনি কামৰ কি কি কৰিব পাৰে কৰিব পাৰো বুলি অৰ্থাৎ কৰিম বুলি আৰু কৰিব নোৱাৰা কামখিনি কৰিব নোৱাৰো বুলি গৈ কৈ আহিব লাগে নহলে আমি ইয়াত শান্তিৰে বিধান সভাৰ কাম চলাব নোৱাৰো। তেওঁলোক তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী; তেওঁলোকৰ অভাৱ অভিযোগবোৰ মই ভালকৈয়ে বুজি পাওঁ যিহেতু মইও আগতে কাম কৰিছিলো।
নোৱাৰা কামটো কৰিব নোৱাৰো বুলিয়েই কৈ দিব লাগে।
কৈয়েই মোৰ সংশোধনী প্ৰস্তাৱটোৰ সমৰ্থন কৰিছো।

গতিকে কেৱল ৰাজনৈতিক পৰিসৰ বঢ়াবলৈ অথবা বাঃ বাঃ লবলৈ যদি C.P.I.ৰ Demonstration Meet কৰিবলৈ যোৱা নাই গুৰু-গম্ভীৰ ভাৱেৰে Demonstration Meet কৰিবলৈ যোৱা বাবে ভাল পাইছো । মুখ্যমন্ত্ৰী মহোদয় বহল হৃদয়ৰ লোক, গতিকে কি কৰিব পাৰে কৰিব পাৰিম বুলি কবগৈ লাগে আৰু নোৱাৰা কামটো কৰিব নোৱাৰো বুলিয়েই কৈ দিব লাগে।

(সদনত হাঁহি. [illegible])

[illegible], [illegible] নহয়।

He had bad advices but he is not a bad man.

গতিকে কৰিব পৰা কামটো তেখেতে স্পষ্টভাবে কৈ দিব লাগে নেকি।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ মুখ্য মন্ত্ৰী : এই সম্পৰ্কত মই এটা Statement দিব খুজিছো কাইলৈ Statement টো দি দিম।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : Demonstration দেখা কৰা সম্পৰ্কত একো নকয় নে

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : দেখা কৰিব পাৰো তাত আপত্তি নাই কিন্তু কবলগীয়া থিনি কাইলৈ Statement ত দিম।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : কাইলৈ Statement দিব বুলিয়েই কব পাৰে নেকি

Shri PROMODE GOGOI : Regarding P. W. D. the Government gave definite assurance. We want to know from the P. W. D. Minister what steps Government have taken in the matter.

Shri LUTFUR RAHMAN (Minister, P. W. D.) : Sir, regarding P. W. D. I shall make the statement to-morrow as I shall have to find out the facts. However, before making the statement I would like to say a few words to-day. Regarding re-employment, we have not violated any of the agreement. There might be little delay because of the last disturbances as we could not carry on usual work. Regarding pay we have already taken action.

Shrimati RENUKA DEVI BARKATAKI : May I know from the Minister what is the reason for non-payment of pay for last 3 months ?

Dr. LUTFUR RAHMAN (Minister, P. W. D.) : I shall make the statement to-morrow, Sir.

বিঃ মঙ্গলদৈ মহকুমাত পুলিচ থানাৰ সংখ্যা

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :

*২০। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মঙ্গলদৈ মহকুমাত কিমানখন পুলিচ থানা আৰু তাৰ অন্তৰ্গত আউটপোষ্ট কিমান আছে আৰু কি কি ?

(খ) জনসংখ্যা বৃদ্ধি আৰু নতুন নতুন চহৰ গঠিত হোৱালৈ লক্ষ্য ৰাখি বৰ্ত্তমান থকা পুলিচ থানাসমূহ যথেষ্ট নহয় বুলি চৰকাৰে জানেনে ?

(গ) যদি জানে আৰু অধিক পুলিচ থানা বা আউটপোষ্ট দিয়া সম্পৰ্কে চৰকাৰে বিবেচনা কৰিবনে ?

(ঘ) যদি কৰে চিপাবনৰ পাথৰিঘাট ৰঙামাটী, ভকতপাৰা, আৰু দেওমৰনৈত পুলিচ আউটপোষ্ট স্থাপন কৰা সম্পৰ্কে চৰকাৰে কোনকালে ব্যৱস্থা লবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (গৃহ বিভাগৰ বাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে।

২০। (ক)—বৰ্ত্তমান মঙ্গলদৈ মহকুমাত তলত উল্লেখিত থানা আৰু আউটপোষ্ট আছে।

থানা	আউটপোষ্ট
(১) মঙ্গলদৈ	বুঢ়া
(২) দলগাওঁ	(ক) খাৰুপেটীয়া
	(খ) চিলবাৰী
(৩) পেনাৰি	(ক) টংলা
	(খ) হৰিশিঙা
	(গ) দিমাকুচি
(৪) কলাইগাওঁ	খৈৰাবাৰী
(৫) ওদালগুৰি	ৰৌতা
(৬) মাজবাট	নাই।

(খ)—ওপৰত উল্লেখিত থানা আৰু আউটপোষ্টৰ বাহিৰেও পি, আই, পি (পাক ইন্‌ফিলট্ৰেচন প্ৰগ্ৰেম) অনুসৰি তলত দিয়া পুলিচ চকি আছে।

(১) (ক) ভকতপাৰা (খ) খাৰপুৰি (গ) নাগিনচৰ	(ক) মঙ্গলদৈৰ পুলিচ থানাৰ অধীনত
(২) (ক) লাল পুল (খ) খাৰুপেটীয়া	দলগাওঁ পুলিচ থানাৰ অধীনত
(৩) পুথিমাৰী	কলাইগাওঁ পুলিচ থানাৰ অধীনত।
(৫) লৌদাঙ্গ	ওদালগুৰি পুলিচ থানাৰ অধীনত।

(গ)—সময়ত আৱশ্যক অনুসৰি নতুন থানা বা আউটপোষ্ট খোলাটো চৰকাৰে বিবেচনা কৰিব।

(ঘ)—উল্লেখিত অঞ্চল সমূহক সামৰি বৰ্ত্তমান মঙ্গলদৈ পুলিচ থানাক বিভক্ত কৰি মঙ্গলদৈ আৰু চিপাঝাৰ নামেৰে দুখন থানা প্ৰতিস্থা কৰা বিষয়টো বৰ্ত্তমান চৰকাৰে বিবেচনা কৰি আছে।

Scarcity of baby food

Shrimati RENUKA DEVI BARKATAKI asked:

*21. Will the Minister, Supply be pleased to state—

(a) Whether it is a fact that there is a great scarctiy of baby food in Assam ?

(b) If so, what step Government has taken toease the situation ?

Shri SARAT CHANDRA SINHA (Chief Minister) replied .

21. (a)—Except in Dibrugarh and Diphu, there is scarcity no baby food at present.

(b)—Government have, however, taken up the matter with the suppliers for rushing more supplies of the commodity to the markets in Assam.

Re: Chairman, Assam Public Service Commission

Shri BALABHADRA DAS asked :

*22. Will the Cheif Minister be pleased to state—

(a) Whether it is a fact that a member of the Assam Public Service Commission who happens to be the Chairman of the Commission has been holding the Office for more than six years ?

(b) Whether it is a fact that all the recommendations of the Assam Public Service Commission since July, 1969 have been illegal and the appointments on said recommendations are no appointments in the eye of Law ?

(c) Whether there was serious violation of the provisions of the Constitution of India in allowing a member of the Public Service Commission to function for a term exceedidg six years ?

Shri SARAT CHANDRA SINHA (Chief Minister) replied.

22. (a), (b) & (c)—Please refer to reply to starred question No. 20 of the September 1972 session.

Re: **D. P. I. Assam**

Shrimati RENUKA DEVI BARKATAKI asked:

*23. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that the D. P. I. of Assam Shri Uma Kanta Sarma was asked to take leave (preparatory to retirement) against his wishes ?

(b) If so, the reason for such leave ?

(c) Whether there is any charge aganist this particular Officer ?

Shri HARENDRA NATH TALUKDAR (Minister of Education) replied :

23. (a)—No. It is not a fact.

(b)—Does not arise.

(c)—Yes.

বি: মন্ত্ৰী সকলৰ দৰমহা

শ্ৰীবলভদ্ৰ দাসে সুধিছে :

*২৪। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰ্ত্তমানে বস্তুৰ বাঢ়ি অহা দামৰ কাৰণে আৰু টকাৰ ক্ৰয়মূল্য কমি যোৱাৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয় সকলৰ দৰমহা ১,০০০ (এক হাজাৰ) টকাৰে চলা টান বুলি চৰকাৰে জানেনে ?

(খ) মাননীয় মন্ত্ৰী মহোদয় সকলৰ মৰ্য্যদা আৰু ক্ষমতাৰ অনুপাতে তেওঁলোকৰ মাহিলা দৰমহা ২,০০০(দুই হাজাৰ) টকা হোৱা উচিত বুলি চৰকাৰে বিবেচনা নকৰে নেকি ?

(গ) যদি উচিত বুলি বিবেচনা কৰে, তেন্তে কেতিয়াৰ পৰা মাননীয় মন্ত্ৰী মহোদয় সকলৰ মাহিলী ২,000 (দুই হাজাৰ) টকা দৰমহা দিয়া হব ?

(ঘ) যদি উচিত বুলি বিবেচনা নকৰে তেনেহলে কিয় নকৰে জনাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৪।

(ক)—
(খ)—
(গ)—
(ঘ)— } বৰ্ত্তমান তেনে কোনো প্ৰস্তাৱ চৰকাৰৰ ওচৰত নাই।

Shri DULAL CHANDRA BARUAH: Sir I want to draw your attention to a very important matter which may cause a law and order problem in our State. There is a news item published in the Assam Express under the caption "Padayatra By Bangla Congress to Assam" wherein it is said "Twentyfive Bangla Congress Volunteers led by party General Secretary, Sushil Dhara left this morning for Gauhati on 'padayatra' to protest against the "atrocities committed on the Bengalis in Assam and the stand taken by the Central and State Governments on the language issue". This is a very serious matter. Why these people should come here and poke their nose into our affairs? Will the Government take a bold stand to prevent these people from coming here? If they are allowed to come here you know Sir, what will be the consequences of this 'padayatra'. May I therefore, urge upon the Chief Minister to take immediate action in the matter so that they cannot

Shri SARAT CHANDRA SINHA (Chief Minister): We have taken appropriate steps in the matter.

Speaker's Ruling on a point of order and a questisn of breach of previlege.

Shri DULAL CHANDRA BARUA : Sir, I have a point of order. Yesterday you ruled out my point of order and practically you asked me to sit down. But there is a connection involved in it. There is a news item to-day in the Assam Express under the caption "Purkayastha to Boycott Assembly Indifinitely."

Sir, Shri Purkayastha is a member of the Cabinet and a member of this August House and if he abstains from attending the House he has to inform you. As a member of the Cabinet also he is behaving in such a way, which is against the democratic principles and decorum. It was the duty of the Chief Minister to inform the House had there been some decision taken on the matter. We have got the right to know it. Shri Purkayastha by doing so is not only defying the authority of the Government. but he is defying your authority too. He has got responsibilities to the House, that is, to you. But he is not discharging that responsibility and, wilfully and deliberately, he is remaining absent from the House. We have got to respect the convention of the House and we cannot allow that man to go in that way. If he is not willing he may step downn. He can resign from the Ministership as well as from the membership of the House. If he violates the democratic convention, you being the authority to see that the rights and privileges of members are not violated in this House and also to see that the members in discharging their duties as such, do not act against the recognised principles and convention of democracy. I think, you cannot allow this gentleman to go on like this. Therefore, I urge upon the Chief Minister to make a statement on this issue, explaining the whole position. Therefore, Sir, I hope that you will agree with me that there is a definite point of order because this is unprecedent in the annal of politics and also in the international parliamentary forum, and I further hope that you will guide us in this matter.

Shri GIASUDDIN AHMED : Mr. Speaker, Sir, I do not like to say anything about the merits and demerits of the stand taken by Mr. Purkayastha on the language tangle but the fact remains that being a member of the House and a member of the Cabinet he has committed a breach of privilege and the House should take notice of it and action taken accordingly. He has committed a breach of privilege in the House and the grounds have been explained by my friend Mr. Barua. These are the reasons, Sir. The House is supreme and when a member of the House or a member of the Cabinet is displeased or cannot support action of the Cabinet or the House he has a right to dissent and particularly when one is a member of the Cabinet, when he cannot support the stand of the Cabinet, when his conscience revolts against the decision of the Cabinet, he has every right to resign. That is the democratic convention. If Parliamentary democracy is to survive, if democracy is to survive, this convention should be followed by

everybody who respects democracy and who has any sense of honour towards democracy and towards the August House. Sir, it is obvious that Mr. Purkayastha has committed a breach of privilege and the House can take notice of it without even a formal notice. I would like to refer to Rule 158 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly. Rule 158. "A breach of privilege, either of a member or of the House or of a Committee thereof, may, with the consent of the Speaker be brought to the notice of the House :

(i) by a complaint from a member ;

(ii) by a petition; or

(iii) by a report from a Committee;

Provided that if the breach is committed in actual view of the House, the House may take action without complaint". I put emphasis on this proviso that "if the breach is committed in actual view of the House, the House may take action without complaint". This breach has been committed in actual view of the House. Here is a newspaper report. If this is contradicted by Mr. Purkayastha or by the Government, then of course, the matter becomes different but uptil now no contradiction we have seen not only this. On previous occasions also we have seen newspaper report that a Cabinet member has boycotted the Assembly and that news item also was not contradicted. Yesterday, another news item was discussed in this House. There was a serious allegation by a Cabinet member against his own cabinet and that was a very serious matter. That is why it is proved beyond the least doubt that a breach of privilege of the House has been committed in actual view of the House and action may be taken accordingly. So this should be taken as a notice of breach of privilege and he should be summoned to the House and action should be taken according to rule.

শ্রীনগেন্দ্র বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মোৰ বন্ধু মাননীয় সদস্য শ্রীগিয়াচুদ্দিন আহমেদ ডাঙৰীয়াই যিখন নটিচ ডাঙি ধৰিছে সেই সংক্রান্তত মোৰ কবলগীয়া কথা হৈছে এইটো যে আমাৰ মাননীয় এজন মন্ত্রীয়ে আজি আমাৰ মুখ্য মন্ত্রী শ্রীশৰৎ সিংহ ডাঙৰীয়াৰ মন্ত্রী সভাত যি দৃষ্টান্ত দেখুৱাইছে তেনে দৃষ্টান্ত ভাৰতবৰ্ষৰ কোনো গনতান্ত্রীক ব্যৱস্থাতে আজি পর্য্যন্ত আমি দেখা নাই। আজি আমি খবৰ পোৱা মতে সদন চলি থকা অৱস্থাত সেই মন্ত্রী জনাই শিলংৰ সচিবালয় ভৱনত ঘটি ঘুটি কাম কৰিছে অথচ যিখন মন্ত্রী সভা বা যিখন চৰকাৰৰ অধীনত তেখেত এজন মন্ত্রী সেই চৰকাৰৰ সেই বিধান সভা চলি থকা অৱস্থাতো বিধান সভাক আওকাণ কৰি শিলংঙত চৰকাৰী দায়িত্বৰ কাম কৰি আছে এই বিষয়ে বিধান সভাত আলোচনা কৰা হৈছিল। এতিয়া অধ্যক্ষ মহোদয়, আপোনাৰ জৰীয়তে মই সদনক আৰু মুখ্য মন্ত্রী ডাঙৰীয়াক অনুৰোধ জনাইছো যাতে এই বিধান সভা চলি থকা অৱস্থাত সেই মন্ত্রী জনৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা হাতত লয় যিহেতু তেখেত এই বিধান সভাৰ কার্য্যকাল চলি থকা অৱস্থাত আজি বিধান সভাত উপস্থিত নাই।

Shri SARAT CHANDRA SINHA (Chief Minister): Mr. Speaker, Sir, I am siezed of the facts and as I have already said, the matter is under my consideration, Unless the matter is decided it is not possible for me to tell the August House anything about this at this stage.

Mr. SPEAKER: Regarding the Point of order, I will give my ruling afterwards.

Regarding the question of breach of privilege, Rules 158 and 167 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly provide that a complaint has to be made. There is no complaint before us and so the provison of Rule 158 does not apply, because breach of privileges has not been committed in actual view of the House.

DEBATES ON GOVERNOR'S ADDRESS

শ্ৰীসোনেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত কৃষি বিষয়ৰ ক্ষেত্ৰত উল্লেখ কৰা হৈছে যে, যোৱা কেইমাহত ৰবি শস্যৰ ওপৰত যথেষ্ট জোৰ দিয়া হৈছিল আৰু ৰাজ্যপালে তেখেতৰ ভাষণত সেইখিনি কৃতকাৰ্য্য হোৱা বুলিও কৈছে। অৱশ্যে আমাৰ কৃষি মন্ত্ৰী মহোদয়ে কি কয় নেজানো। কিহিচ এই সময় চৌৰাত নিজ চকুৰে যি দেখিলো আৰু উৎপাদন কৰিবলৈ যোৱা খেতিয়ক হিচাবেও যি গম পালো তাৰ পৰা এই খেতিক এই অলংকাৰহে দিব পাৰি যে, এই ঘেহু খেতি শণি খেতিহে হ'ল।

অসম এখন নদীমাতৃকা দেশ। চৰকাৰী তথ্য-পাতি মতে এই প্ৰাকৃতিক অৱদানৰ মাত্ৰ দুভাগহে মাত্ৰ খেতিত লগোৱা হৈছে বাকী ৯৮ ভাগেই খেতিত লগাব পৰা নাই প্ৰকৃতিৰ এই অৱদানক স্বাগত জনাবলৈ আৰু এই পানীক খেতিত লগাবলৈ চৰকাৰে সৰ্ব্বতো প্ৰকাৰে চেষ্টা চলাব লাগে। কেইবাটাও ভগা-চিগা মেচিন আৰু পাইপ আদি বিভিন্ন জেগাত পেলাই থোৱা হৈছিল কিন্তু পানী যোগান কৰা হলে আমি দেখা নেপালে অন্ততঃ আমাৰ উজনি অসমত কতো পানী যোগানৰ ব্যৱস্থা ইয়াৰে কৰা নহল। এইটো কথাও আমাৰ হাতত খবৰ আছে যে যোৱা বছৰত যেতিয়া ভাদমাহত বানপানী হৈছিল সেইসময়তে যোৰহাট, উত্তৰলক্ষীমপুৰ আদি কিছুমান ঠাইত আকাশী জানৰ পৰা পোকমৰা ঔষধ চটিউৱা হৈছিল। যোৱা বিধান সভাতো এইবিষয়ে কেইবাটাও প্ৰশ্ন তুলিও আমি তাৰ একো উত্তৰ হলে নেপালোঁ। এতিয়াও সেই কাৰ্য্যকে চলি আছে। যোৱা ঘেহুখেতিৰ সময়তে কেইবা ঠাইতো পোক নথকা স্বত্তেও পোক মৰা ঔষধ ছটিয়াই লাখৰ হিচাবতহে টকা খৰছ কৰাৰ উদাহৰণ আমাৰ চৰকাৰৰ কৃষি বিভাগৰ ফাইলত আছে। আমাৰ মন্ত্ৰী সকলৰ বক্তৃতাত, কৰ্ম্মচাৰী সকলৰ ফাইলত কলমৰ নাঙলেৰে লিখা বহুতো এনেকুৱা ব্যৱস্থা আছে। আজি ধনী মানুহৰ পাইখানা ঘৰতো বিজুলীবাতি জলিছে। কিন্তু আজি অসমৰ খেতি পথাৰত যদি বিজুলী শক্তিৰ পোহৰ পেলাব পাৰা গলহেতেন তেতিয়াহলে, অসমৰ খেতি পথাৰত দেধাৰ পানী যোগানৰ ব্যৱস্থা কৰিব পৰা গলেহেঁতেন। অসমৰ খেতি পথাৰত পানী যোগান ধৰিব পৰাৰ দেধাৰ উপায় আছে। কিন্তু আমাৰ চৰকাৰে, আমাৰ কৃষি বিভাগে বক্তৃতা বৰষুণেৰে খেতি কৰাৰহে ব্যৱস্থা কৰি আহিছে। অসমীয়াত এষাৰ কথা আছে যে, "মাজ মৰত নাই চুলি, পৈয়েকে মাতে কপহী বুলি।" যোৱা বছৰ চিলিং আইন' কৰি মাটিৰ সৰ্ব্বোচ্চ পৰিমাণ ৫০ বিঘালৈ নমোৱা হল। চৰকাৰে এই ব্যৱস্থাক বৈপ্লৱিক আঁচনি বুলি, সমাজবাদী আঁচনি বুলি ঢাক-ঢোল বজালে। নীতি পৰিবৰ্ত্তন কৰিব পৰা ব্যৱস্থা এই চৰকাৰৰ দিনত আশা কৰিব নোৱাৰি। সেই চিলিং আইনত যিখিনি মাটি ওলাইছিল সেইমাটি খিনি দুখীয়া মাটিহীন মানুহৰ মাজত বিতৰণ কৰাৰ পৰিবৰ্ত্তে বিতৰণৰ পথ একেবাৰেই বন্ধ কৰি কৃষি নিগম খোলা হল। নিগমৰ সমালোচনা মই যোৱা বিধান সভাত

নি:জই কৰিছিলো। আজিও মই সেই কথাই কম। কৃষি নিগম কৰাৰ ফলত খেতিয়কে মাটি পোৱাটো একেবাৰেই বন্ধ হৈ গৈছে যাৰ ভয়াবহ পৰিণতি আমাৰ খেতিয়ক সকলে এতিয়া ভূগিছে। আৰু এই কথা মই কালিও কৈছিলো কিন্তু সেইটো শেষ নহল সেইটো যে যোৱা ৭।৩।৭৩ তাৰিখে ৰাজ্যসভাত ৩৩০ নম্বৰ তাৰাংকিত প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় চৰকাৰৰ হৈ কৈছিল যে, অসমত তিনিলাখ, পঞ্চানবৈ বিঘা মাটি ৰাহি হৈছে। কিন্তু তা বিতৰণ নিগমৰ জৰিয়তেই হওঁক বা ব্যক্তিগত মানুহৰ মাজতেই হওঁক কিমান বিতৰণ কৰা হল, তাৰ জবাব আমাৰ চৰাকাৰে এতিয়া দিব লাগি ।

তাৰ পিচত পথ পৰিবহনৰ কথাও ৰাজ্যপালৰ ভাষণত উল্লেখ আছে। অসমৰ ৰাইজে অসমত ব্ৰডগজ লাইনৰ শাখা মুকলি কৰিব লাগে বুলি কৈ আছে। এই ব্ৰডগজ লাইন নোহোৱাৰ ফলত আজি কি পৰিস্থিতিৰ সৃষ্টি হৈছে সেইটো পুনৰ দোহাৰিবৰ আৰু সকাম নাই, সকলোৰে জনা কথা যে, পথ পৰিবহন আদিৰ সুচল নথকাৰ কাৰণেই সময়ত আহি পাবলগীয়া বস্তু নোপোৱাৰ কাৰণেই সদায় আমাৰ খাদ্য সামগ্ৰীৰ দাম আদি বাঢ়ি যায়। তাৰোপৰি, অসমত উৎপাদিত বস্তুও যাতায়তৰ অসুবিধাৰ কাৰণে বাহিৰলৈ পথাব নোৱাৰাৰ কাৰণেই আমাৰ খেতিয়কে উৎপাদিত বস্তুৰ উচিত মূল্য নেপায়। ভাৰতবৰ্ষত উৎপন্ন হোৱা সমুদায় ভেনেষ্টাৰ ৫৬ আগেই অসমত হয়। অথচ এইবিলাক পৰিবহনৰ অসুবিধাৰ কাৰণে বাহিৰলৈ পথাব নোৱাৰাৰ কাৰণে অসমত ইয়াৰ উচিত মুল্য পোৱা নেযায় আৰু অসমৰ বাহিৰৰ মানুহে ইয়াৰ ওপৰতে ব্যৱসায় কৰি যথেষ্ট টকা লাভ কৰি লৈ যায়। সেইদৰেই আমি অসমতে উৎপাদিত হোৱা অন্যান্য বস্তু যেনেঃ—মৰাপাট, তেল, কয়লা আদিৰো উচিত মুল্য নেপাওঁ। মই আজি এটা হিচাপ ৰেলওৱেৰ সন্দৰ্ভত ডাঙি ধৰিব খুজিছো। যোৱা কেই বছৰত ভাৰতবৰ্ষত কেইবাটাও ব্ৰডগজ ৰেল লাইন খোলা হৈছে। তাৰ ভিতৰত পুনা-মিৰাজ-কোলাপৰ লাইন ব্ৰডগজ কৰাৰ অনুমোদন কৰা হয় শ্ৰীএছ কে, পাটিল ৰেল মন্ত্ৰী থকাৰ সময়ত।

তাৰ পিচত বাঙ্গালোৰৰ গণ্টুকুল লাইন ব্ৰডগজ হয় শ্ৰীহনুমন্তিয়া ৰেলমন্ত্ৰী হোৱাৰ পিছত। দিল্লীৰ মাঙ্গালোৰ হৈ আনাকলামলৈ ব্ৰডগজ কৰি তিনি হাজাৰ কিলোমিটাৰ "জয়ন্তী-জনতা এক্সপ্ৰেছ" চলাবলৈ সিদ্ধান্ত হল শ্ৰীটি, এ, পাই ৰেলমন্ত্ৰী হোৱাৰ পিছত। তেনেকৈয়ে গোৰখপুৰ বাবাংকৰী সমঠিপুৰ লাইন ব্ৰডগজ কৰিবলৈ লৈৰি হৈছে শ্ৰীএল এন, মিশ্ৰ ৰেল মন্ত্ৰী হোৱাৰ পিছত। ইয়াৰ দ্বাৰা এইটোকে দেখা গৈছে যে আমাৰ কেন্দ্ৰীয় ৰেলমন্ত্ৰী সকলে সৰ্ব্বভাৰতীয় দৃষ্টিভঙ্গী লৈ কাম নকৰে। আজি ৰেলওৱেৰ মন্ত্ৰী সকলে কেতিয়াও অসমৰ কথা বিবেচনা নকৰে। ৰেইলওৱেৰ প্ৰসঙ্গত সাতটা প্ৰস্তাৱৰ ভিতৰত দেখা গৈছে যে, বাৰাউনি হৈ গুৱাহাটী পৰ্য্যন্ত এটা ব্ৰডগজ লাইনৰ প্ৰস্তাৱ কৰা হৈছে যদিও সি ছয় নম্বৰতহে। কেন্দ্ৰীয় বাজেট বৰ্ক্তৃতাত এই ব্ৰডগজ ৰেল লাইনৰ সম্পৰ্কে যি দেখিছো সেইটো পঞ্চম পৰিকল্পনাতো হোৱাৰ আশা নাইকীয়া। আমাৰ আক্ষেপ এইটোৱে যে, আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰক এই পথ-পৰিবহনৰ কথাবিলাক বুজাই দিব নোৱাৰে। আজি অসমত জীয়া মানুহ নাই নেকি যে এই কথাবিলাক কেন্দ্ৰীয় চৰকাৰক বুজাই দিব নোৱাৰে। আজি অসমত জনসংখ্যা হৈছে দেৰকোটি। ফ্ৰান্স, জাপান, জাৰ্ম্মেনী, কানাডাকে আদি কৰি এনে কিছুমান স্বাধীন উন্নতীশাল ৰাষ্ট্ৰ আছে সেইবিলাকতে কিছুমানত দেৰকোটি জনসংখ্যা আছে নে নাই সন্দেহ। অথচ ভাৰতবৰ্ষৰে এটা অংশ অসমত দেৰকোটি মানুহ থকা স্বত্বেও ইয়াত পথ পৰিবহনৰ এই কথাবিলাক বুজাই দিবৰ কাৰণে এজনে মানুহ ওলোৱা নাইকীয়া।

তাৰোপৰি ব্ৰহ্মপুত্ৰৰ ওপৰত যোগীঘোপা-পঞ্চৰত্ন আৰু শিলঘাট-ভোমোৰাগুৰিত দলং নিৰ্ম্মাণৰ বাবে অনুসন্ধান আৰু জৰীপ আদিও চলি আছে বুলি কোৱা কাহিনীও

ৰাজ্যপালৰ ভাষণত আমি পাইছো। এইটো হল অসমৰ মানহৰ বহুতদিনীয়া অভাৱ এটা পৰণ হোৱাৰ কাৰণে আমি সন্তোসেই পাম। কিন্তু এই জৰীপ কাৰ্য্য চলোৱাৰ পিছত ব্ৰহ্মপদ্ৰত্ৰৰ দলং হয়গৈনে নহয় তাতে সন্দেহৰ অৱকাশ নোহোৱা নহয়। উপাধ্যক্ষ্য মহোদয়, ৰাজ্যপালৰ ভাষণত আৰু কেইটামান কথা উনকিয়াইছে। তাৰ ভিতৰত নগা সীমান্তৰ কথাও আছে। তেখেতে নগালেণ্ড চৰকাৰৰো ৰাজ্যপাল আৰু অসম ৰাজ্যৰো ৰাজ্যপাল। সেইকাৰণেই তেখেতে নগালেণ্ড বিধান সভা উদ্বোধন কৰোতে এই ক্ষেত্ৰত যি কথাৰ অৱতাৰণা কৰিছিল এতিয়া আমাৰ অসম বিধান সভাৰ অধিবেশন উদ্বোধন কৰোতেও সেই একে কথাকেই তেখেতে কৈছে। যে ৰা দুনাহৰ আগতে দুয়ো চৰকাৰৰ চেক্ৰেটাৰীৰ মাজত এখন চুক্তি স্বাক্ষৰিত হৈছিল আৰু তাৰ দলিল আমাকো দিয়া হৈছে। কিন্তু সেই চুক্তিমতে যিখিনি ব্যৱস্থা কৰা হৈছিল সেইমতে নগা চৰকাৰে কাম কৰা নাই আৰু তাক উলংঘহে কৰিছে। নগা চৰকাৰে সেই চুক্তিক উলংঘা কৰি দৈয়াং বনাঞ্চলৰ কাষে কাষে এটা সুদিৰ্ঘ ৰাস্তা বনাইছে। ১৪ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় চৰকাৰৰ উপদেষ্টা শ্ৰীসুন্দৰম ডাঙৰীয়াইও দেখি গৈছে। তাৰোপৰি, চেবেকাপৰা, ভেলেউগুৰি, দীঘলপানী আদি জেগাত নগাই পুনৰ কাটা দি বেঢ়িছে। এই অঞ্চলত নগা চৰকাৰৰ চিপাহী থকা স্বত্বেও তাত ট্ৰেক্টৰ লগাই দৈয়াং বনাঞ্চলত খেতি কৰাইছে। অকল সিমানেই নহয়, দৈয়াং বনাঞ্চলত বসবাস কৰা কিছুমান অসমীয়া মানুহক নীতিগত ভাবে সংস্থান দিয়াৰ পৰিবৰ্ত্তে সীমান্তৰ প্ৰহৰী হিচাবে থকা সেই ৰাজ্যৰ চিপাহীয়ে পথাৰৰ শস্য দাই নিছে, খাজানা তুলিছে, অসমীয়া প্ৰজাৰ ওপৰত নানাধৰণৰ অত্যাচাৰ কৰিছে। গৰু-ম'হ আদিও চুৰি কৰি নিছে, হাহঁ-কুকুৰা আদিও তেওঁলোকে এৰা নাই।

অকল সেয়ে নহয় যোৱা ৬ ডিচেম্বৰ তাৰিখে যেতিয়া যোৰহাটৰ ডি, চি, গোলাঘাটৰ এচ ডি পি অ আদি নগালেণ্ডৰ সীমান্ত পৰিদৰ্শন কৰিবলৈ আহিছিল তেতিয়া তেখেত সকলে দুজন কাঠ ফালি থকা নগা লোকক ধৰি লৈ গৈছিল। আৰু সেই নগালোক দুজনক দজনী নাগিনী ছোৱালীয়ে এখেত সকলৰ হাতৰ পৰা লৈ গৈছিল। তেখেত সকলে একো কৰিব নোৱাৰিলে। আনকি সিদিনা আমাৰ মন্ত্ৰী শ্ৰীউত্তম ব্ৰহ্ম চাহাব যেতিয়া মেৰাপানী চাবলৈ গৈছিল তেতিয়া তেখেতক নগা চিপাহীয়ে উভতাই পঠালে। তেখেত আগবাঢ়ি যাব নোৱাৰিলে, উভতি আহিবলগীয়া হল। অন্ততঃ এই বিলাক কথাৰ ইঙ্গিত ৰাজ্যপালৰ ভাষণত থাকিব লাগিছিল, কিন্তু নথকাৰ কাৰণে আমি আচৰিত হৈছো। অসম চৰকাৰে নগালেণ্ড সীমান্তত যি বিলাক মানুহ বহুৱাইছে সেই বিলাকক আমাৰ চৰকাৰে সৈন্য বাহিনীৰ দৰে শিক্ষা দি বহুৱাব লাগিছিল। যাতে প্ৰয়োজন হলে তেখেত সকলে কৰিবলগীয়া খিনি নিজে কৰিব পাৰে। আৰু তেখেত সকলে যেন সেই বিলাক ঠাইত প্ৰহৰিৰ দৰে থাকিব পাৰে। নহলে গুৱাহাটীৰ পৰা পুলিচ গৈ, ডিচপুৰৰ পৰা পুলিচ গৈ তেখেত সকলক কেতিয়াও ৰক্ষা কৰিব নোৱাৰে। অতি আচৰিত কথা নগালেণ্ড সীমান্তত যিবিলাক নগালোকক বসতি দিয়া হৈছে সেই মানুহ বিলাকক নগা পুলিচে সহায় কৰি আহিছে, কিন্তু আমাৰ ফৰেষ্ট বিলাকত যি বিলাক আমাৰ মানুহ বহিছে সেই বিলাকক আমাৰ পলিচে উচেছদ কৰিছে। অলপতে ২০০ নগা চীনত প্ৰশিক্ষণ লৈ নগালেণ্ডলৈ উভতি আহিছে বুলি আমি খবৰৰ কাকতত পাইছো। আৰু মাজে মাজে আমি খবৰৰ কাকতত পাই থাকো যে ইমান নগা প্ৰশিক্ষণ লবলৈ চীনলৈ গৈছে। ইমান নগাই আত্মসমৰ্পন কৰিছে। এইদৰে আত্মসমৰ্পণ কৰা কিছুমান নগা লোকক দয়াং কাকাডোঙা অঞ্চলত নগাই বসতি দিছে। সেই লোক সকলক আমাৰ পুলিছে উচেছদ কৰিব পৰা নাই। আমাৰ পুলিচে নগালোকক উচেছদ কৰিব নোৱাৰে, মাত্ৰ আমাৰ মানুহকে হে উচেছদ কৰিব পাৰে। আৰু এটা কথা এই খিনিতে মই উল্লেখ কৰিব খুজিছো যে শ্ৰীজীৱন দাস

নামৰ এজন মেনেজাৰ , তেখেত এজন সাহিত্যিকো, তেখেতে সেই সময়ত ছুটি লৈ বঙ্গিয়াৰ সাহিত্য সভালৈ আহিছিল। তেখেতে ১৪ তাৰিখে ছুটি লৈছিল। আৰু সেই দিনাই সুন্দৰম কমিতি মেৰাপানী চাবলৈ গৈছিল। আৰু তাত থকা কৰ্ম্মচাৰী সকলে তথ্যপাতি ঠিক ভাবে দিব নোৱাৰাৰ কাৰণে শ্ৰীদাসক সাময়িক ভাবে বৰ্খাস্ত কৰে। অথচ সেই দিনা তেখেত অফিচত নাছিল ছুটি লৈ আছিল। এয়ে আমাৰ চৰকাৰৰ কাৰ্য্যকলাপ।

গাৱলীয়া ঘৰ নোহোৱা মানুহক ঘৰ দিয়া হব বুলি ৰাজ্যপালে তেখেতৰ ভাষণত উল্লেখ কৰিছে। যোৱা ১৯৭৩ চনৰ ৭ মাৰ্চ্চ তাৰিখে ৰাজ্য সভাত তাৰাযুক্ত ৩২৮ নং প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় মন্ত্ৰী ওম মেহতাই একাষাৰ কথা কৈছিল। ভাৰতৰ ঘোষিত নীতি হিচাবে গৃহহীন আৰু মাটিহীন বাইজক ঘৰ, মাটি দিয়াৰ যি আঁচনি কৰিছিল তাৰ শতকৰা ১০ ভাগো কাম হোৱা নাই। সিদিনা ওম মেহতাই প্ৰশ্নৰ উত্তৰত কৈছিল যে বহুতো ৰাজ্যৰ পৰা তেনে আঁচনি পোৱা নাই। তাৰ ভিতৰত অসম ৰাজ্যৰ পৰাও তেনেধৰণৰ কোনো আঁচনি পোৱা নাই। এতিয়া মই অসম চৰকাৰক সতৰ্ক কৰি কও যে এই ক্ষেত্ৰত তেখেত সকলে যেন অকনো কৃত্তিমালি নকৰে।

আমাৰ দেশৰ অন্যান্য সমস্যাৰ লগতে নিবনুৱা সমস্যাই এটা বৃহৎ ৰূপ ধাৰণ কৰিছে আৰু এই সমস্যা সম্পৰ্কে কাগজে পত্ৰে বিশদ ভাবে প্ৰকাশ পাইছে। অলপতে বিধান সভাৰ এমপ্লইমেণ্ট ৰিভিউ কমিটি যোৰহাটলৈ গৈছিল। তাত কিছু সংখ্যক উচচ শিক্ষিতা ছোৱালীয়ে এই কমিটিক কৈছিল যে তেওঁলোকক হয় চাকৰি দিয়ক নহয় দৰা বিচাৰি দিয়ক, যি দৰা বনুৱা হব লাগিব। এই কাৰ্য্যয় প্ৰমাণ কৰে শিক্ষিত নিবনুৱাৰ সংখ্যা দিনক দিনে বৃদ্ধি পাইছে আৰু এই সমস্যা জটিলতাৰ হৈ উঠিছে। আনফালে এই ক্ষেত্ৰত চৰকাৰে কোনো অবিহনা যোগাৰ পৰা নাই। মাত্ৰ ঘিউ বেপাৰীৰ আলাসত চাং পতাৰ নিচিনা ব্যৱস্থাহে হৈছে। আজি আমাৰ চৰকাৰে উন্নয়ণৰ প্ৰসঙ্গত বহুতো হাহঁ কুকুৰাৰ ফাৰ্ম খোলাৰ কথা কৈছে। আৰু এই ফাৰ্ম বিলাক শিক্ষিত নিবনুৱাক খুলিবলৈ কৈছে। কিন্তু এজন শিক্ষিত নিবনুৱা ডেকাই এখন হাহঁ-কুকুৰাৰ ফাৰ্ম খুলিবলৈ গলে কি পাব। এজন চৰকাৰী চাকৰী কৰা মানুহে থাকিবলৈ ঘৰ পাব, চিকিৎসাৰ সুবিধা পাব, টকা পইচা পাব আদি নানা সুবিধা পাব, কিন্তু হাহঁ-কুকুৰাৰ ফাৰ্ম খোলা ডেকা এজনে কি পাব ইয়াৰ কাৰণে আমি নিবনুৱা সকলক নিবনুৱা ভাটা দিব লাগে বুলি কৈ আহিছে প্ৰয়োজন হলে ভাৰতবৰ্ষৰ সংবিধানৰ নতুনকৈ ৰছনা কৰি হলেও নিবনুৱাৰ সমস্যা সমাধান কৰিব লাগিব। নিবনুৱা সমস্যাৰ মূলতে শিক্ষিত যুৱক যুৱতীৰ হৈ ওলা-বলৈ চৰকাৰে স্কুল কলেজ কৰিছে। কিন্তু ইয়াৰ শিক্ষা পদ্ধতি কোনো পৰি-বৰ্ত্তন নাই। বৰ্ত্তমানৰ শিক্ষাই যুৱক যুৱতী সকলক চাকৰিলৈ যি ধাউতি তাকেই বৃদ্ধি কৰিছে। নিজৰ ভৰিত নিজে ঠিয় দি জীৱন সংসাৰ চলাই জীয়াই থকাৰ কোনো প্ৰশিক্ষণ নাই। গতিকে বৰ্ত্তমানৰ যি শিক্ষা। সেই শিক্ষাৰ সম্পূৰ্ণ পৰিবৰ্ত্তন হব লাগে আৰু নতন শিক্ষা এনে হব লাগিব যি শিক্ষাই দেশৰ লোক সকলক মানুহ কৰিব পাৰিব লাগিব। আৰু মানুহ হিচাবে জীয়াই থাকিবলৈ প্ৰশিক্ষণ পাব লাগিব।

মই আৰু বেচি কথা কব নোখোজো যোৱা কেইমাহ মান শিক্ষা পৰিবৰ্ত্তন সম্পৰ্কীয় কথাই প্ৰাধান্য লাভ কৰিছিল। এই প্ৰসঙ্গতে মই মোৰ লৰাটোৰ কথাই কব খুজিছো যে মোৰ লৰাটো যোৱা বাৰ পুৰনা পাঠ্যক্ৰমত ক্লাচ ফৰত ফেল কৰিলে। কিন্তু নতন পাঠ্যক্ৰম মতে ৫ম মান হল। আৰু এই শ্ৰেনীতেই সংস্কৃত ভাষা অধ্যয়ন কৰিব লগীয়া

হৈছে। ৯ বছৰীয়া, ১০ বছৰীয়া, ১১ বছৰীয়া লৰাই সংস্কৃত পঢ়াৰ সময় নহয়। এই সম্পৰ্কত মাননীয় ভট্টাচাৰ্য্য ডাঙৰীয়াই বিশদ ভাবে আলোচনা কৰি গৈছে মই মাত্ৰ এটা কথা কব খুজিছো যে ক্লাচ ফাইবৰ যি গণিতৰ কিতাপ সেইটো বিষয়ত মাধ্যমিক বৰ্ডে ৭খন কিতাপ অনুমোদন কৰি দিছে যদিও দাম আদিৰ সম্পৰ্কত কোনো খনে কিতাপ ৰ কোনো খনৰ লগত মিল নাই। ননী মাধব বৰুৱা বি এচ চিৰ যি খন গণিত, সেই খনত ৯৮ পৃষ্ঠা আছে তাৰ দাম ২'৫০ পইচা, আৰু অন্য এখন মহেন্দ্ৰ বৰুৱা আৰু কিৰণ বৰুৱা (গণিত পৰিচয়) ইয়াৰ পৃষ্ঠা ২২৮ দাম ৫ টকা। এই ২২৮ পৃষ্ঠাৰ কিতাপ খন মাত্ৰ এক বছৰহে চলিব। দ্বিতীয় বছৰ নচলে। গতিকে এই দৰে অভিভাবক সকলে লৰা ছোৱালীৰ পাঠ্য পুথিৰ যোগান ধৰা অতি দুৰ হৈ পৰিব। গতিকে এই বিলাক কথা চৰকাৰে বিবেচনা কৰা আৱশ্যক।

চিলচৰ মেডিকেল কলেজলৈ ৪৩ জন লৰা এতিয়াও যাব পৰা নাই। তাৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা নাই। ১৫ মাৰ্চৰ খবৰ কাগজত ওলাইছে যে তথা কথিত কলিকতীয়া লৰাই কলিকতাত থকা অসম হাউচত টেলিফোন আদি ব্যৱহাৰ কৰাত মাহে এক লাখ টকা খৰচ কৰিব লাগীয়া হৈছে। টেলিফোনৰ যি চাকৰিয়াল আছিল তেওঁলোকক আতৰাই নিজে সকলো চমজি লৈছে আৰু আলহী হিচাবে আছে। এই বিলাকৰ কথা আমি ভাবিব লাগিব। অসমৰ ৰাজধানী দিছপুৰলৈ অহাত আৰু বিশ্ববিদ্যালয়ৰ মাধ্যম আন্দোলনৰ পিচত ভাবিছিলো বন্ধু সকলে অন্তত মাতৃ ভাষাত বিধান সভাত ভাষণ দিব। যোৱা কালি মুখ্য মন্ত্ৰীয়ে বাজেট ভাষণ ইংৰাজীত দিলে। মই যোৱা ৬ বছৰে তাৰ প্ৰতিবাদ কৰি আহিছো। যোৱা বছৰ প্ৰতিবাদ কৰাত মুখ্য মন্ত্ৰীয়ে কৈছিল তেনেকৈ যদি গতানুগতিক ভাবে চলি আহিছে তেন্তে অসমীয়াতে পঢ়ো। মই কিয় সদায় প্ৰতিবাদ কৰিব লাগে? অন্যান্য সকলেও ইয়াৰ প্ৰতিবাদ কৰিব পাৰে। অসমীয়া মাধ্যম হোৱাৰ পিচত সকলো সদস্যই যাতে অসমীয়াতে ভাষণ দিব তাৰ বাবে সকলোকে অনুৰোধ কৰিলো। চৰকাৰৰ সকলো কাৰ্য্যসূচী অসমীয়াত চলাব পাৰে। খবৰ কাগজত এনেকৈ ওলাইছে যে যোৱা ৯-১০ তাৰিখে ডিব্ৰুগড়ত বহা পিচপৰা জাতি সন্মিলনত প্ৰস্তাব গ্ৰহণ কৰা হৈছে যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মাধ্যম অসমীয়াৰ উপৰিও ইংৰাজী হব লাগে। আচলতে তেনেকুৱা নহয়। দিল্লীৰ ৰাজনীতিৰ আকাশত নেজাল তৰাৰ আবিৰ্ভাৱ হৈছে অসম দেশত তাৰ প্ৰভাব পৰিছে। ডিব্ৰুগড়ত ১০ মাৰ্চত ৰাতি ১০ বজাৰ পিচত কংগ্ৰেছী সদস্য শ্ৰীটঙ্কেশ্বৰ দিহিঙীয়াক মাতি অনা হৈছিল। তাত ১৫শ প্ৰতিনিধি উপস্থিত আছিল। তাত শিক্ষাৰ মাধ্যম ইংৰাজী হব লাগে বুলি কোৱাত ৰাতি প্ৰায় ১১ বজাত ভোট লব লগা হল। ৫২ জনৰ বাহিৰে বাকী সকল ইয়াৰ বিৰোদ্ধে গল। মই সভা বৰ্জন কৰিলো। গতিকে এই প্ৰস্তাবত পিচপৰা জাতি সন্মিলনৰ সমৰ্থন নাই। ইয়াত বিশেষ ৰাজনৈতিক গোষ্ঠিৰ সমৰ্থন আছে। মোৰ নাই। সেই সভাত ৰাজ্যিক মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া আৰু উপাধ্যক্ষ শ্ৰীৰাজবংশীও উপস্থিত আছিল। শ্ৰীদেৱ কান্ত বৰুৱাই মঞ্চত উঠি অন্যান্য পিচপৰা জাতি সন্মিলনৰ প্ৰতি চকুপানী টুকিছিল, বংশৰ গৌৰৱ কৰি ইংৰাজীত এটা দীঘল উদ্বোধনী ভাষণ দিছিল। তেওঁ কৈছিল কোচ কছাৰী চুতীয়া এই বিলাক শেষত পৰাধীন হল, উচ্চ জাতি বিলাকে বৃটিচৰ কৰ কমলত ইংৰাজী শিকি সৰ্ব্ব প্ৰথমে আগবাঢ়ি গল। মই পুনৰবাৰ কৈছো যদি আমি ইংৰাজী শিকো পিছপৰাজাতি বহু পিচলৈ যাব। যিজন মানুহে ভৰি দি কৈছিল ৰাজনৈতিক কামনা বাসনা লৈ ডিব্ৰুগড়লৈ অহা নাই। আৰু কামনা বাসনাৰ বয়সো নাই হেপাহো নাই।

শ্ৰীলক্ষীকান্ত শইকীয়া: যি জন মানুহ ইয়াত উপস্থিত নাই সেই বিষয়ে আলোচনা কৰাই ভাল।

শ্ৰীসোনেশ্বৰ বৰা: তেওঁৰ বক্তৃতাক লৈ নতুন আন্দোলন আৰম্ভ হৈছে। সেই খিনি আজি মই নিজে উপলব্ধি কৰিছো। মিৰী চুতীয়ানী কেইজনী মানক বিলাতত ডাক্তৰ কৰি অনা আৰু বিলাতলৈ পঠোৱা কথা কৈছিল। আজি ভাৰতৰ সকলো প্ৰদেশে ইংৰাজ৷

বৰ্জন কৰিছে। ৰাজ্য ভাষাক শিক্ষাৰ মাধ্যম হিচাবে লৈ নতুন জীৱন পাতনি মেলিছে। ইংৰাজী ভাষা যদি লোৱা হয় তেন্তে আৰু বেচি পিচ পৰি যাব। বঙালত বঙালী ভাষা, বিহাৰত হিন্দী ভাষা লৈছে আৰু ১০ বছৰৰ পিচত ইংৰাজী ভাষা নাইকীয়া হৈ যাব। উচ্চ জাতি বিলাকে আমাক ঠগাব খুজিছে। আমাৰ ১৫ শ প্ৰতিনিধিৰ ইংজীৰ প্ৰতি সমৰ্থন নাই। অৱশ্যে মাকুমৰ ত্ৰিবেণী সিং আৰু ৰবি শংকৰ সিঙ ইংৰাজীৰ সপক্ষে আছে ত্ৰিবেণীৰ পৰিয়াল অন্যান্য পিচপৰা জাতিৰ প্ৰতিনিধি হল তেও লোকে উজনি অসমৰ মদৰ মহল কন্টোল কৰি আছে।

তেনেকৈ যেতিয়া মূল অধিবেশনত ভাষাৰ প্ৰস্তাৱ লোৱাৰ দিনা মই কবীৰ বায় প্ৰধানী অথবা ধীৰেণ চন্দ্ৰ বৰাৰ নাম থকা স্বত্বেও মূকলি সভাত বক্তৃতা নিদিলো। দহ মাৰ্চৰ ৰাতি ডিব্ৰুগড়ত এখন সভা বহিছিল, তিনিচুকীয়া কলেজ, ডুলীয়াজান আদিত সভাঘৰৰ কি কৰাৰ পিচত কোনোবা কোনোবা কেইজন মান মানুহে ইংৰাজী লাগে বুলি কৰা প্ৰস্তাৱৰ কথা সচাঁ নহয়।

শ্ৰীদেবেন বৰা ঃ উপাধ্যক্ষ ডাঙৰীয়া, বৰা ডাঙৰীয়াৰ পৰা এটা কথা জানিব পাৰো নে যে অসমত অসমীয়া লাগে বুলি যিসকল মানুহে কৈছে সেইসকলৰ কিমান লৰা ছোৱালীয়ে ইংৰাজী স্কুলত পঢ়ি আছে তাৰ এটা হিচাব তেখেতে দিব পাৰেনে ?

শ্ৰীসোনেশ্বৰ বৰা ঃ মই দিব নোৱাৰোঁ। তেখেতেহে দিব লাগে। এইটো এটা "গোঁসাই ঘৰত কল খোৱা নাই" নিচিনা কথা হৈছে। দেৱকান্ত বৰুৱা অসমলৈ আহোতে অৱশ্যে কৈছিল যে মোৰ আৰু এতিয়া দিন উকলিল, মই ৰাজনীতিৰ কোনো কামনাবাসনা লৈ ইয়ালৈ অহা নাই।

উপাধ্যক্ষ ডাঙৰীয়া, মই আৰু সদনৰ বেছি সময় লব নোখোজো। এই খিনি কৈয়েই মোৰ সংশোধনী প্ৰস্তাৱটোৰ সমৰ্থন কৰিছো।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ ঃ উপাধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপালৰ ভাষণৰ ওপৰত মই প্ৰস্তাৱটো উৎথাপন কৰিবলৈ বিচাৰিছো। আৰু এই প্ৰস্তাৱ উৎথাপন কৰিবলৈ গৈ ৰাজ্যপালৰ ভাষণত যিবিলাক কথা উল্লেখ কৰিছে সেই বিলাকৰ সম্পৰ্কে আমাৰ মন্তব্য ডাঙি ধৰিবলৈ চেষ্টা কৰিম।

ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে ধান আৰু ঘেঁহুৰ ব্যৱসায় নিজৰ হাতলৈ আনিব। তাত ঘোষণা কৰা হৈছে যে কৃষি সংস্কাৰ কৰা মূলক আইনবিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে চৰকাৰৰ প্ৰশাসনীয় যন্ত্ৰ পুণৰ সংগঠন কৰিব। এনেকুৱা ধৰণৰ নীতি ঘোষণা কৰাৰ কাৰণে চৰকাৰক মই ধন্যবাদ দিছো। আৰু আশা ৰাখিছো যে সেই নীতি বিলাক ঘোষণা কৰিয়েই ক্ষান্ত নাথাকি তাক কাৰ্য্যকৰী কৰাৰ কাৰণেও আৱশ্যকীয় ব্যৱস্থা তৎকালীন ভাবে চৰকাৰে গ্ৰহণ কৰিব।

উপাধ্যক্ষ ডাঙৰীয়া, এইবিলাক কথা উল্লেখ কৰিলেও ৰাজ্যপালৰ ভাষাৰ সেই সম্পৰ্কে উল্লেখ নথকাত মই বৰ আচৰিত হৈছোঁ, আৰু বেচি আচৰিত হৈছোঁ যে অসম চৰকাৰে যিবিলাক প্ৰগতিমূলক আঁচনি গ্ৰহণ কৰিছে আৰু যিবিলাক নতুন নীতি গ্ৰহণ কৰিছে সেইবিলাকৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নথকাত আৰু অসম প্ৰদেশৰ প্ৰগতিশীল শস্যবিলাক যি মহাজন আৰু চাহবাগান মালিকৰ কথা উল্লেখ নথকাত মই বৰ আচৰিত হৈছোঁ।

১৯৭১ চনত ভূমিসংস্কাৰ আইন পাছ কৰা হল, ১৯৭১ চনতে প্ৰজাস্বত্ব আইনো পাছ কৰা হল। কিন্তু সেই আইনবোৰ কাৰ্য্যকৰী কৰোতে আমি দেখিবলৈ পাইছো অসমৰ প্ৰত্যেক ঠাইৰ যিবিলাক মাটিৰ মহাজন আৰু জমিদাৰ সেইবিলাকে চিলিং আইনৰ বিৰোধে আৰু প্ৰজাস্বত্ব আইনৰ বিৰোধে এখন যুদ্ধ ঘোষণা কৰিছে। তেওঁলোকে সভাসমিতি কৰিয়েই নহয় অনেক ধৰণৰ প্ৰচাৰ পত্ৰও বাহিৰ কৰিছে। বিধান সভাত যিখন আইন পাছ কৰিলে সেইখন অসমৰ জমিদাৰ আৰু মাটিৰ মহাজনৰ কাৰণে বে-আইন, সেই আইন ব্যৰ্থ কৰাৰ কাৰণে কামৰূপৰ বিভিন্ন ঠাইত হৰতাল পালন কৰিছে, বহুঠাইত সংঘৰ্ষও হৈছে। অসমৰ বিভিন্ন ঠাইৰ চাহবাগানৰ মালিক সকলে প্ৰজাস্বত্ব আইন ব্যাপক ভাবে ব্যৰ্থ কৰিবলৈ প্ৰয়াস কৰা শুনিবলৈ পাইছো।

উপাধ্যক্ষ ডাঙৰীয়া, এইটো কেৱল অসমতেই নতুন নহয়, গোটেই ভাৰতবৰ্ষৰ ভূমিসংস্কাৰৰ বিৰোধে জমিদাৰ আৰু মাটিৰ মহাজন সকলে সেই যুদ্ধ ঘোষণা কৰিছে। ৰাজ্যপালে ভাষণত ঘোষণা কৰিছে যে অহা বছৰৰ পৰা ধান আৰু ঘেঁহুৰ ব্যৱসায় চৰকাৰে নিজৰ হাতলৈ আনিব। ইতিমধ্যে ইয়াৰ বিৰোধে প্ৰত্যাহ্বান আমি দেখিবলৈ পাইছো। ভাৰত চৰকাৰে এই কথা ঘোষণা কৰাৰ লগে লগে ভাৰতবৰ্ষৰ ডাঙৰ ব্যৱসায়ী সকলে গোটেই ভাৰতবৰ্ষৰ ঘেঁহু আৰু ধান ব্যৱসায় চৰকাৰৰ হাতলৈ আনিব বুলি হৰতাল পালন কৰিছে। আজি মই বাতৰি কাকতত দেখিছো অসমো তাৰ বাদ পৰা নাই। সিদিনা ৰাজ্যপালৰ ভাষণ ঘোষণা কৰাৰ লগে লগে চেম্বাৰ অৱ কমাৰ্চ এ হৰতাল পালন কৰিছে। আজিৰ কাকতত প্ৰকাশ হৈছে যে

...............Tezpur Food Dealers to Observe Strike In response to a general hartal call of All India Food Grain Dealers Association one thousand wholesale and retail dealers in Tezpur sub-division will observe Hartal in protest against taking over of wholesale trade in wheat and rice by Government. Other shops also decided to observe hartal in support of this movement of food grain dealers organised by Darrang Chamber of Commerce,,).

গতিকে আজি এই সিদ্ধান্ত বাহাল কৰাৰ কাৰণে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত যিবিলাক ডাঙৰ ডাঙৰ বেপাৰী আছে সেইবিলাকৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। অসমৰ যিবিলাক ডাঙৰ চোৰাং বেপাৰী আছে তেওঁলোকৰ বিৰোধে চেম্বাৰচ অৱ কমাৰ্চৰ আহবান ক্ৰমে অকল তেজপুৰতেই নহয় অসমৰ বিভিন্ন ঠাইত তেওঁলোকে প্ৰতিবাদ কৰিব। গতিকে আইনবিলাক কাৰ্য্যকৰী কৰিবলৈ যাওতে প্ৰতিক্ৰিয়াশীল শক্তিৰ লগত মোকাবিলা কৰিবলৈ প্ৰস্তুত হব লাগিব। তাৰ কাৰণে জনসাধাৰণক সংগঠন কৰিব লাগিব। এই বিলাকৰ কোনো ইঙ্গিত ৰাজ্যপালৰ ভাষণত নঠকাতো অতি দুখৰ কথা। অধ্যক্ষ মহোদয়, এই শক্তিবিলাকে এইটো লক্ষ্য কৰিছে যে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত যেনেকৈ নিষ্পেষিত মানুহ বিলাকক বিভেদ কৰিবলৈ যেনেকৈ অন্ধ্ৰ, বা কতো ভাষা, কতো ধৰ্মৰ নামত মানুহক বিভেদ কৰিবলৈ চেষ্টা কৰিছে। এইটো প্ৰতিক্ৰিয়াশীল চক্ৰৰ এটা ষড়যন্ত্ৰ যোৱাবাৰ বিধান সভাৰ অধিবেশনত এটা কথা উল্লেখ কৰা হৈছিল যে অসমত এমেৰিকাৰ চোৰাংচোৱাৰ কাৰ্য্যকলাপ সম্পৰ্কে। এইটো বৰ আচৰিত কথা। চিলঙত প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰিছিল যে নিউইয়ৰ্ক টাইমচত ঘোষণা কৰিছিল যে অক্টোবৰ মাহত পূৰ্ব্বাঞ্চলত গণ্ডগোল হব পাৰে। এই সংবাদটো অসম চৰকাৰে পোৱা নাছিল আৰু ভাৰত চৰকাৰেও পোৱা নাচিল কিন্তু তাৰ আগতেই নিউয়ৰ্কত নিউয়ৰ্ক টাইমচে ঘোষণা কৰিছিল যে পূৰ্ব্বাঞ্চলত গণ্ডগোল হব পাৰে। তাৰ দ্বাৰায় এই কথা স্পষ্টভাবে প্ৰমাণ হয় যে পূৰ্ব্বাঞ্চলত এমেৰিকা চোৰাংচোৱাৰ হৈ যোৱা অশান্তিত ৰূপ আছে। আমাৰ জনসাধাৰণে ন্যাৰ্য্য প্ৰাপ্যৰ কাৰণে দাবী

কৰিব, আৰু সেই দাবীৰ সুযোগ লৈ গণতান্ত্ৰিক দাবীৰ সুযোগ লৈ, আমাৰ মাজত অশান্তিৰ সৃষ্টি কৰিববলৈ বিচাৰিব সেই বিলাক কথা আমাৰ চৰকাৰে লক্ষ্য কৰিব লাগিব। মই মুখ্য ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এই আমেৰিকান চোৰাংচোৰা বিলাকৰ কাৰ্য্য কলাপ সম্পৰ্কে গভীৰ ভাবে লক্ষ্য কৰিব লাগে। এটা কথা শুনিবলৈ পাইছো যে যোৱা মাধ্যম আন্দোলনৰ সময়ত আমেৰিকাৰ পৰা কেইজনমান এম্বেচি অসমলৈ আহিছিল। তেওঁলোকে কিছুমান উচ্চ পদস্থ বিষয়াৰ লগত আৰু ৰাজনৈতিক নেতাৰ লগত আলোচনা কৰিছিল। এই আলোচনা বিলাক কি বিষয়ত কৰিছিল আৰু কেনে ভাবে ষড়যন্ত্ৰ কৰিছিল সেইবিলাক কথাৰ অনুসন্ধান কৰিব লাগে। এইটো কথা সত্য যে সেই সময়ত এমেৰিকান এম্বেচি কেইজন অসমলৈ এনেয়ে অহা নাছিল। তেওঁলোকৰ নিশ্চয় কিবা নিহিত স্বাৰ্থ আছিল। তেওঁলোকে এনেয়ে উচ্চ পদস্থ কৰ্মচাৰীৰ লগত আলোচনা কৰা নাছিল। কোনো বিলাক ৰাজনৈতিক নেতাৰ লগত আলোচনা কৰিছিল সেই বিলাক বিচাৰ বিবেচনা কৰি চাব লাগিব। এই কাৰণেই মই অসম চৰকাৰক অনুৰোধ কৰিছো চৰকাৰে এই বিলাক কথাৰ অনুসন্ধান কৰি যি বিলাক আমেৰিকান চোৰাংচোৰাৰ লগত জড়িত আছে, সেই বিলাক চৰকাৰী কৰ্মচাৰীয়ে হওক বা ৰাজনৈতিক নেতাই হওক তেওঁলোকৰ বিৰোদ্ধে কঠোৰ ব্যৱস্হা গ্ৰহন কৰিব লাগে। এই আমেৰিকান চোৰাংচোৰাৰ কথা মানুহে নাজানে। অথচ এই চোৰাংচোৰা বিলাক গোটেই পৃথিবী জুৰি আছে। আৰু প্ৰত্যেক বিলাক ৰাষ্ট্ৰৰে চৰকাৰ ভঙা পতা কৰিবৰ কাৰণে চেষ্টা কৰি আছে। চি আই কেইজন মানুহ নহয়। তেওঁলোকৰ নিজস্য সকলো বিলাক বস্তু আছে। তেওঁলোকৰ নিজস্য বিমান আছে, সৈন্য বাহিনী আছে আৰু এই বিলাকে বিভিন্ন দেশত চৰকাৰ ভঙা-পতা কৰিববলৈ বিচাৰি আছে। আৰু এই কথা সকলোৰে বিদিত। এইদৰে এই মানুহ বিলাকেও যদি আমাৰ ইয়াত অশান্তিৰ সৃষ্টি কৰিববলৈ বিচাৰি থাকে তেনেহলে আমাৰ মানুহ কেতিয়াও শান্তিত থাকিব নোৱাৰিব। গতিকেই মই মুখ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো যাতে এই বিলাকৰ তথ্যপাতি সংগ্ৰহ কৰি আৰু যিবিলাক মানুহ ইয়াৰ লগত জড়িত সেইবিলাক অনুসন্ধান কৰি, দোষী বুলি কোনোবা প্ৰমানিত হলে তেওঁলোকৰ বিৰোদ্ধে কঠোৰ ব্যৱস্হা গ্ৰহণ কৰিব লাগে। অধ্যক্ষ মহোদয়, এই প্ৰতিক্ৰিয়াশীল চক্ৰৰ এই কথা আমি দেখিবলৈ পাইছো যে তেওঁলোকে কোনো কথাৰে মীমাংসা হবলৈ নিদিয়ে। আগতে প্ৰতিক্ৰিয়াশীল শক্তিৰ অশান্তিৰ সৃষ্টি কৰাৰহে ব্যৱস্হা আছিল। কিন্তু এতিয়া তেওঁলোকে এনেকুৱা কৌশল অবলম্বন কৰে যি ঘটনা ঘটিছিল সেই সম্পৰ্কত চাৰিজন ছাত্ৰক যেতিয়া ৰাচটিকেট কৰিবলগীয়া হল তেতিয়া সেই অৰডাৰটো বাতিল কৰিবৰ কাৰণে আন্দোলন হল আৰু যেতিয়া সেই হুকুম প্ৰত্যাহাৰ কৰিবলৈ সিদ্ধান্ত লোৱা হল তেতিয়া পুনৰ দাবী উঠিল যে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যয় ৰিজাইন দিব লাগে। সেই দৰেই এটাৰ পাচত এটাকৈ নতুন ধৰণৰ পৰিস্হিতিৰ উদ্ভব কৰোৱা হয়। যাৰ মীমাংসা কোনো ৰকমেই নহয়। তাৰ পাচত ফেব্ৰুৱাৰী মাহত বেনাৰচ বিশ্ববিদ্যালয় ছাত্ৰ ইউনিয়নে দখল কৰি লৈছিল। সেই কামত জনসংঘৰ নেতা জড়িত আছিল। তাৰ পাচত তেওঁলোকে দাবী কৰিলে যে দিল্লীত যিখন এচিয়া ১৯৭২ হৈছিল তালৈ যোৱা ছাত্ৰ ছাত্ৰী সকলক বিনামূল্যে বিশ্ববিদ্যালয় বিলাক দেখুৱাব লাগে বুলি কৈছিল। তেওঁলোকৰ আন এটা দাবী হল যি বিলাক ছাত্ৰ ছাত্ৰী পৰীক্ষাত ফেল হৈছিল তেওঁলোকক প্ৰমোচন দিব লাগে। আৰু এই বিলাক দাবীৰ মাজত লিপ্ত আছিল জনসংঘৰ নেতা। আৰু তাত চি পি (এম)ৰ শ্ৰীজ্যোতি বসু আৰু জনসংঘৰ শ্ৰীৰাজ নাৰায়নো আছিল। আৰু তেওঁলোকে এনেকুৱা দাবী উত্থাপিত কৰিছিল যে যাৰ মীমাংসা কোনো কালেই হব নোৱাৰে আৰু এইদৰেই দেশত অশান্তিৰ সৃষ্টি কৰে। অধ্যক্ষ মহেদয়, এই বিলাকত প্ৰতিক্ৰীয়াশীল শক্তিক দোষাৰোপ কৰি থাকিলেই নহব এই বিলাকত চৰকাৰো সতৰ্কহৈ থাকিব লাগিব আৰু জনসাধাৰণকো সৰ্তক কৰি ৰাখিব লাগিব। তেতিয়াহে আমাৰ মাজৰ পৰা অশান্তি আতৰিব।

আজি অসমৰ ভূমি সংস্কাৰ আইন আৰু প্ৰজা স্বত্ত আইন প্ৰণয়ন কৰিছে সচাঁ। কিন্তু সেই আইন বিলাক চৰকাৰে কাৰ্য্যকৰী কৰিব পৰা নাই। ১৯৭১ চনতেই ৰাষ্ট্ৰপতিয়ে

এই আইনত সম্মতি দিলে। আৰু নিয়মাৱলীও ৰচনা কৰা হল। কিন্তু কাৰ্য্যত পৰিণত কৰা নহল। ঠিক তেনেকৈয়ে চৰকাৰৰ চিলিং আইন প্ৰণয়ন কৰা হল কিন্তু কাৰ্য্যকৰী কৰা হোৱা নাই। এই আইন কাৰ্য্যকৰী নকৰাৰ কাৰণে আমি দেখিবলৈ পাইছো যে মালিক বিলাকে খেতিয়ক বিলাকক উচ্ছেদ কৰিয়ে আছে। খেতিয়ক সকলক চৰকাৰে সংৰক্ষণ দিব পৰা নাই। শাসন যন্ত্ৰত যিবিলাক কৰ্মচাৰীয়ে কাম কৰিছে তেওঁলোকে নিস্পেষিত সকলৰ বিৰোধাচৰণ কৰিছে। কামৰূপ জিলাৰ নলবাৰী আৰু বৰপেটা মহকুমাত আৰু উজনি অসমৰ চাহবাগিছা সমূহত মালিক বিলাকে এই চিলিং আইন হোৱা স্বত্ত্বেও চৰকাৰ আৰু মালিক উভয়ে খেতিয়ক সকলক উচ্ছেদ কৰিছে।

এই আইন পাছ হোৱাৰ পাছত চৰকাৰে এনেকুৱা এটা নিৰ্দ্দেশ দিব পাৰে যে ৰায়তক কোনো মাটিৰ মালিকে উচ্ছেদ কৰিব নোৱাৰে। আইন যদি স্বীকাৰ কৰিছে, যি আইন বিধান সভাত পাছ হৈছে, যি আইনত ৰাষ্ট্ৰপতিৰ সম্মতি জনাই যি ৰায়তৰ আইন পাছ কৰা হৈছে-সেই ৰায়ত সকলক সংৰক্ষণ দিবৰ কাৰণে অসম চৰকাৰে কোনো নিৰ্দ্দেশ দিব নোৱাৰিলে। বহুবিলাক অৰ্ডিনেন্‌চ্ চৰকাৰে কৰিলে, কিন্তু ৰায়ত বিলাকক উচ্ছেদ কৰিব নোৱাৰা অৰ্ডিনেন্‌চ্ এটা আজিলৈকে কিয় নহল? মোৰ বোধেৰে চৰকাৰে কৰিব পাৰিলেও সেইটো নকৰে আৰু তেনেকুৱা আইন আমি দেখিবলৈ পাইছো।

অধ্যক্ষ ডাঙৰীয়া, আজি চৰকাৰে কৰিব নোৱাৰা কাম একো নাই। অলপতে কেৰালা ৰাজ্যত ৰায়তৰ সম্পূৰ্ণ অধিকাৰ দিয়া হৈছে আৰু তেনেকৈ গোটেই মাটিতেই জমিদাৰক উচ্ছেদ কৰি ৰায়তক দিয়া হৈছে। চৰকাৰে ডি, আই, ৰোলৰ যোগেদি যিমান বিলাক মাটি আছে সেইবিলাক নিজৰ হাতলৈ আনি সেইবিলাকত একোটা ফাৰ্ম কৰিছে। আনফালে গোটেই ভাৰতবৰ্ষতে জমিদাৰৰ কাৰণে ডি, আই, ৰোল স্বীকাৰ কৰি লৈছে, কিন্তু আমাৰ ৰাজ্যত জমিদাৰী সকলৰ বিৰুদ্ধে আমাৰ চৰকাৰে কিয় সেই আইন প্ৰয়োগ কৰিব নোৱাৰিব? গোটেই ভাৰতবৰ্ষতে ডি, আই, ৰোলত ৰায়তসকলৰ বিৰুদ্ধে সকলোবোৰ ব্যৱস্থা কৰিব পাৰে, তেতিয়া হলে কিয় আমাৰ প্ৰদেশত জমিদাৰী আইন স্থগিত কৰিব নোৱাৰিলে? চৰকাৰক মই এইটো কথাত দাবী কৰিছো- যিবিলাক জমিদাৰে আমাৰ এই আইনবিলাক বাণ্চাল কৰা ষড়যন্ত্ৰ কৰিছে সেই বিলাকৰ বিৰুদ্ধে চৰকাৰে অনতিপলমে ডি, আই, ৰোল প্ৰয়োগ কৰা দৰকাৰ। তেওঁলোকক অনুসন্ধান কৰি চৰকাৰে শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

আজি সৰ্ব্বসাধাৰণ মানুহে আইন ভঙ্গ কৰিলে চৰকাৰে কঠোৰ শাস্তি দিয়ে, তেনেকৈ যিবিলাক মাটিৰ মালিকে চৰকাৰী আইনকানুন ভঙ্গ কৰিলে বা কৰি আছে তেওঁলোকৰ ওপৰত কঠোৰ ব্যৱস্থা লবৰ বাবে মই দাবী কৰিছো।

অধ্যক্ষ ডাঙৰীয়া প্ৰজাস্বত্ব আইনৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। সেই ধাৰাটো হল চেক্‌চন নং ২২ । এই ধাৰামতে আৱশ্যক গত মাটি চৰকাৰে অধিগ্ৰহণ কৰিব পাৰে আৰু তাৰ ক্ষতিপূৰণ জমিদাৰ সকলে ৰায়ত সকলৰ পৰা ৫ টা কিস্তিত আদায় কৰিব। এই ব্যৱস্থা আমাৰ বিধান সভাত পাছ হোৱাৰ পাছতো কিয় চৰকাৰে এই ২২ ধাৰামতে যিবিলাক প্ৰজাক জমিদাৰে উচ্ছেদ কৰিলে সেইবিলাকৰ বিৰুদ্ধে কিয় ব্যৱস্থা নকৰিলে আৰু সেই ধাৰামতে জমিদাৰৰ মাটি কিয় অধিগ্ৰহণ নকৰিলে। তাতটো কোনো বাধা নাছিল। আনফালে সেইখিনি মাটি নিজৰ অধিনলৈ আনি ৰায়তক চৰকাৰে পট্টন দিব পাৰে। গতিকে আইনত যিটো ধাৰা আছে সেই হস্তগত কৰি ২২ নং ধাৰামতে যিবিলাক জমিদাৰে ৰায়ত সকলক উচ্ছেদ কৰিবলৈ নানা ষড়যন্ত্ৰ কৰিছে সেই সকলৰ

বিৰুদ্ধে বিহিত ব্যৱস্থা লবলৈ মই চৰকাৰক অনুৰোধ কৰিছো আৰু সকলো মাটি অধিগ্ৰহণ কৰি ৰায়তক দিয়াৰ পাছত ৰায়তক যাতে কোনো মাটিৰ মালিকে উচ্ছেদ কৰিব নোৱাৰে তাৰ উপযুক্ত ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়ে, আৰু এটা কথাৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। আমি এই ভূমি সংস্কাৰ সম্পৰ্কে বহুবিলাক প্ৰস্তাৱ আগতে উত্থাপন কৰিছিলো আৰু সেইবিলাকৰ তদন্তও হল। গুৱাহাটীত মাটি বিতৰণ সম্পৰ্কে এই সদনে এটা কমিটি গঠন দিছিল আৰু তদন্তও হৈছিল। সেই তদন্তৰ ৰিপৰ্ট এক সদনত দাখিল কৰা হল, সদনে ৰিপৰ্ট গ্ৰহণো কৰিছে। আজি সদনে ৰিপৰ্ট গ্ৰহণ কৰা বছৰ পাৰ হৈ গল, কিন্তু কি ব্যৱস্থা কৰিলে আজিলৈ নজনালে। তেতিয়া বিধান সভাৰ এটা প্ৰশ্নৰ উত্তৰত চৰকাৰে সদনক জনাইছিল যে ৰিপৰ্টৰ পৰামৰ্শ বিবেচনা কৰিবলৈ এটা কেবিনেট চাব-কমিটি গঠন কৰা হৈছে। আমি জানো যে এই কেবিনেট চাব কমিটিয়ে কোনো কথাই বিবেচনা কৰা নাই। যিটো ৰিপৰ্ট সদনে গ্ৰহণ কৰিলে, সেইটোৰ আজি এক বছৰ পাৰ হৈ যোৱাৰ পাছতো কিয় চৰকাৰে তাৰ কোনো কাৰ্য্যকৰী ব্যৱস্থা হাতত লব পৰা নাই। মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যে চৰকাৰে প্ৰকৃত পক্ষে দুৰ্নীতি দূৰ কৰিব পাৰে, ৰায়তক সংস্থাপন দিব পাৰে। ৰায়তক সংস্থাপন দিবৰ কাৰণে সেই ৰিপৰ্টত যিবিলাক দুৰ্নীতিৰ কথা আলোচনা কৰা হৈছে সেইবিলাকৰ বিষয়ে কিয় আজিলৈকে বিহিত ব্যৱস্থা লোৱা নাই। কামৰূপৰ ডি, চি, ৰ বিৰোধে কোনো শাস্তিমূলক ব্যৱস্থা লোৱা নাই। বৰঞ্চ তেওঁক এতিয়া শিক্ষা বিভাগৰ চেক্ৰেটৰী পাতিব। যিজন বিষয়াই দুৰ্নীতিত লিপ্ত হোৱাৰ উপযুক্ত প্ৰমাণ হৈ গল, কাগজে-পত্ৰে যিজন বিষয়াৰ ওপৰত ১৯৭১ চনৰ পৰাই শাস্তিমূলক ব্যৱস্থাৰ কাৰণে প্ৰস্তাৱ কৰি আহিছো-আজি ১৯৭৩ চনৰ মাৰ্চৰ ২১ দিন, আজিলৈকে শাস্তিমূলক ব্যৱস্থা লোৱাৰ কোনো ইঙ্গিত নিদিলে, আৰু ৰিপৰ্টবিলাক চৰকাৰে অৱহেলা কৰাৰ কাৰণে আজিলৈকে কোনো ব্যৱস্থাই লোৱা নহল আৰু তেতিয়া হলে তদন্ত কমিটিৰ ওপৰত আমাৰ মানুহৰ আস্থা নোহোৱা হব। সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰিছো এই সদনে গ্ৰহণ কৰা যিটো ৰিপৰ্ট, যিটো প্ৰতিবেদন সেই প্ৰতিবেদনৰ ওপৰত চৰকাৰে তৎক্ষণাৎ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আৰু এটা কথা মই দাবী কৰিছো যে এই প্ৰতি বেদনত যিবিলাক কৰ্ম্মচাৰীক দোষাৰোপ কৰা হৈছিল, যিবিলাক অন্যায়-দুৰ্নীতি উদ্‌ঘাটন কৰা হৈছিল সেই বিলাকৰ সম্পৰ্কে চৰকাৰে ততালিকে ব্যৱস্থা লব লাগে।

অধ্যক্ষ ডাঙৰীয়া আজি আমাৰ ইয়াত খাদ্য-বস্তুৰ দাম অত্যন্ত বাঢ়িছে। এই বস্তুৰ মূল্য বৃদ্ধিৰ বিষয়ে মানুহে কল্পনা কৰিব নোৱাৰে। ভাৰত চৰকাৰৰ সিদ্ধান্ত ঘোষণাৰ পাছত আৰু আজি স্বাধীনতাৰ ২৫ বছৰৰ পাছতো সাধাৰণ মানুহৰ প্ৰতি চৰকাৰে বিশেষ নজৰ লব নোৱাৰিলে আৰু অন্য ৰাজ্যৰ দৰে আমাৰ চৰকাৰে অসমত যিবিলাক চোৰাং কাৰবাৰী চলিছে তেওঁলোকৰ বিৰুদ্ধে সন্দেহাতীত হৈয়েই আছে। আজি উদলীয়াজানত বস্তুৰ দাম কি ভাবে বৃদ্ধি পাইছে, তাৰ এটা হিচাব দিছো। তাত চেনিৰ দাম কিলোত ৪·২০ পইচা। চৰকাৰে বান্ধি দিয়া নিৰিখ হৈছে দুটকা। দাইলৰ কিলোত প্ৰত্যেক ধৰণৰ ২.২০ পইচাৰ পৰা ২.৪০ পইচা, কণি প্ৰতি দৰ্জনত ৪.৪০ পইচা আৰু মাংস প্ৰতি কিলোতি ৭·০০ টকা। সেই ফলিৰ পৰা লক্ষ্য কৰিলে বস্তুৰ দাম ক্ৰমান্বয়ে বৃদ্ধি হয়েই আছে আৰু থাকিব। সৰ্ব্ব ভাৰতীয় হিচাবমতে এবছৰৰ ভিতৰত নিত্য প্ৰয়োজনীয় বস্তুৰ দাম ১৯৭১ চনৰ তুলনাত ১৯৭২ চনলৈকে বাঢ়িছে শতকৰা ১৩ টকা। কণিত বাঢ়িল শতকৰা ৪০ আৰু চেনিত বাঢ়িল শতকৰা ১০০ আৰু প্ৰত্যেকৰে হিচাব মোৰ হাতত আছে। সেই কাৰণে মই এইটো কথা কব বিচাৰিছো যে প্ৰকৃত পক্ষে আমাৰ অসমত খাদ্যবস্তু নাই নেকি? আমাৰ দেশত চেনিৰ বৃদ্ধি হয়েই আছে, কোনো বছৰেই কমা নাই। সেইটো নকমা স্বত্তেও আজি চোৰাং কাৰবাৰী সকলৰ বিৰোধে কোনো ব্যৱস্থা নোলোৱাৰ কাৰণে আমাৰ দেশত প্ৰতি বছৰে বস্তুমূল্য বৃদ্ধি হৈ আছে।

Mr. SPEAKER : Then I give my ruling.

On 20th March 1973. Shri Dulal Chandra Barua tabled an adjournment motion for sudden power cut by the Assam State Electricity Board. The Honourable Member contended that the sudden drastic power cut by Assam Electricity Board has paralysed almost all the Industrial Units of Assam, particularly in and around Gauhati and thereby it very badly hits these Industrial Units in their economic growth. This needs immediate intervention of the House.

I have heard the contention of Shri Dulal chandra Barua and other Honourable Members about the admissibility of the adjournment motion. I have also heard the submissions of Minister, Parliamentary Affairs as well as Shri Gaurisankar Bhattacharyya about the administrative responsibility of the Government over the Assam State Electricity Board. I quite appreciate the contentions of both. It has been the practice of the Assam State Electricity Board to place the annual financial statement of accounts, annual working reports etc. On the floor of the House since its inception. The House has therefore an inherent right to discuss the affairs of this Board which is the creature of this very House. It may be presumed that the activities of the Board may be influenced by parliamentary discussions and in that view a discussion of some sort in the House may be useful.

Coming to the adjournment motion, I would like to point out that the primary importance of an adjournment motion is to draw the attention of the Government to a matter of urgent public importance so as to influence the decision of the Government in an urgent matter. The test of admissibility of an adjournment motion is that the matter is such character that something very grave. Something which affects the whole country, its safety, and that the House must pay its attention immediately by interupting the regular business of the House. I have no doubt that the matter is of great public importance and that it has been brought to the notice of this House at the earliest opportunity. Now the question is whether the adjournment motion is the only way to raise discussion of this nature in this House. In May's Parliamentary Practice at page 365 it has been laid down that an adournment motion should be refused when an ordinary parliamentary opportunity should occur shortly or in time. We have before the House general discussion on Governor's Address and on the Vote on Accounts where this matter may be conveniently discussed. It has been suggested by the Minister Parliamentary affairs that the Minister-In-charge of Industries, keeping in view the urgency of the matter, should collect the relevant information and make a statement to-day. If the Honourable Members are not satisfied with this, they may bring a substantive motion when the statement is made to raise a discussion on this issue. In view of all these alternative opportunities available to this House I feel reluctant to admit the motion.

The Assembly resumed its sitting after lunch break at 2 P. M. with Mr. Deputy Speaker in Chair.

Shri MAHAMMAD IDRIS (Minister, Industries): Mr. Deputy Speaker, Sir please allow me to make a statement on the Power cut.

Mr. Deputy Speaker: Yes, if it is ready.

Shri MAHAMMAD IDRIS (Minister, Industries):

As the Honourable Members are aware, the districts of Goalpara, Kamrup, Darrang, Nowgong and Cachar in the State, besides Meghalaya, primarily depend for their power supply on the Umiam-Umtru Hydel System. Due to inadequate rainfall in the catchment area of this system during the last monsoon, the Reservoir at Barapani could not reach the Full Reservoir Level, the maximum water level reached there being about 7 ft. below the Full Reservoir Level, this shortfall being equivalent to about 3 month's power supply at full load. On the other hand, it has been seen that the demand for power in their area has been going up substantially with the result that the peak load on this system went up to about 45 MW, which is equivalent to 27 MW of continuous drawal, as against the designed sustained generation capacity of about 22 MW of this system.

In view of this, the Assam State Electricity Board started to run its stand-by diesel sets at Tezpur, Nowgong, Karimganj and Silchar since November/December, 1972. The Board also took all possible measures for commissioning the Thermal Power Station at Chandrapur as early as possible.

However, taking into consideration the prevalent situation with the water level at Barapani standing at 3170 ft. above sea level which would have permitted drawal of only 20 ft. water for power generation, the Board came to the conclusion that it was unavoidably necessary to impose some restrictions on use of power with a view to conserving the water in the Barapani Reservoir, as otherwise the water available in the Reservoir would have been exhausted by about the first week of April, 1973, if no power restrictions were imposed. Under these circumstances on 15th March 1973 the Board decided to ask the industries other than food and continuous process industries to run only one shift. This was expected to reduce the load by about 5 MW. However, on 16th March 1973, that is after imposition of the restrictions, it was seen that the load instead of going down had gone up by about 0.5 MW. As it was not possible to any risk in this matter by permitting such overdrawals, the Board immediately asked all indus-

tries of the types earlier mentioned not to run even one shift. While taking this decision, it was also taken into consideration that many industries would have even otherwise remained closed on 18th March 1973 and 19th March 1973 on account of Sunday and Holi festival. It has been seen that after this decision the load has actually gone down by about 5 MW. In addition, 3 more MW have been saved by stopping the supply of power to Gauhati refinery consequent upon their starting their own power units. However, the Board has starred exempting prfority industries from the total ban mentioned above.

The pre-commissioning trials of Chandrapur Power Station have already started. If everything goes according to scheduled, it is expected that the Chandrapur Station would be commissioned and would start taking load in gradual stages from about the end of March, 1973. The position would be under constant review so as to see what further modifications in the power supply policy are possible and necessary. Needless to say, our anxiety would be to keep the restrictions at the minimum necessary level, without jeopardising the future power supply in this area. It would be seen from what I have stated above, that the immediate endeavour of the Board would be to commission the Chandrapur Power Station in order to relieve the present power crisis.

I fully share the concern and anxiety of the Honourable Members and the various consumers particularly the industries depending on it about this vital matter of power. However, I am sure that the Hodnourable Members would appreciate the inescapable necessity of the power restrictions presently imposed with a view to conserving power for the future till the position improves. As the Honourable Members known, such power restrictions have become necessary and been imposed in many other States also. I would . therefore, request the co-operation of the Honourable Members and the people of this area in meeting the challenge that is before us. I hope to keep the House informed from time to time about subsequent developments.

Shri DULAL CHANDRA BARUA : On a point of clarification, Sir: The Minister has started that to avoid any danger in the future this arrangement has been made by the Board. May I know from the Hon. Minister what steps Government have taken to tide over the difficult situation immediately ? Our motto should not be that because in any situation some other States may have taken certain and we also should follow them . Such things should not be allowed to be continued. As everybody knows, our State is very backward industrially and small industries are trying to develop themselves. Therefore I want to know what steps Government have taken to tide over the situation immediately to avoid future crisis so that the industries do not suffer .

Shri MAHAMMAD IDRIS (Minister, Industries: I have very clearly stated that our anxiety is now to commission Chandrapur Thermal project and also utilise the stand-by diesel engines wherever we have got.. In fact, we have started the diesels functioning 1st November and December. So, if everything goes well, Chandrapur will be able to take load by the end of March, I have said. But within 2/3 days, if God helps us, the position will be improved. Otherwise, what else can be done? The water has gone down; it is a natural phenomenon if not a calamity. Therefore, I hope we will be able to meet this crisis by trying to commission Chandrapur as well as by utisiling the stand-by diesel engines of our Board as well as the private industries. Railways and the Refineries have already switched on.

Shri DULOL CHANDRA BARUA: But we have also our right to know whether the crisis has not been created by the Board itself?

Mr. SPEAKER: That is a different thing.

Shri DULAL CHANDRA BARUA: I am asking whether the Minister-in-Charge of Electricity and Power consider that the power crisis which we are facing now is the creation of the Board?

Shri MAHAMMAD IDRIS (Minister, Industries & Power): I have given all the information to the House in a chronological under detailing the facts leading to the development of the present situtation. Water in the Barapani Lake has gone down. The rain that was expected to come to our rescue did not come till the last date of Octobar. This is purely a natural phenomenon over which the Board has had no control. The Board has, however, done their best to take all the precautionary measures to meet the difficult situtation that we are facing to-day. Therefore I think it will not be fair on our part to say that the Board has created the crisis

Mr. DEPUTY SPEAKER: If the Honourable Members want to discuss this matter further in greater details, a time may be fixed for half an hour discussoin.

Shri DULAL CHANDRA KHAUND: I do not want to discuss the matter but I want to know from the Honourable Minister what steps do the Government propose to take to alliviate the hardship that will be caused to the casual labourers and the other labourers who will go out of employment as a result of the lay-off of the different industries due to this power crisis?

Mr. DEPUTY SPEAKER: That is a different question. Yes, Mr. Gogoi

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ : মাননীয় উপাধ্যক্ষ মহোদয়, আৰু এটা বিতৰ্কমূলক বিষয় সম্পৰ্কে মোৰ কোৱাৰ ইচ্ছা নাছিল যদিও আমাৰ মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই উত্থাপন কৰাৰ কাৰণে মইও আৰু নকৈ নোৱাৰোঁ। সেইটো হৈছে আমাৰ প্ৰদেশত শিক্ষাৰ মাধ্যম কি হোৱা উচিত ? ইতিমধ্যে মাধ্যম সম্পৰ্কত আমাৰ বহুতো মাননীয় সদস্যই নিজা নিজা অভিমত ব্যক্ত কৰিছেই। আমি এই মাধ্যম সমস্যাটো তিনিটা নীতিৰ ওপৰত ভিত্তি কৰি সমাধান হোৱাটো বিছাৰোঁ। প্ৰথমতে যিহেতু ভাৰতৰ বিভিন্ন প্ৰদেশত আঞ্চলিক ভাষাই শিক্ষাৰ মাধ্যম হৈছে, সেইহিচাবে আমাৰ অসমতো আঞ্চলিক ভাষা অসমীয়াই শিক্ষাৰ মাধ্যম হোৱাটো আমি বিছাৰোঁ। কাৰণ নিজৰ আঞ্চলিক ভাষাটো শিক্ষাৰ মাধ্যম হিচাবে গ্ৰহণ কৰিলে সেই ভাষাটোৱে বিকাশ লাভকৰাৰ সুযোগ পাই আৰু সেই ভাষাটো তেতিয়াই সমৃদ্ধিশালী হয়। সেইকাৰণেই অসমৰ আঞ্চলিক ভাষা অসমীয়াই অসমৰ শিক্ষাৰ মাধ্যম হোৱাটো উচিত আৰু হব লাগে। লগে লগে আমি এইকথাও চাবলাগিব যে, আমাৰ প্ৰদেশখনৰ অৱস্থিতিৰ ফালৰ পৰাই ইংৰাজী ভাষাটোও এটা বিকল্প ভাষা হিচাবে থকাটো বাঞ্চনীয়। বহুতে হয়তো এইটোও কব পাৰে যে, এইটো এটা বিদেশী ভাষা। কিন্তু যিটো ভাষা ইমান দিনে আমাৰ দেশৰ বিভিন্ন দিশত প্ৰচলিত হৈ আহিছে, সেই ভাষাটো ইমান সহজে উঠাই দিয়াটো সম্ভৱপৰ নহব। আজি অসম প্ৰদেশত অসমীয়া ...হেই বৈছে। তেওঁলোকৰ স্বাৰ্থ ৰক্ষা কৰাটো যেনেকৈ অত্যন্ত দৰ্কাৰী থিক সেইদৰেই ...ৰ দেশক যিবিলাক জনজাতীয় আদি ভাষিক সংখ্যা লঘু সম্প্ৰদায় আছে তেওঁলোকৰো ...হঁতৰ কাৰণে চেষ্টা কৰাটো নিতান্তই জৰুৰী আৰু আমাৰ চৰকা...ৰৰ কৰ্ত্তব্য। আৰু আমাৰ প্ৰদেশৰ জনজাতীয় লোক সকলোকে আদি কৰি যি বিলাক ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ মানুহ আছে তেওঁলোকৰ স্বাৰ্থ আৰু সংহতি ৰক্ষা কৰাৰ কাৰণে ইংৰাজী ভাষাটো এটা বিকলপ ভাষা হিচাবে ৰখাটো আমাৰ নিতান্ত কৰ্ত্তব্য। বহুতে হয়তো এই বুলিও যুক্তি প্ৰদৰ্শন কৰিব পাৰে যে, আমাৰ দেশত ইংৰাজীত এনেকুৱা সুবিধা দিলে হয়তো আমাৰ প্ৰদেশখন দ্বিভাষী ৰাজ্যত পৰিণত হব পাৰে। যিটো সৰ্ব্বভাৰতীয় ভাষা, যিটোৰ মাধ্যমেদি কেন্দ্ৰীয় চৰকাৰ পৰিছলিত হয় সেই ভাষাটো কেতিয়াও উঠাব নেলাগে আৰু উঠাব নোৱাৰিও। ভাৰতবৰ্ষৰ বৰ্ত্তমান চৰকাৰী ভাষা হৈছে ইংৰাজী আৰু হিন্দী। যদি কেতিয়াবা ইংৰাজীৰ পৰিবৰ্ত্তে হিন্দীয়েই অকল ভাৰতবৰ্ষৰ চৰকাৰী ভাষা হয় তেতিয়াহলে, সেই ভাষাও আমি ৰাখিব লাগিব। কিন্তু বৰ্ত্তমান অৱস্থাত অকল হিন্দী কৰাটোও আকৌ একেবাৰেই সম্ভৱপৰ নহব। দেশৰ সংহতি ৰক্ষাৰ কাৰণে অকল হিন্দী ভাষাটোকে চৰকাৰী ভাষা কৰিলে তাৰ দ্বাৰাও ভাৰতবৰ্ষৰ সংহতি ৰক্ষা নপাৰিব। কিয়নো বিশেষকৈ দক্ষিণ ভাৰততে তাৰ তীব্ৰ বিৰোধীতা হব। সেইকাৰণেই আজি অকল ইংৰাজীকে চৰকাৰী ভাষা হিচাবে চলাব নোৱাৰাৰ কাৰণেই হিন্দী আৰু ইংৰাজী দুয়োটা ভাষাকেই চৰকাৰী ভাষা হিচাবে ব্যৱহাৰ কৰা হৈছে। কাৰণ দক্ষিণ ভাৰতত হিন্দী মাতৃভাষা নহয়। মাননীয় উপাধ্যক্ষ মহোদয়ে, সেইফালৰ পৰা যদি বাস্তৱ দৃষ্টি-ভংগীৰে চোৱা যায় তেতিয়াহলে, অকল হিন্দিকে কেতিয়াও আমি চৰকাৰী ভাষা হিচাবে গ্ৰহণ কৰিব নোৱাৰিম। কিন্তু আমি যিটো অৱস্থা দেখিছোঁ যে, ভাৰতবৰ্ষত বহুতদিনলৈকে ইংৰাজী ভাষা যে চলি থাকিব সেইটোত কাৰো সন্দেহ নাই। যেতিয়ালৈকে ভাৰতবৰ্ষত ইংৰাজী চলি থাকিব তেতিয়ালৈকে, আমাৰ প্ৰদেশৰ যিসকলে উচ্চ শিক্ষাৰ কাৰণে যাব বিছাৰে, যিসকলে গৱেষণাৰকাৰণে যাব বিছাৰে, যিসকলে কেন্দ্ৰীয় চৰকাৰৰ অধীনত চৰকা কৰাৰ সুযোগ লব বিছাৰে সেইসকলৰ কাৰণে বিকল্প ভাষা হিচাবে শিক্ষাৰ মাধ্যম ইংৰাজী হোৱাটো আমি বিছাৰো। এইটো কৰাৰ দ্বাৰা আমাৰ আঞ্চলিক ভাষাৰো কোনো ক্ষতি সাধন কৰা নহব। বৰং এই কথাটোও আমি কব নোৱাৰোঁ যে, আমাৰ ৰাইজ অসম ৰাজ্যৰ চাৰি সীমাৰ বাহিৰলৈ কেতিয়াও নেযাব। আমি সৰ্ব্বভাৰতীয় ক্ষেত্ৰত প্ৰগতি কৰিবলৈ হলে, সৰ্ব্বভাৰতীয় প্ৰতিযোগিতা মূলক পৰীক্ষা বিলাক দিবলৈ হলে আঞ্চলিক ভাষাত সেইবোৰ কৰিব নোৱাৰি। সৰ্ব্বভাৰতীয় কিবা গৱেষণা কৰিবলৈ হলেও আমি ইংৰাজী বা হিন্দীতেইহে কৰিব লাগিব। বৰ্ত্তমান অৱশ্যে ইংৰাজীতে চলি

আছে আৰু সেইকাৰণেই ইংৰাজীটো এটা বিকল্প ভাষা হিচাবে ৰাখিছে। আমাৰ মাজত বসবাস কৰা বা ভাৰতৰ অন্যান্য প্ৰদেশৰ অনা-অসমীয়া আৰু অন্য ভাষাভাষী লোকসকলৰ মাজত সমন্বয় ৰক্ষাকৰাৰ কাৰণেও আৰু নিজৰ জাতিটোৰ বিকাশ সাধন কৰাৰ কাৰণেও সৰ্ব্বভাৰতীয় স্তৰত এটা উপযুক্ত স্থান লাভ কৰাৰ কাৰণে ইংৰাজীটো এটা বিকল্প ভাষা হিচাবে থকাটো প্ৰয়োজনীয়। অৱশ্যে সেইটো চিৰকালৰ কাৰণে নেথাকিব পাৰে। যি সকলে সেই মাধ্যম বিছাৰে তেওঁলোকেও যাতে উপযুক্ত সুবিধা পাব পাৰে তাৰ কাৰণে চেষ্টা কৰা উচিত। ইয়াৰ বাহিৰেও ভাষিক সংখ্যালঘু সম্প্ৰদায় বিলাকৰ যিবিলাক ভাষা-উপভাষা অৰ্থাৎ দোৱান আদি আছে সেইবিলাকৰো সম্পূৰ্ণ বিকাশ সাধন কৰাৰ কাৰণে আৰু তেওঁলোকৰ সাংবিধান সম্মত অধিকাৰ স্বীকৃত হব লাগিব। মাধ্যম প্ৰশ্নটো এটা অতি বিতৰ্কৰ বিষয়। অনেক সময়ত সত্য কথা কলেও বিশ্বাস কৰিবলৈ টান পায়। মুঠৰ ওপৰত আমাৰ দেশৰ ভৱিষ্যতৰ কথা চিন্তা কৰি, আমাৰ নিজা অসমীয়া ভাষা-কৃষ্টি-সভ্যতা আদি বিকাশ লাভ কৰাৰ কাৰণে তাৰ এটা অনুকূল পৰিবেশ কৰাৰ কাৰণে এই বিষয়টো এটা শান্তিপূৰ্ণ পৰিবেশৰ ভিতৰেদি গভীৰভাবে বিবেচনা কৰি চাব বুলি আশা কৰিলোঁ।

উপাধ্যক্ষ মহোদয়, আমাৰ দেশখনৰ অৰ্থনৈতিক উন্নয়নৰ কাৰণে কোনো সুচিন্তিত আঁচনিৰ কথাও আমাৰ ৰাজ্যপালৰ ভাষণত কোনো উল্লেখ নাই। আজি আমাৰ দেশখনে বিকাশ লাভ কৰাৰ কাৰণে আমাৰ সুপৰিকল্পিত আঁচনি আমাৰ থাকিব লাগিব। আজি আমি প্ৰত্যেক ক্ষেত্ৰতে কওঁ যে, আমাৰ টকা নাই। আমাৰ টকাৰ অভাৱ আদি নানান অজুহাত আমি দেখুৱাও। কথাটো সচাঁ। কিন্তু প্ৰকৃতপক্ষ্যে কথাটো হয় জানো ? সিদিনা-খন আমাৰ চোভিয়েট ইউনিয়নৰ পেট্ৰোলিয়ামৰ ডেপুটি মন্ত্ৰীকে তেলৰ সম্ভাৱনীয়তাৰ কাৰণে সোধাত তেখেতে কৈছিল যে, ভাৰতবৰ্ষৰ ভিতৰত অসমতেই তেলৰ এটা উজ্জল ভৱিষ্যত আছে। আমাৰ কেন্দ্ৰীয় চৰকাৰৰ পেট্ৰোলিয়াম মন্ত্ৰী দেৱকান্ত বৰুৱাইও সেই কথাটোকে কৈ গৈছে। ইয়াৰ বাহিৰেও অসমত যিবিলাক প্ৰাকৃতিক সম্পদ আছে সেইবিলাকৰ যদি উন্নয়ন সধা নহয়। তেতিয়াহলে, আমাৰ প্ৰদেশখন উন্নতিৰ পথত আগবাঢ়ি যোৱাটো আমাৰ পক্ষ্যে কেতিয়াও সম্ভৱপৰ নহব। আমি জানিব পাৰিছোঁ যে, ইতিমধ্যেই আমাৰ ভাৰত চৰকাৰৰ কয়লা শিল্পটো জাতীয়কৰণ কৰিছে। ইয়াৰ কাৰণে আমি ভাৰত চৰকাৰক ধন্যবাদ জনাইছো। কিন্তু আমি যদি উন্নতি কৰিব বিচাৰো তেনেহলে যিবিলাক আমাৰ শিল্প একচেটিয়া পূজীপতিৰ হাতত আছে সেইবিলাক আমি আমাৰ নিজৰ হাতলৈ আনিব লাগিব। সেইকাৰণেই মই আমাৰ চৰকাৰক টানি দাবী জনাইছোঁ যে, অসমৰ চাহ-তেলকোম্পানী বিলাক জাতীয়কৰণ কৰিব লাগে। আজি আমাৰ টকা নাই। ভাৰতবৰ্ষৰ তেল সম্পদৰ কাৰণে ইংৰাজবিলাকে বিনিয়োগ কৰিছিল এশকোটি টকা আৰু যোৱা ২৫ বছৰত তেওলোকে লাভ কৰিছে একহেজাৰ কোটি টকা। গড়হিচাবে লাভ হয় তিনি লাখ টকা। কিন্তু এই তিনি লাখ টকা আমাৰ দেশৰ উন্নয়নৰ কাৰণে খৰছ হোৱা নাইকীয়া। সমাজ-কল্যাণৰ কাৰণেও খৰছ হোৱা নাইকীয়া। এই টকা বিলাক গৈছে আমাৰ মালিক বিলাকৰ হাতলৈ। কিন্তু এই বিলাক যদি আমাৰ চৰকাৰে নিজৰ হাতলৈ অনাৰ চেষ্টা কৰে তেতিয়াহলে, সেইবিলাক টকা আমাৰ উন্নয়নৰ কাৰণে আমাৰ চৰকাৰৰ হাতলৈ আনিব। এই সম্পৰ্কত হয়তো চৰকাৰে এই কথা কব পাৰে যে, এইবিলাক সম্পদ জাতীয় কৰণ কৰাত সাংবিধানিক কিছুমান অসুবিধা আছে। আমিও স্বীকাৰ কৰো হয়তো কিছুমান অসুবিধা সাংবিধানিক ক্ষেত্ৰত থাকিব পাৰে। কিন্তু তথাপিও আমাৰ চৰকাৰেটো এই কথাবিলাক কেন্দ্ৰীয় চৰকাৰক ভালদৰে জনাই দিব লাগে যে, ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ কাৰণে আমি আমাৰ এই শিল্পবিলাক জাতীয়কৰণ কৰা উচিত। অসম চৰকাৰে ইতিমধ্যে এখন বিল কেন্দ্ৰীয় চৰকাৰলৈ অসমৰ চাহ শিল্প জাতীয়কৰণ কৰিব লাগে বুলি পথাইছে যদিও তাৰ উত্তৰ হলে এতিয়া লৈকে অহা নাই। বিধান সভাত এই সম্পদবিলাক জাতীয় কৰণ কৰাৰ কাৰণে এটা সৰ্ব্বসম্মত প্ৰস্তাৱ গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰলৈ পথাব পাৰে। তেনে

কৰা প্ৰস্তাৱ বিধান সভাত আছে। অহা শুক্ৰবাৰে হয়তো এইটো আলোচনাত আহিব।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ (ক্ৰমশঃ) ঃ তেনেকুৱা এটা প্ৰস্তাৱ এই বিধান সভাতে শুক্ৰবাৰৰ আলোচনাত আহিব। এই প্ৰস্তাৱত আমাৰ চৰকাৰী পক্ষৰ সদস্য সকলে যি সংশোধনী দিছে এই সংশোধনী যদি গ্ৰহণ কৰা হয় অসমত চাহ বাগান আৰু কেতিয়াও জাতীয়কৰণ হব নোৱাৰে। তেওঁলোকৰ পৰামৰ্শ হ'ল জাতীয়কৰণ কৰাৰ কাৰণে ৰিপোর্ট খৰ্বজবলৈ এখন কমিটি কৰি দিব লাগে। তাত এনেকুৱা আৰু কিছুমান ধাৰা আছে যিবিলাক মানি ললে হয়তো যিবোৰ মানি ললে বা কমিটি কৰি দিলেও অহা ৫ বছৰৰ ভিতৰত চাহ বাগান জাতীয়কৰণ কৰা সম্ভৱপৰ নহব। গতিকে অসমৰ বৰ্ত্তমান প্ৰগতিশীল চিন্তাবাদী লোক সকলে অসমৰ অৰ্থনৈতিক বিকাশৰ কাৰণে আমাৰ প্ৰদেশৰ যিবিলাক চাহ বাগান তাক জাতীয়কৰণ কৰাত আমি একমত হব লাগিব। গতিকে এই সদনত এই প্ৰস্তাৱ উত্থাপন কৰি মতামত হিচাবে পৰামৰ্শখিনি কেন্দ্ৰীয় চৰকাৰক জনাব লাগে।

উপাধ্যক্ষ মহোদয়, মই আৰু বেছি সময় নলওঁ, এই কথা মই পুনৰাই কব বিচাৰিছো যে আমাৰ এই বিষয় বিলাক সমাধান কৰিবলৈ মই কেইটামান নিৰ্দ্দিষ্ট পৰামৰ্শ উত্থাপন কৰিব বিচাৰিছো সেই কেইটা হল—খাদ্য আৰু অন্যান্য নিত্য প্ৰয়োজনীয় বস্তু সমূহ নিৰ্দ্ধাৰিত দামত জনসাধাৰণক সৰবৰাহ কৰাৰ ব্যৱস্থা তৎক্ষণাত কৰিব লাগে। তাৰ কাৰণে চাউল, আটা, চেনী, কেৰাচিন, মিঠাতেল, দাইল, নিমখ, জুইশলা, ঔষধ, সূতা আৰু মোটা কাপোৰৰ পাইকাৰী ব্যৱসায় চৰকাৰৰ হাতলৈ আনক আৰু নিৰ্দ্ধাৰিত সূল্যৰ মূল্যৰ দোকান, সমবায় আদিৰ জৰিয়তে বিতৰণৰ ব্যৱস্থা কৰা মাটিহীন খেতিয়ক, আধিয়াৰ আৰু তলতীয়া ৰায়তৰ উচ্ছেদ আইন কৰি বন্ধ কৰিব লাগে। বিধান সভাই গ্ৰহন কৰা ভূমি সম্পৰ্কীয় আইন সমূহ ১৯৭৩ চনৰ ভিতৰতে কাৰ্য্যকৰী কৰাৰ কাৰণে জনপ্ৰিয় কমিটিৰ ওপৰত দায়ীত্ব দিব লাগে। নিবনুৱা সমস্যা সমাধানৰ কাৰণে দীৰ্ঘম্যাদী শিল্পায়নৰ আঁচনি লব লাগে। চাহ তেল আদি শিল্পৰ বিদেশী পুজী আৰু দেশীয় বহুত পুঁজিপতি সকলৰ পুঁজি জাতীয়কৰণ কৰি ৰাজহুৱা খণ্ডত দ্ৰুত সম্প্ৰসাৰণ ঘটাব লাগে।

উপাধ্যক্ষ মহোদয়, মই আশাকৰো এই পৰামৰ্শ কেইটা চৰকাৰে বিবেচনা কৰিব আৰু কাৰ্য্যকৰী কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব যাতে প্ৰদেশ খনৰ উন্নয়নৰ কাৰণে ব্যাপক আঁচনি গ্ৰহণ কৰিব পাৰি। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীলীলা কান্ত দাস ঃ উপাধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীবিজয় কৃষ্ণ সন্দিকৈ যি ধন্যবাদ সূচক প্ৰস্তাৱ দাঙি ধৰিছে সেই প্ৰস্তাৱ সমৰ্থন কৰি দণ্ডায়মান কৰলৈ আগবাঢ়িছো। ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণৰ ৰাজ্যখনৰ প্ৰগতি আৰু উন্নয়নৰ বিষয়ে বিস্তৃত বিৱৰণ দাঙি ধৰিছে তাৰ কাৰণে মই ৰাজ্যপাল মহোদয়ক ধন্যবাদ জনাইছো। লগতে মই কব বিচাৰিছো আমাৰ এই গণতান্ত্ৰিক দেশখনত সকলো মানুহ অৰ্থনৈতিক দিশত কেনেকৈ স্বাবলম্বী হব পাৰে এই বিষয়ে ৰাজ্যপাল মহোদয়ে ভাষণত আন উপায় স্পষ্টকৈ দাঙি ধৰা নাই যিটো দিশত আমি এখন প্ৰগতিবনদী সমাজবাদী সমাজ প্ৰতিস্ঠা কৰিবৰ কাৰণে কোনো নীতিৰ কথা ৰাজ্যপালৰ ভাষণত নাই। আনহাতেদি আজি আমাৰ দেশত যি ঘোষিত নীতি যি নীতি আমি সকলোৱে স্বীকাৰ কৰি আমাৰ দেশখনত অৰ্থনৈতিক ক্ষেত্ৰত সমাজবাদ গঢ়াৰ প্ৰতিশ্ৰুতি হৈছো যদি আমি আজি সেই ব্যৱস্থা কৰিবলগীয়া হয় তেনেহলে আমি সম্পূৰ্ণ পৰিবৰ্ত্তন আনিব লাগিব।

আজি আমাৰ প্ৰথম কথা হল আমাৰ প্ৰশাসন ব্যৱস্থা আজি ২৫ বছৰেও আমাৰ এই শাসন ব্যৱস্থাৰ কোনো পৰিবৰ্ত্তন নহল। আজিও গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ নামত আমোলাতন্ত্ৰ বা বৃটিছ ৰাজত্ব চলি আছে। এইটো দুৰ্ভাগ্যৰ কথা। এখন গণতান্ত্ৰিক ভিত্তিৰ দেশত শাসন ব্যৱস্থা পৰিচালনাৰ ক্ষেত্ৰত দোষমুক্ত নহলে আচল উদ্দেশ্যত উপনীত হব নোৱাৰি। বছৰৰ পিচত বছৰ অতিক্ৰম হৈ গল ৰাজনৈতিক দলে ঘোষণা কৰিছে আৰু সকলোৱে মানিও লৈছে যে আমাৰ দেশত গণতন্ত্ৰ হব লাগে, সমাজবাদ প্ৰতিষ্ঠা হব লাগিব কিন্তু কাৰ্য্যকৰী ক্ষেত্ৰত যিবিলাক অৰ্থনৈতিক ব্যৱস্থা সেই বিলাকৰ ক্ষেত্ৰত কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱা নাই। আমি স্পষ্টকৈ দেখিবলৈ পাইছো ভাৰতবৰ্ষৰ ক্ষেত্ৰত যদি লক্ষ্য কৰা যায় সমাজবাদ প্ৰতিষ্ঠা কৰিবৰ কাৰণে যিখিনি প্ৰয়োজনীয় কাৰ্য্যকৰী ব্যৱস্থা সেইখিনি বিশ্লেষণ কৰি যদি চোৱা যায় এইটো স্পষ্ট হয় যে যিবিলাক ঠাই গোটেই পিচপৰা সেই বিলাকৰ উন্নয়নৰ কাৰণে তেনে কোনো কাৰ্য্যকৰী ব্যৱস্থা নীতিৰ ওপৰত ভিত্তি কৰি লোৱা হোৱা নাই। আমাৰ অৰ্থনৈতিক ক্ষেত্ৰতো যদি লক্ষ্য কৰি চোৱা যায় এই ক্ষেত্ৰত আমি বহুত পিচপৰি আছো। আৰু সেই কাৰণে আমি অনুতপ্ত। আমাৰ অৰ্থনৈতিক অৱস্থা অতি শোচনীয়। বৰ্ত্তমান অসমৰ অৰ্থনৈতিক আয় আন হাতেদি ৪৬৫ কোটি টকা আমাৰ ৰাজ্যৰ ঋণগ্ৰস্ত। গতিকে আমাৰ আয় হিচাবে যদি মোখনি মাৰিবলৈ চাওঁ আমাৰ স্বাবলম্বী অৱস্থা হওঁতে দিন লাগিব, এই কথা মই দৃঢ় ভাবে জানো। আমাৰ এটা এটাকৈ চাৰিটা পৰিকল্পনা শেষ হৈ গল অসমৰ উন্নয়নৰ কাৰণে যিখিনি ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰে হাতত লৈছে সেই ব্যৱস্থালৈ চালে দেখা যায় তাৰ পৰা আমাৰ ৰাইজ উপকৃত হোৱা নাই। ঠিক তেনেকৈয়ে আজি যদি লক্ষ্য কৰা যায় আমাৰ ৰাজ্যৰ ভিতৰত এনেকুৱা অনগ্ৰসৰ অঞ্চল আছে যত অসম চৰকাৰৰ কৰ্ম্মচাৰীয়ে সেই বিষয়ে চিন্তা কৰিবলৈ সময় পোৱা নাই।

যদি এই অৱস্থাই হৈ থাকে তেতিয়াহলে আমাৰ দেশে এখন উন্নতিশীল দেশ হিচাবে, আমাৰ জাতিটোৱে কেতিয়াও উন্নতিশীল হিচাবে পৃথিবীৰ আগত পৰিচয় দিব নোৱাৰিব। অধ্যক্ষ মহোদয়, আমি জানো যে পৃথিবীৰ ভিতৰত যিমান বিলাক দেশ আছে, সেই দেশ বিলাকৰ ভিতৰত যিমান বিলাক উন্নতিশীল দেশ আছে, যি বিলাকে অৰ্থনৈতিক ক্ষেত্ৰত আগবাঢ়ি গৈছে সেই বিলাক অৰ্থনৈতিক ক্ষেত্ৰত আগবাঢ়ি যোৱাৰ মূল কাৰণ হল তেওঁলোকৰ ৰাষ্ট্ৰীয় সম্পদ। এই সম্পদৰ ওপৰত ভিত্তি কৰিয়েই তেওঁবিলাকৰ দেশ আগবাঢ়ি গৈছে। ৰাষ্ট্ৰীয় সম্পদৰ কাৰণতেই তেওঁলোকে নিজৰ দেশক টনকীয়াল কৰিব পাৰিছে। মই বৃটিচ বা আমেৰিকাৰ কথা কব খোজা নাই। কাৰণ তেওঁলোকে বহুত বিলাক দুৰ্বৰ্ল ৰাষ্ট্ৰক শোষণ কৰি, তাৰ পৰা সম্পদ আহৰণ কৰি নিজৰ দেশ টনকিয়াল কৰিছে। এনেকুৱা কিছুমান দেশ আছে যি বিলাকে নিজৰ সম্পদ ব্যৱহাৰ কৰি, তেওঁলোকৰ ৰাষ্ট্ৰত গণতান্ত্ৰিক সমাজবাদ প্ৰতিষ্ঠা কৰি এখন বাস্তৱ ছবি আজি পৃথিবীৰ ইতিহাসত দাঙি ধৰিব পাৰিছে। এই বাস্তৱ ছবি আমি ৰাচিয়া, চীন, জাপান আৰু জাৰ্মানৰ ক্ষেত্ৰত দেখিবলৈ পাওঁ। এই দেশ বিলাকে কিমান দুৰৱস্থাৰ মাজেৰে আগবাঢ়ি গৈ স্বাবলম্বীতা অৰ্জ্জন কৰিছে সেই কথা ভাবিলে আমি আচৰিত হওঁ। অতি দুখৰ কথা আমাৰ দেশে আমাৰ দেশত প্ৰচুৰ সম্পদ থকা স্বত্ত্বেও অকণো আগবাঢ়ি যাব পৰা নাই। আমাৰ ভাৰতবৰ্ষ প্ৰাকৃতিক সম্পদেৰে ভৰপুৰ। ইয়াত খনিজ দ্ৰব্য আছে কৃষিজাত সামগ্ৰী আছে। ভাৰতবৰ্ষ এখন ভগৱান প্ৰদত্ত দেশ। তথাপিতো ভাৰতবৰ্ষই উন্নতি কৰিব নোৱাৰাটো অতি দুৰ্ভাগ্যৰ কথা। এইটো এটা পৰিস্কাৰ কথা আৰু আমাৰ মাননীয় সদস্য শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে যে প্ৰতিক্ৰিয়াশীল বহুত স্বাৰ্থজড়িত লোকসকলে আমাৰ দেশখন দুৰ্বৰ্ল

কৰি তুলিছে। এই অৱস্থাৰ যদি পৰিসমাপ্তি কৰিব পৰা নাযায় তেনেহলে প্ৰতিক্ৰিয়াশীল শক্তিয়ে এনে ৰূপ ধাৰণ কৰিব যে এই অৱস্থাকে ভিত্তি কৰি ভাৰতবৰ্ষৰ এই অনুন্নত অৱস্থাৰ কোতিয়াও মোচন কৰিব নোৱাৰিব। সেই কাৰণেই মই চৰকাৰক শকিয়াই দিব খুজিছো যে আমাৰ চৰকাৰে নিজৰ আদৰ্শ আৰু ঘোষিত নীতি বাস্তবত ৰূপায়িত কৰিবলৈ ব্যৱস্থা কৰিব লাগিব। আৰু এই ক্ষেত্ৰত আমাৰ ৰাজ্যিক চৰকাৰৰ প্ৰয়োজনীয় আহিলা বিলাক কেন্দ্ৰীয় চৰকাৰে পূৰাব লাগিব। আমাৰ ৰাজ্যৰ যিবিলাক সম্পদ কেন্দ্ৰীয় চৰকাৰে ব্যৱহাৰ কৰি আছে সেই বিলাক আমাৰ ৰাজ্যৰ অৰ্থনৈতিক উন্নতিৰ কাৰণে আমাৰ ৰাজ্যক দি দিব লাগিব। আমাৰ ৰাজ্যৰ যিখিনি হক প্ৰাপ্য আৰু সংবিধান প্ৰদত্ত সেই বিলাকৰ পৰা আমাক কেন্দ্ৰীয় চৰকাৰে বঞ্চিত কৰি থকা উচিত নহব। সেই কাৰণেই মই মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো যে অসমত ইমান বিলাক আৰ্থিক সম্পদ আছে সেই বিলাক উদ্ঘাটন কৰি আমাৰ ৰাজ্যখনক স্বাবলম্বী কৰাত যাতে কেন্দ্ৰীয় চৰকাৰে সহায় কৰিব পাৰে তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক টানি অনুৰোধ কৰিব লাগে।

অধ্যক্ষ মহোদয়, মই বৰ আনন্দিত হৈছো যে যোৱা বছৰ আমাৰ বিধান সভাত মুখ্য মন্ত্ৰীয়ে ঘোষণা কৰা অনুসৰি অস্থায়ী ৰাজধানী পাতি অসম বিধান সভাৰ অধিবেশন বহুৱালে, আৰু তেখেতৰ এই কাৰ্য্যত নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত যিবিলাক চৰকাৰী কৰ্ম্মচাৰীয়ে সহযোগিতাৰে কৰ্ম সমাপন কৰিলে তেওঁলোকলৈ আমি আন্তৰিক ধন্যবাদ জনাইছো। কিন্তু এই খিনিতে এটা কথা, আমি অস্থায়ী ৰাজধানী সদায় নিবিচাৰো। কাৰণ স্থায়ী ৰাজধানীহে এটা জাতীয় সম্পদ হব। গতিকে এতিয়া যেনেকৈ নিৰ্দ্দিষ্ট কম সময়ৰ ভিতৰত অস্থায়ী ৰাজধানী পাতিলে, তেনেকৈয়ে অহা এবছৰৰ ভিৰৰত অসম চৰকাৰে চন্দ্ৰপুৰ আৰু শিলঘাট এই দুখনৰ ভিতৰত কোনখন ঠাই স্থায়ী ৰাজধানীৰ কাৰণে উপযুক্ত সেইটো নিৰ্দ্দিষ্ট কৰি স্থায়ী ৰাজধানী পতাৰ ব্যৱস্থা কৰিব লাগে। নহলে ৰাইজৰ মনত এটা সন্দেহৰ স্থল থাকি যায় কিজানি অস্থায়ী ৰাজধানীয়েই স্থায়ী ৰাজধানী হয়। এইখিনিতে মই এটা কথা উল্লেখ কৰিব খুজিছো যে অসমৰ স্থায়ী ৰাজধানীৰ স্থান নিৰ্ণয়ৰ দায়িত্ব ভাৰ কেন্দ্ৰীয় চৰকাৰক অৰ্পণ কৰা হৈছে। ইয়াকে কৰি ৰাজ্যিক চৰকাৰ নিস্তব্ধ থাকিলে নহব। কাৰণ এই বিলাক কামৰ দায়িত্ব ৰাজ্যিক চৰকাৰৰ। মই ভাবো গণতান্ত্ৰিক পদ্ধতিৰে যেতিয়া ভৈয়ামলৈ ৰাজধানী নমাই অনা হৈছে এই ৰাজধানী নিৰ্ম্মাণৰ দ্বাৰা ৰাইজৰ উপকাৰ হব লাগিব। গতিকে জনসাধাৰণৰ মত সাপেক্ষে এই স্থায়ী ৰাজধানী ৰাজ্যখনৰ এটা কেন্দ্ৰ স্থলত নিৰ্ম্মাণ কৰিব লাগিব। বৃটিচ সকলে যি উদ্দেশ্যেৰে ৰাজধানী পাতিছিল সেই উদ্দেশ্যৰ বাহিৰত জনসংহতি ৰক্ষা কৰি আৰু গণতান্ত্ৰিক পদ্ধতিৰে এখন উপযুক্ত স্থানত ৰাজধানী নিৰ্ম্মাণ কৰিবলৈ অনুৰোধ কৰিলো।

অধ্যক্ষ মহোদয়, এটা কথা আমাৰ বিধানসভাত বহুবাৰ আলোচিত হৈছে আৰু বৰ্ত্তমান কেইগৰাকীমান সদস্যও সেই কথাটো উল্লেখ কৰিছে। তেখেত সকলৰ লগতেই যোগ দি ময়ো কওঁ যে সীমান্তৱৰ্ত্তী ৰাজ্যৰ লগত যোগাযোগৰ ক্ষেত্ৰত এটা বৰ ডাঙৰ কেৰুণে আছে ঃ যি কেৰুণে আমাৰ ৰাজ্যৰ জনসাধাৰণৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে। যি কেৰুণে ৰাজনৈতিকভাবে মাজে মাজে আমাৰ জনসাধাৰণক অশান্তি কৰি তুলিছে। সেই কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো—আমাৰ ৰাজ্যৰ চাৰিওফালে সীমান্তৰ ক্ষেত্ৰত এটা স্থায়ী সিদ্ধান্ত কৰিব লাগে। যি সিদ্ধান্তই নগালেণ্ডই হওক বা মেঘালয়েই হওক বা অৰুণাচলেই হওক বা আমিয়েই হওঁ তাত আমি হস্তক্ষেপ কৰিবলৈ নাযাওঁ। এই সন্দৰ্ভত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি এটা স্থায়ী সীমা নিৰ্দ্ধাৰণ কৰিব লাগে। এই সীমা নিৰ্দ্ধাৰণ কৰিবলৈ যাওঁতে আমি

সদায় এটা কথাৰ প্ৰতি লক্ষ্য কৰিব লাগিব যে যিকোনো প্ৰকাৰেই নহওক লাগে তাত অসমৰ স্বাৰ্থ কেতিয়াও হানি হব নোৱাৰে আমি শুনিবলৈ পাইছো যে ডিচপুৰত অসমৰ অস্থায়ী ৰাজধানী পাতিছে, কিন্তু মেঘালয় চৰকাৰে তেওঁলোকৰ এলেকা বুলি দাবী কৰিছে। ঠিক তেনেকৈ অৰুণাচল প্ৰদেশৰ সীমান্তত আজি এক-দুই বছৰৰ পৰা এনেকুৱা এটা ঘটনা ঘটি আছে। এই সন্দৰ্ভত তেতিয়াৰ বিধান সভাত মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ বক্তব্যত কৈছিল যে অসমৰ মুখ্য সচিব, ৰাজহ বিভাগৰ সচিব আৰু অৰুণাচল প্ৰদেশৰ সচিবৰৰ সৈতে আলোচনা কৰি সীমাৰ এটা আহু সমাধান কৰিছে। কিন্তু মই বৰ দুখেৰে সৈতে কব বিছাৰিছো-যিসকল মানুহ অসমৰ পৰা গৈ অৰুণাচল প্ৰদেশত বসবাস কৰি আছে সেই সকলে এতিয়াও বহুত নিৰ্য্যাতন ভোগ কৰি আছে।

ৰঙা ৰিৰ্জাভ, লোকাবালি, জুলাই আদি অন্যান্য কিছুমান ঠাইত অৰুণাচল প্ৰদেশৰ ৰাইজে নান্য অত্যাচাৰ কৰিছে। এই সম্পৰ্কৰ কথা আমাৰ লক্ষীমপুৰ জিলাৰ উপায়ুক্তলৈ জনোৱা হৈছিল, কিন্তু তাৰ বিষয়ে চৰকাৰে যি ভাবে বাখ্যা দিলে আৰু যি ব্যৱস্থা কৰিলে প্ৰকৃতপক্ষে তেনেদৰে নহয়। কাৰণ অৰুণাচল প্ৰদেশৰ বা দৰদেৱা নামৰ ঠাইত তেওঁলোকৰ ৰাজধানী পতাৰ কথা আছিল, কিন্তু তাৰ ওচৰত আমাৰ এলেকাত তেওঁলোকে ঘৰ নিৰ্ম্মাণ কৰিলে আৰু উপায়ুক্তই তেওঁলোকৰ ভাৰত চৰকাৰক নটিচ দিয়া স্বত্বেও তেওঁলোকে মনা নাই। এইটো বৰ দুখৰ বিষয় যে অৰুণাচল প্ৰদেশৰ প্ৰশাসক সকলক তাত অন্তৰ্নিহিত স্বাৰ্থ জড়িত হৈ আছে। তেওঁলোকে প্ৰকৃততে অৰুণাচল প্ৰদেশৰ মানুহ নহয়। ভাৰতৰ অন্যান্য ঠাইৰ মানুহে। তেওঁলোকে অৰুণাচল প্ৰদেশৰ মানুহক এনেভাবে উচতাই দিছে সে তেওঁলোকে অসমৰ বাসিন্দা সকলৰ ওপৰত অত্যাচাৰ কৰি আছে। সেই কাৰণে এই ক্ষেত্ৰ আমাৰ চৰকাৰে স্থায়ী সীমা নিৰ্দ্ধাৰণ কৰা দৰকাৰ। মই চৰকাৰক দাবী জনাইছো যে অৰুণাচল প্ৰদেশৰ সীমান্তত যিবিলাক সীমান্তৱৰ্ত্তীলোকে খেতি-পথাৰ কৰিছে তেওঁলোকৰ জীৱন আৰু নিৰাপত্তা ৰক্ষাৰ কাৰণে চৰকাৰে পুলিচ আদিৰ ব্যৱস্থা কৰিব লাগে আৰু তেওঁলোকৰ চলাচলৰ কাৰণে যাতায়তৰ ব্যৱস্হা কৰি দিব লাগে। সেইবিলাক ঠাইলৈ যাবলৈ হলে হাৰ্তাত উঠি বা খোজ কাঢ়ি যাব লগা হয়। এইটো বৰ দুখৰ বিষয় যে নিজৰ ৰাজ্যৰ সীমা নিৰ্দ্ধাৰণ ঠিক নোহোৱাৰ কাৰণে সেই সকল বাসিন্দা আজি বিদ্ধস্তত পৰিব লগা হৈছে। সেই বিলাক সীমা ৰক্ষাৰ কাৰণে আজি চৰকাৰে কোনো ধৰণৰ ব্যৱস্হা কৰা নাই। সেই কাৰণে মই আশা ৰাখিছো যে চৰকাৰে যাতে এইবিলাক এলেকাত যাতায়তৰ বিশেষ ব্যৱস্হা কৰে যেন।

অধ্যক্ষ মহোদয়, যোৱা জুলাই মাহত অসমৰ বানপানীয়ে তাণ্ডৱলীলা সৃষ্টি কৰিলে। সেই সময়ত বিধান সভা চলি আছিল। ২৭ জুলাই তাৰিখে গোটেই লক্ষীমপুৰ জিলাত বানপানীয়ে পানীত হাঁহ নচৰা অৱস্হা কৰিলে। ১৫ দিন পৰ্য্যন্ত এই জিলাত কোনো যান-বাহন চলাচল কৰা নাছিল। অৱশ্যে আমাৰ চৰকাৰে খাদ্যসামগ্ৰী যোগান ধৰাৰ কাৰণে মই সুখী হৈছো। বহুতো কষ্টৰ পাছত চৰকাৰে কোনোমতে ৰাইজক বিপদৰ পৰা ৰক্ষা কৰিলে। কিন্তু বৰ দুখৰ কাহিনী যে সেই সময়ত মই লক্ষীমপুৰলৈ যাবলৈ মটৰৰ টিকট নাপাইছিলো। মই কৈছিলো লক্ষীমপুৰলৈ যাবলৈ মোক টিকট লাগে। কিন্তু গুৱাহাটীৰ চুপাৰিনটেণ্ডেণ্টজনে মোক কৈছিল—আপুনি লক্ষীমপুৰলৈ যাবলৈ টিকট নাপাব। কাৰণ বাছ চলাচল বন্ধ হৈ আছে। মাত্ৰ তেজপুৰলৈ যাবলৈহে টিকট পাব। মই তেতিয়া কৈছিলো মোৰ জিলাত বানপানী হৈছে—মই যাবই লাগিব। শেষত উপায় নাপায় মই যোৰহাটলৈকে যাবলৈ সিদ্ধান্ত কৰিলো আৰু যোৰহাটৰ পৰা আকাশী যানেৰে লক্ষীমপুৰলৈ যাবলৈ ঠিক কৰিলে, কিন্তু দুখৰ বিষয় যে ৫ দিন ধৰি ভাৰতীয় আকাশী

বান বানপানীৰ কাৰণে লক্ষীমপুৰলৈ যোৱা নাছিল। সেই কাৰণে মই আকৌ এদিন যোৰহাটত থাকিব লগা হল আৰু পিচ দিনা লক্ষীমপুৰ পাওঁতে আৰু এটা দিন লাগিল। তেতিয়া তালৈ স্বাস্থ্য মন্ত্ৰী শ্ৰীটেৰণ আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি শ্ৰীদলে দেৰও গৈছিল। তেওঁলোকেও গোটেই অঞ্চল ভ্ৰমণ কৰিলে আৰু ময়ো গোটেই অঞ্চল পৰ্য্যবেক্ষণ কৰিলো। কিন্তু ৰাইজৰ দুখৰ কথা কল্পনা কৰিব নোৱাৰি। লক্ষীমপুৰ জিলাৰ নৈ বিলাক একে সময়তেই বাঢ়ি আহিছিল। এই ৩৬ খন নৈ একেলগে বঢ়াত গোটেই জিলাখনেই জলময় হৈ পৰিছিল।

অধ্যক্ষ মহোদয়, বানপানীৰ সাহায্যৰ বাবে চৰকাৰে যিখিনি সহায় আগবঢ়াইছে তাৰ বাবে মই অসম চৰকাৰক ধন্যবাদ নিদি নোৱাৰো। কিন্তু সেই সাহায্য বিতৰণৰ ক্ষেত্ৰত কৰ্ম্মচাৰী সকলে যি অসৎ নীতি অৱলম্বন কৰিছে তাৰ কথা ভাবিলে দুখ লাগে। অধ্যক্ষ মহোদয়, আপুনি বোধকৰো ভাবে যে লক্ষীমপুৰ জিলাৰ মানুহে সেই সাহায্যৰ বিক্ষোভ প্ৰদৰ্শন কৰিছে।

মিঃ স্পীকাৰঃ আপুনি আৰু কিমান সময় লব ?

শ্ৰীলীলা কান্ত দাসঃ মই আৰু বেছি সময় নলওঁ, আৰু দুটামান কথা কবলৈ মোক সময় দিয়ক। বহুত বিলাক মানুহ যিবিলাক সাধাৰণতে বান বিধ্বস্ত সেই বিলাকে কিন্তু সাহায্য পোৱা নাই তাৰ কাৰণে সেই সকল দুখীয়া মানুহ তেওঁলোকে কাকো ঘোচ দিব নোৱাৰে।

(ধনী—গোচৰ কৰক)।

বিপদটো সেইখিনিতেই, তেওঁলোক দুখীয়া কাৰণে তেওঁলোকে গোচৰ কৰিব নোৱাৰে, কাৰণ তেওঁলোকৰ কেচ লবলৈ উকিল নোলায়।

অধ্যক্ষ মহোদয়, এটা বানপানী হৈ গল, আকৌ বানপানী আহিবৰ হল। লগে লাগে শোৱণশিৰী, দিক্ৰং আৰু শিঙৰা নদীতো পানী উঠিব কিন্তু সেই নদী বিলাকৰ মথাউৰি বিলাক সম্পূৰ্ণ কৰি নিৰ্ম্মাণ কৰাৰ ব্যৱস্থা চৰকাৰে আজিলৈ নকৰিলে। লক্ষীমপুৰৰ মানুহে চৰকাৰৰ সাহায্য বাৰে বাৰে বাঞ্ছা নকৰে, তেওঁলোকে এবাৰ নহয়, দুবাৰ নহয়, চাৰিবাৰ পৰ্য্যন্ত শালি খেতি কৰি যোৱাবাৰ কোনো ৰকম এবছৰৰ বাবে পেটৰ ভাত যোগাৰলে। কিন্তু চৰকাৰে সেই নিৰ্য্যাতিত ৰাজ্যৰ সমস্যাটো স্থায়ী ভাৱে সমাধান কৰাৰ ব্যৱস্থা কৰিব লাগে। বানপানী নিয়ন্ত্ৰণ কৰিব লগাটো হলে যদি গৱেষণাগাৰ পাতিব লগা হয়, তেন্তে সেই ব্যৱস্থা স্থানীয় ভাৱে কৰিব লাগে।

অধ্যক্ষ মহোদয়, আৰু এটা বিশেষ কথাৰ বাবে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। সেইটো হল শিৱসাগৰৰ নৈ বিলাক নিয়ন্ত্ৰণ কৰা সেই সম্পৰ্কে পূৰ্ব্বৰ কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী শ্ৰীফকৰুদ্দিন আলি চাহাবে ১৯৬৬ চনতে ঘোষণা কৰিছিল যে শোৱণশিৰী নদী নিয়ন্ত্ৰণ কৰা হব। সেই সংক্ৰান্তত কাগজত বিৰাট প্ৰতিবেদন প্ৰকাশ হৈছিল। কিন্তু কাৰ্য্য ক্ষেত্ৰত একেবাৰেই নহল। শোৱণশিৰী নদী কেইখনেই লক্ষীমপুৰ জিলাৰ আটাইতকৈ ডাঙৰ নৈ। এই নৈখন নিয়ন্ত্ৰণ কৰিব পাৰিলে বাকী নৈ কেইখনে বেছি জুলুম কৰিব নোৱাৰে। তাৰোপৰি জীয়াঢল নৈয়ে ধেমাজী মহকুমাত তাণ্ডৱ লীলাৰ সৃষ্টি কৰি আহিছে। যোৱাবাৰ ৰাজ্য চৰকাৰৰ মন্ত্ৰী ডাঙৰীয়াই এই সদনত

আশ্বাস দিছিল যে তাৰ কাৰ্য্যকৰী ব্যৱস্হা চৰকাৰে হাতত লব। কিন্তু আজি পৰ্য্যন্ত তাৰ নিয়ন্ত্ৰণৰ ব্যৱস্হা চৰকাৰে কাৰ্য্যকৰী নকৰিলে। তাৰ পিচত অধ্যক্ষ মহোদয়, আমাৰ নৈ সমূহৰ ক্ষেত্ৰত এটা ডাঙৰ সমস্যা আছে। সেইটো হৈছে হিমালয়ৰ নামনিৰ পৰা নামি আহিছে আৰু সেই বিলাক সম্পূৰ্ণ বালিময়। বালি পৰি সেই নৈবোৰৰ বুকু প্ৰত্যেক বছৰে উঠি আহিছে। কিন্তু তাৰ প্ৰতিকাৰ কৰাৰ ব্যৱস্হা আজিকোপতি নহল। এই সম্পৰ্কে মই চইল কনজাৰভেচন বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। যাতে নদীৰ কাষৰীয়া অঞ্চল বিলাকৰ গড়াখহনীয়া প্ৰতিৰোধ কৰাৰ ব্যৱস্হা হাতত লব লাগে।

অধ্যক্ষ মহোদয়, আমি আজি এই কথা দুখেৰে সৈতে কব লগা হৈছো যে অসমৰ মীন শিল্পৰ দৰে ভাৰতৰ অন্য ঠাইৰ মীন শিল্পই মাছ যোগান দিব নোৱাৰে, কিন্তু আজি অসমৰ মীন শিল্পৰ কথা ভাবি চালে বৰ দুখ লগা অৱস্হা। অসমৰ মীন শিল্পক যদি চৰকাৰে এইদৰে অৱহেলা কৰিয়েই থাকে তেন্তে অসমৰ আৰ্থিক দুৰৱস্হা কেতিয়াও দূৰ নহয়। এই মীন শিল্পৰ উন্নতিৰ বাবে আমাৰ স্বাধীন চৰকাৰে আজি ২৫ বছৰেও দৃষ্টিপাত কৰা নাই।

মাছ সকলো ঠাইতে সৃষ্টি নহয়। জলবায়ুৰ লগত সম্পৰ্ক ৰাখি পানীৰ লগত সম্পৰ্ক ৰাখিলেহে মাছৰ উৎপত্তি বৃদ্ধি হয়। মই ভাৰতৰ বিভিন্ন ঠাইত পৰিদৰ্শন কৰি অনুসন্ধান কৰি দেখিছো যে অসমৰ দৰে ভাৰতৰ অন্য এখন প্ৰদেশ নাই যিখন প্ৰদেশত উৎকৃষ্ট মাছ উৎপন্ন হয়। অৱশ্যে বাংলা দেশত অসমৰ দৰে উৎকৃষ্ট মাছ পোৱা যায়। কিন্তু নিজৰ দেশীয় মীন মহল থকা অৱস্হাটো যদি বাংলা দেশৰ পৰা মাছ আনিব লগা হয় তেন্তে ইয়াতকৈ দুখৰ কথা কি হব পাৰে? যিখন ৰাজ্যত ভাৰতৰ ভিতৰত আটাই-তকৈ মাছ বেছি উৎপন্ন হয়, যিখন ৰাজ্যত সকলো ধৰণৰ মাছ পোৱা যায়, সেইখন ৰাজ্যৰ মানুহে আজি মাছ খাবলৈ পোৱা নাই আৰু বজাৰত মাছৰ যি দাম আমাৰ সৰ্ব্ব-সাধাৰণ ৰাইজে কিনি খোৱাটো অসম্ভৱ হৈ উঠিছে।

আজি আমাৰ চৰকাৰে মাছমৰীয়া সকলৰ আৰ্থিক অৱস্হাৰ উন্নতিৰ কাৰণে, মাছ পোহাৰ কাৰণে কোনো নিগম কৰা নাই। আনহাতে মাছ পোহাৰ বাবে কোনো নিগমৰ উন্নতিৰ ব্যৱস্হা নোলোৱাকৈয়ে মাছমৰীয়া সকলৰ ওপৰত শোষণৰ চেষ্টা চলাইছে। যাৰ ফলত এই মাছমৰীয়া সকলে আৰ্থিক উন্নতিৰ বাবে কোনো দিনেই উঠিব পৰা নাই। সেই কাৰণে মই কব বিচাৰিছো যে যেতিয়ালৈ আমাৰ মীন মহলৰ উন্নতি সাধন কৰা নহয় তেতিয়ালৈকে আমাৰ সমাজৰ আৰ্থিক উন্নতি নহয়। কাৰণ মাছমৰীয়া সকলে জীৱন মৰণ বিচাৰ নকৰি নিজৰ পেটৰ বাবে দিনে ৰাতি গভীৰ পানীত বুৰ মাৰি মাছ মাৰিব লাগে। এতিয়া ৰ'দ দিছে বাবে সাধাৰণ লোকে গছৰ ছাঁত জিৰণি লৈছে—কিন্তু মাছমৰীয়া সকলে ৰ'দ-বৰষুণ বিচাৰ নকৰি মাছ মাৰি থাকিব লাগে। তথাপি চৰকাৰে তেওঁলোকৰ বাবে কোনো ব্যৱস্হা নকৰাত আজি এই মাছমৰীয়া সকল আৰ্থিক ভাৱে লাভবান হব পৰা নাই। তাৰ ওপৰত আজি তেওঁলোকৰ ওপৰত চৰকাৰৰ কোনো দৃষ্টি নাই আৰু কোনো নিয়ন্ত্ৰণ নাই।

তাৰোপৰি আৰু এটা দুখৰ বিষয় এই মীন মহল ছ'চাইটি বিলাক ৰেজিষ্ট্ৰাৰ কৰোতে চৰকাৰী বিষয়া সকলে কৈবৰ্ত্ত মানুহ বিলাকক ৰেজিষ্ট্ৰাৰ নকৰি আন মানুহৰ নামত ৰেজিষ্ট্ৰাৰ কৰে ফলত এই মাছমৰীয়া সকলে তেওঁলোকৰ মাছৰ ব্যৱসায়ৰ পৰাও বঞ্চিত থাকিব লগা হয়। সেই কাৰণে এই ৰেজিষ্ট্ৰেচনৰ ক্ষেত্ৰত বিশেষ লক্ষ্য ৰাখিবলৈ চৰকাৰক অনুৰোধ কৰিলো। আৰু মীন মহলৰ উন্নতিৰ বাবে কাৰ্য্যকৰী ব্যৱস্হা হাতত লয় যেন।

শেষত মই এইটো কথা কব বিচাৰিছো যে অসমৰ গোটেই চাহ বাগানৰ চাহ শিল্প বিলাক জাতীয়কৰণ কৰিব লাগে আৰু সেইদৰে আমাৰ মীন শিল্পকো জাতীয়-কৰণ কৰিব লাগে। সেই কাৰণে মই অসম চৰকাৰৰ ওচৰত দাবী কৰিছো যে মীন শিল্পক জাতীয়কৰণ কৰাৰ লগে লগে আমাৰ দেশৰ আৰ্থিক অৱস্থা উন্নতি হোৱাৰ ওপৰিও এই শিল্পই বিদেশী মুদ্ৰা অৰ্জন কৰিব পাৰিব। যেতিয়ালৈকে এই মীন মহল জাতীয়কৰণ কৰা নহয় তেতিয়ালৈকে আমাৰ দেশৰ আৰ্থিক অৱস্থা কেতিয়াও টনিকয়াল নহয়। ইয়াকে কৈ মোৰ বক্তব্য সামৰিলোঁ।

শ্ৰীপ্ৰেমধৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ পঢ়ি চালো। এই যে এখন সাৰশূন্য ভাষণ ই সৰ্বজন বিদিত। বিধান সভাৰ মজিয়াত কেইবা গৰাকী সদস্যই এই অভিভাষণত অসন্তোষ্টি, ক্ষোভ প্ৰকাশ কৰিছে। এই ভাষণত মই চাৰিটা কথা দেখিবলৈ পাইছো। দিচপুৰৰ কথা উল্লেখ কৰা হৈছে, শিক্ষাৰ মাধ্যমৰ কথা উনুকিয়াইছে, ভূমি সংস্কাৰৰ কৃষি নিগম আৰু ৰবি শস্যৰ কথা কোৱা হৈছে। নতুন শিক্ষা নীতি ১০-২-৭৩ৰ কথা কোৱা হৈছে। এই চাৰিটা কথা পৰ্য্যালোচনা কৰি চাই মই মুখ্য মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিম যিহেতু দিচপুৰলৈ অস্হায়ী ভাবে ৰাজধানী প্ৰতিশ্ৰুতি ৰক্ষা কৰি নমাই আনিলে। ইয়াত বিধান সভা বহিছে মন্ত্ৰী এম, এল, এ সকল আছে। ভৈয়ামৰ মানুহ বিলাক কাম-কাজ কৰাবৰ বাবে ইয়ালৈ আহিছে। কিন্তু সচিবালয় আৰু ডিৰেক্টৰেট বিলাক আহিলে নে নাই? গতিকে প্ৰশাসন যন্ত্ৰটো বাস্তৱ দৃষ্টি ভঙ্গীত এবাৰ মাননীয় সদস্য সকলক ইয়াৰ জৰিয়তে অনুধাবন কৰিবলৈ অনুৰোধ জনাইছো। আমাৰ সৰ্বসাধাৰণ মানুহে দৰ্খাস্ত লৈ আহে মন্ত্ৰীৰ ওচৰলৈ, কিন্তু কাগজখন লৈ চিলঙলৈ যাব লগা হৈছে, চিলঙৰ অফিচ পোৱাৰ পিচত কয় চেক্ৰেটেৰীয়েত গুৱাহাটীলৈ গল। এতিয়া দুই নাও দুই ভৰি অৱস্থা হৈছে। মই দাবী জনাও অনতি-পলমে ইয়াৰ অৱসান ঘটাই প্ৰশাসন যন্ত্ৰটো কাৰ্য্যক্ষম যন্ত্ৰ কৰি তুলিব লাগে। এই দুই নাও দুই ভৰি অৱস্থা বেচি দিন চলিব দিব নালাগে। ৰাজ্যপালৰ ভাষণখন মাধ্যম সম্বন্ধীয় প্ৰশ্নত দীঘলীয়া ভাষণৰ অৱতাৰণা কৰি পৰিসমাপ্তি ঘটাইছে। তেনেকুৱা সৰু অলাগতীয়াল কথা উল্লেখ কৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ সকলে কি কাম কৰিলে, কলেজৰ কৰ্তৃপক্ষই কি অনুশাসনমূলক ব্যৱস্হা ললে সেই বিলাক উল্লেখ কৰিছে। ৰাজ্যৰ ৰাজ্যপাল হিচাবে দায়ীত্ব আছিল মাধ্যম সম্পৰ্কত যেতিয়া ৰাজ্য জুৰি গণ আন্দোলন গঢ়ি উঠিছিল, তেতিয়া জৰুৰী কালীন বিধান সভা আহবান কৰিব লাগিছিল। যিহেতু সদস্য সকলে এটা বিধান সভাৰ বাবে অনুৰোধ কৰিছিল। এই বিলাক কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নকৰিলে। বৰং ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰই কি কৰিলে, কলেজ কৰ্তৃপক্ষই কি একচন ললে, এই বিলাক কথাই ঠাই পাইছে। ৰাজ্য-খনৰ এটা বৰমূৰীয়া প্ৰশাসক হিচাবে বোধগম্য হোৱা উচিত, পুংখানুপুংখ ৰূপে চাব লাগিব। মাধ্যম সম্পৰ্কে কব লগা নাই। ৰাজ্যৰ জনসাধাৰণে তেওঁলোকৰ অভিব্যক্তি প্ৰকাশ কৰিছে। বিধান সভাত প্ৰস্তাৱ লোৱা হৈছিল ৰাইজে নাকচ কৰিছে তৎকালে প্ৰস্তাৱ উঠাই লব লাগে। সংবিধান স্বীকৃত কথা নতুনকৈ দোহাৰি লাভ নাই। ৰবি শস্য আৰু কৃষি নিগমৰ কথা কোৱা হৈছে। বৈপ্লৱিক পদ্ধতিত সেউজী বিপ্লৱৰ কথা কোৱা হৈছিল। ভাবিলে আচৰিত লাগে সেউজী বিপ্লৱৰ জৰিয়তে কি কৰিলে? নতুন চৰকাৰ গঠন কৰাৰ পিচত ৰাইজৰ ওচৰত যি প্ৰতিশ্ৰুতি দি সেউজী বিপ্লৱৰ কথা কোৱা হৈছিল এতিয়া কি কৰিলে? ৰাজ্যপালৰ ভাষণত চাৰিটা কৃষি নিগমৰ কথা পাইছো। সেউজী বিপ্লৱত দেশ নদন-বদন হব বুলি কোৱা হৈছিল। সেউজী বিপ্লৱৰ কথা ঘোষণা কৰি ১৯৭১ চনত কৃষি নিগমৰ এখন বিল এই বিধান সভাত পাচ হল। ১৯৬৭ চনত খিলঞ্জীয়া মাটি হীন মানুহক মাটি দিবৰ কাৰণে আগৰ ৰাজহ মন্ত্ৰীয়ে এখন লিষ্ট

কৰিছিল। স্থানীয় লোণ্ড এডভাইজৰী বৰ্ডে অনুমোদন কৰিছিল। ৰাজহ বিভাগে অনুমোদন কৰি পট্টন দিবৰ কাৰণে সিদ্ধান্ত কৰিছিল। আচৰিত কথা সেউজীয়া বিপ্লৱ কৰি কৃষি নিগম কৰি মাটি হীন মানুহক মাটি দিয়াৰ যি সিদ্ধান্ত কৰিছিল মাজতে বন্ধ হৈ গল। মাটি হীন মানুহ বিলাক এতিয়াও বঞ্চিত হৈ আছে।

অধ্যক্ষ মহোদয়, কৃষি নিগম পাতক, খেতিয়কক সাৰ বীজ দি উন্নত পদ্ধতিত খেতি কৰি শস্য শ্যামলা বসুন্ধৰা উপচাই দিয়ক। কিন্তু ১৯৬৭ চনৰ পৰা যি সকলে মাটি পাম বুলি ৰৈ আছে তেওঁলোকক মাটি দিবলৈ ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। ৰাজ্যপালৰ ভাষণত এই বিলাক কথা নাপালো। যোৱা বছৰ লক্ষীমপুৰ জিলাত বানপানীয়ে কি তাণ্ডব লীলা কৰিলে তাক উপৰুক্ত বক্তাজনে কৈ গৈছে। বানপানীত বিধ্বস্ত হোৱা মথাউৰি বিলাকৰ কাম এতিয়া বাৰিষাৰ সময়ত আৰম্ভ কৰিছে। কাম সম্পূৰ্ণ হয় নে নহয় ক'ব পৰা নাই। হাইজানৰ দলংখন বহি গৈছে। এতিয়াও মেৰামতি কৰা নাই। মন্ত্ৰী সকল সেই দলঙৰ ওপৰেদি কতবাৰ গল কিন্তু এতিয়াও কাম কৰা নাই। শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে জিলাখন উদ্বোধন কৰি বাঃবাঃ পালে কিন্তু তাৰ অফিচত টাইপিষ্ট কেৰাণী জাজ একো নাই। এই ধৰণে আঞ্চলিক বৈষম্য থকাটো উচিত নহয়। মুখ্য মন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিছিল তিনি মাহৰ ভিতৰত ডিষ্ট্ৰিক্ট জাৰ্জ দিম। কিন্তু সেই বিলাক প্ৰতিশ্ৰুতি কলৈ গল।

অসমৰ ৰাইজে অসম বিধান সভাত কংগ্ৰেছ চৰকাৰ গঠন কৰিবৰ কাৰণে ৯৫ জন সদস্য কংগ্ৰেছৰ দলৰ পৰা দিছে। গতিকে আমাৰ মুখ্য মন্ত্ৰী কি চিন্তাত ইমান নিমগ্ন যে যি ভাবে কাম কৰিব লাগে সেই ভাৱে কাম কৰা দেখা পোৱা নাই।

Shri DULAL CHANDRA BARUA : Sir, I have got a point of order. And the point of order is—the discussion on the Governor's Address is on and many honourable member may deal with various subjects, and so, it is desirable that almost all the Ministers remain present inside the House. It appears that there are only 3 Ministers present in the House and the rest are not here. It is the convention of the House that when such kind of discussion goes on, and when many honourable members may raise various point, almost all the Ministers should be present in the House. Here only the Minister for Parliamentary Affairs is noting down points. As the discussions are educative and the honourable members may ask for some clarifications from different Ministers, would you be kind enough to issue a directive so that the Ministers or almost all the Ministers may be present inside the House.

Mr. SPEAKER: It is not a point of order. You drawing th attention of Minister for Parliamentary Affairs) should take note of this.

Shri SYED AHMED ALI (Minister, Parlimentary Affairs) : Sir all the suggestions, observations and policy criticism advanced by honourable members are being noted down by me and as a matter of fact, whn the debate on the Governor's Address will be over the Chief Minister is competent to give replies to all these suggestions and observations. I think the honourable member need not worry about how many Ministers are present here.

Shri DULAL CHANDRA BARUA: It is the convention of the House.

Shri SYED AHMED ALI (Minister, Parliamentary Affairs): I have noted down and I will convey your message to the different Ministers.

শ্ৰীপ্ৰেমধৰ বৰা: ৰাজ্যপালৰ ভাষণত দুনীৰ্তি নিবাৰণৰ বিষয়ে কোৱা হৈছে। আৰু চৰকাৰৰ তৰফৰ পৰাও দুনীৰ্তি নিৰ্মূল কৰা হব বুলি কৈছিল। অধ্যক্ষ মহোদয়, যোৱা বানপানীৰ সময়ত মুখ্য মন্ত্ৰী মহোদয় উত্তৰ লক্ষীমপুৰলৈ যাওঁতে তাৰ এখন ৰাজহুৱা সভাত গাওঁ আঞ্চলিক পঞ্চায়তৰ সভাপতি আৰু বহুতো নেতৃস্থানীয় লোকে আপত্তি দিছিল যে বান বিধ্বস্ত খেতিয়ক সকলৰ সাহায্যাৰ্থে যি বিলাক কঠীয়া বিতৰণ কৰা হৈছিল সেই বিতৰণত যি দুনীৰ্তি হৈছিল তাৰ তদন্ত কৰিবলৈ ডি চিক ভাৰ দিছিল। আৰু তেখেতৰ প্ৰতিবেদন দাখিল কৰাৰ ১০ মাহৰ পিচতো দুনীৰ্তিত লিপ্ত কৰ্ম্মচাৰী-জনক বিচাৰ কৰি শাস্তি দিয়া হোৱা নাই।

ৰাজ্যপালৰ ভাষণত অসম ৰাজ্যৰ ভৱিষ্যত উন্নতিৰ কাৰণে কোনো ইঙ্গিত পৰি-লক্ষিত হোৱা নাই। ব্ৰহ্মপুত্ৰ কমিচনৰ কথা কৈছে কিন্তু কেতিয়া এই কমিচনৰ কাম আৰম্ভ হব আৰু ইয়াৰ আঁচনি কি ধৰণে যুগুত কৰিব। আৰু উপনদী বিলাক কেতিয়া নিয়ন্ত্ৰণ হব আৰু আয়োগৰ কাৰণে কিমান টকা লাগিব এই বিষয়ে একো জনা নাযায়। মই মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব খুজিছো বানপানী বিধ্বস্ত লোক সকল কেতিয়া বিপদৰ পৰা মুক্তি পাব আৰু এই সম্পৰ্কীয় চৰকাৰৰ বিশদ আঁচনি জানিব খুজিছো। আজি উত্তৰ লক্ষীমপুৰ সকলো ফালৰ পৰা পিচপৰা যদিও এটা কথাত কিন্তু ভাৰতবৰ্ষৰ ভিতৰতে আগবঢ়া। এই জিলাখন কৃষি প্ৰধান জিলা। আৰু বি ই চি পি গৰুৰ বেমাৰটোও এই জিলাত ব্যাপক। আৰু অসমৰ কোনো ঠাইতেই বা ভাৰতবৰ্ষৰ কোনো ঠাইতেই এই বেমাৰটো নাই। গতিকে ভাৰতবৰ্ষৰ ভিতৰতেই এই জিলাখনে এই বেমাৰৰ কাৰণে প্ৰথম ঠাই পাইছে। এই বেমাৰ নিয়ন্ত্ৰণৰ কাৰণে ঔষধ পাতি তৈয়াৰ কৰিবৰ কাৰণে এটা কাৰখানা হব বুলি শুনিছিলো আৰু বিশেষজ্ঞ সকলৰ মতে উত্তৰ লক্ষীমপুৰতেই এই কাৰখানা হব লাগে বুলি কৈছে যদিও জানিব পৰা গৈছে যে এই কাৰখানা বেমাৰৰ উৎপত্তি স্থল উত্তৰ লক্ষীমপুৰত নাপাতি অন্য চহৰৰ ফালে আনিব খুজিছে। এই ৰোগৰ ঔষত পাতিৰ কাৰণে যি কেচা মাল তাত স্থানীয় ভাৱে পোৱা যায় সেই কাৰণে এই কাৰখানাটো তাতেই পতাৰ ব্যৱস্থা কৰিব লাগে।

বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত দিক্ৰং শোৱণশিৰী ৰঙানদী আদি নিয়ন্ত্ৰণৰ কাৰণে যি ব্যৱস্থা লব লাগিছিল সেই বিলাক লোৱা হোৱা নাই। আনকি যিখিনি মথাউৰি ভাঙি চিঙি গৈছে সেই খিনিও মেৰামতি কৰা হোৱা নাই। আশা কৰো চৰকাৰে এই কামত অতি সোনকালে কৰিব। তাৰ পাচত উত্তৰ লক্ষীমপুৰৰ পৰা কমলাবাৰীলৈ যোৱা ৰাস্তাটো অতি পুৰণি পথ আৰু উত্তৰ দক্ষিণ পাৰৰ যোগাযোগৰ এক মাত্ৰ পথ। বানপানীৰ সময়ত বাঁন নিয়ন্ত্ৰণ মন্ত্ৰী তালৈ গৈছিল আৰু দেখি আহিছে। এই ৰাস্তাটো যাতে সোনকালে হয় তাৰ ব্যৱস্থা কৰিব লাগে। আৰু যদি ৪ৰ্থ পৰিকল্পনাৰ ভিতৰত নহয় তেতিয়াহলে ৫ম পৰিকল্পনাত যাতে কামটো সম্পূৰ্ণ হয় তাৰ বাবে অনুৰোধ জনালো।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ ৰাজ্যপালৰ ভাষণত নিবনুৱা সমস্যাৰ কথাই অগ্ৰাধিকাৰ পাব লাগিছিল। কিন্তু আমি সেইটো ৰাজ্যপালৰ ভাষণত নেদেখিলো। ৰাজ্যপালৰ ভাষণত নিবনুৱা সমস্যা সমাধানৰ কাৰণে ৭২ লাখ টকাৰ এখন আঁচনি তৈয়াৰ কৰা বুলি উল্লেখ কৰিছে কিন্তু সেই আঁচনি কৰিছে হাঁহ-কুকুৰা পশু পালন

আদিৰ জৰিয়তে অসমৰ নিবনুৱা লোকসকলক সামান্য ভাবে কৰ্ম্ম সংস্থান দিয়া। মই অতি দুখেৰে প্ৰকাশ কৰো যে ৭২ লাখ টকাৰে কেনেকৈ নিবনুৱা সমস্যা সমাধান কৰিব বুলি চৰকাৰে ভাবিছে আমি বুজি নাপাওঁ। আজি পাঁচ বছৰৰ আগতে তেতিয়াৰ উদ্যোগ মন্ত্ৰী শ্ৰীবিশ্বদেৱ শৰ্মাই কৈছিল যে পেট্ৰো কেমিকেল কমপ্লেক্স তৈয়াৰ হব অসমত আৰু তাত নিবনুৱা লোক সকলক কামত নিয়োগ কৰিব পৰা হব। কিন্তু বৰ্ত্তমান উদ্যোগ মন্ত্ৰী শ্ৰীইদ্ৰিচ চাহাবৰ পৰা জনা গল যে সেই হবলগীয়া পেট্ৰো কেমিকেল কমপ্লেক্সৰ নিয়োগ সমূহ হব বাহিৰৰ পৰাহে। তাত যে অসমৰ পৰা এজন অসমীয়া লৰায়ো চাকৰি পাব সেইটো সন্দেহ যুক্ত কথা। আনহাতে ৭২ লাখ টকাৰে অসমৰ নিবনুৱা সমস্যা সমাধানৰ যি আঁচনি কৰিছে তাৰ দ্বাৰাও যে কিবা কাম হব মই ভাবি পোৱা নাই।

আমাৰ ভাৰতবৰ্ষ এখন কৃষি প্ৰধান দেশ। এই কৃষি প্ৰধান দেশৰ সমূহ অঞ্চলক আগবঢ়াই নিবলৈ হলে কৃষিজাত সামগ্ৰীৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰিব লাগিব। কিন্তু কৃষিৰ লগত সামান্য সমন্বয় থকা উদ্যোগ কেনেকৈ গঢ়ি উঠিব সেই কথাৰ কোনো আভাষ ৰাজ্যপালৰ ভাষণত নাই। যি দুই এটা চেনীকল বা মৰাপাটৰ কলৰ কথা উল্লেখ কৰিছে সামান্য ভাবে তাতো আঞ্চলিক বৈষম্যৰ কাৰণে আমাৰ বিশেষ উপকাৰত আহিব পৰা নাই। আজি মঙ্গলদৈ লক্ষীমপুৰ আৰু গোৱালপাৰা এই তিনিটা অঞ্চলেই অসমৰ ভিতৰত আটাইতকৈ পিচপৰা অঞ্চল বুলি সকলোৱেই জানে। গতিকে এই তিনিটা অঞ্চলৰ যিকোনো এটাতহে যদি কোনো উদ্যোগ স্থাপন কৰা হয় তেনেহলে ৰাজ্যখনৰ সামুহিক উন্নয়নৰ ক্ষেত্ৰত যি যথেষ্ট অৰিহণা যোগাব তাত কোনো সন্দেহ নাই। গতিকে পিচপৰা অঞ্চল সমূহত বিশেষ গুৰুত্ব দি তাত উদ্যোগ স্থাপন কৰিলে সিয়েই ৰাজ্যৰ উন্নয়নত অৰিহণা যোগাব।

উপাধ্যক্ষ মহোদয়, আমাৰ মাজুলি অঞ্চলটো এটা দ্বীপৰ নিচিনা। তাত যোৱা বছৰ বানপানীত ভাঙি যোৱা এটা মাত্ৰ ৰাস্তা বদতি-কমলাবাৰী ৰাস্তাটো মেৰামতি কৰিবলৈ চৰকাৰে কোনো দায়িত্ব লোৱা নাই। ইয়াৰ ফলত সেই অঞ্চলৰ মানুহৰ মনত কোনো বেলেগ ধৰণৰ চিন্তাই বাহ লব পাৰে। তালৈ গৈ আনকি গড়কাপ্টানি বিভাগৰ মন্ত্ৰী মহোদয়েও আশ্বাস দি আহিছিল। কিন্তু আজিলৈ ৰাস্তাৰ কাম সম্পূৰ্ণ নোহোৱাটো দুখৰ বিষয়। মই এই বিষয়ত মুখ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

উপাধ্যক্ষ মহোদয়, আমাৰ দেশত পাঠ্যক্ৰম সম্বন্ধে নানান আলোচনাই নানান কাকত দেখিবলৈ পাইছো। শিক্ষা নীতিৰ যে এটা বিপ্লৱ আনিলে সেইটো ঠিক। কিন্তু শিক্ষা নীতি সম্বন্ধে শিক্ষা মন্ত্ৰীয়ে এই বিধান সভাত এটা আলোচনা কৰিব লাগিছিল। তেখেতে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ লগত সামঞ্জস্য ৰাখি চলিত বছৰৰ পৰা নতুন পাঠ্যক্ৰম আৰু নতুন পদ্ধতি চলাই নিশ্চয় বিপ্লৱ আনিছে। বজাৰত বিপ্লৱ, ঘৰে-দুৱাৰে সকলোতে বিপ্লৱ আৰম্ভ কৰি দিছে। আনকি স্কুলতো বিপ্লৱ আৰম্ভ হৈ গৈছে। স্কুলৰ চোঁহদত কিতাপ নাই। শিক্ষকে ফাইন কৰে। ঘৰত আহি লৰাই বাপেকে কাজিয়া কৰে। এই বিলাক বিপ্লৱ হৈছে। দোকানত এটকাৰ কিতাপত চাৰিটকা দাম হৈছে। এই বিলাক কথা চিন্তা কৰিবলৈ শিক্ষা মন্ত্ৰীয়ে সময়কে নাপালে। তেখেত আগতে প্ৰফেচাৰো আছিল। কিন্তু ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ লগত সংহতি ৰক্ষা কৰিবলৈ গৈ এনেকুৱা এটা বিসঙ্গতিৰ সৃষ্টি কৰিছে যে কণ কণ লৰা-ছোৱালী বিলাকক শিক্ষা দিয়াৰ পৰিবৰ্ত্তে খেল খেলাহে হৈছে। গণতান্ত্ৰিক দেশত ৰাষ্ট্ৰীয় শিক্ষা নীতি এনেকুৱা হোৱা উচিত নহয়। এনেকুৱাকৈ হুলহাজাৰ্ডলি কোনো কামেই নহয়। মই এই কথাটো উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে শিক্ষা মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত গড়কাপ্তানি বিভাগৰ কথা উল্লেখ কৰিছে। শিলঘাট-ভোমোৰাগুৰি আৰু যোগীঘোপা-পঞ্চৰত্নত দলং কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ দিছে কিন্তু অন্য ৰাজ্যবোৰ কামত দিল্লীলৈ গৈ দেখিছো যে আমাৰ প্ৰস্তাৱ গৈ পোৱাত পলম হৈছে। অসমৰ পৰা প্ৰস্তাৱ গৈ পাওঁতেই পলম হয় আৰু প্ৰস্তাৱ কাৰ্য্যকৰী কৰি তোলা বা বিবেচনা কৰা সময় নাথাকেগৈ। অসম চৰকাৰ দূৰত থকা বাবেই বোধহয় এনেকুৱা হয়। কিন্তু সেই বিলাক সময়ে সময়ে গৈ খবৰ আদিও কৰিব লাগে। এনেই পঠিওৱাত পলম হয়, তাতে আকৌ কেৰে যদি খা-খবৰ আদি নাৰাখে তেন্তে কাম কেনেকৈ হব। কান্দিলেহে লৰাই কল পায়। অসম চৰকাৰ ভাল লৰাৰ দৰে বহি থাকে, কান্দিবও নাজানে। অলপ খা-খবৰ আদি কৰিলেহে যদি দলং দুখন অহা পাঁচ বছৰৰ ভিতৰত হয়গৈ।

শেষত ৰাজ্যপালৰ ভাষণৰ ওপৰত বেছি সময় নকৈ ইয়াকে কৈ মোৰ বক্তৃতা শেষ কৰো যেন ৰাইজৰ কথা বিলাক প্ৰকৃত পক্ষে তথ্য পাতিসহ ৰাইজৰ আগত দাঙি ধৰা হয়। আৰু ৰাজ্যপালৰ ভাষণততা যেন তেনেকৈয়ে ৰাইজৰ কথা বিলাক তথ্য পাতিসহ উল্লেখ কৰা হয়।

Shri DULAL CHANDRA BARUA: Sir, about 2000/3000 kishans are demonstrating in front of the Assembly; their demands have been placed before the Government, and their problems are mostly dealt with by the honourable members and so from whom we will get replies, because they are continuing their demonstration and practcally it is disturbing the House in the matter of smooth functioning of the House. What the government is going to do in this respect.

Shri SYED AHMED ALI (Minister, Parliamentary Affairs): Sir, this is within the premises of the Assembly House and it comes under the purview of your honour. So, as you desire, this would be done.

Shri DULAL CHANDRA BARUA: That is not the question. The whole thing is—the Chief Minister is aware of the fact that about 2000/3000 kishans from all over the State are demonstrating in fornt of the Assembly. To-day, in the morning, we took the Chief Minister to some demonstrators and he also voluntarily went and had been the demonstration organised by the C. P. I. But the demonstrators are shouting slogans with the expectation to have some sympathy from the government, atleast from the Chief Minister. Therefore, will he like to go and meet the demonstrators or propose to meet some of their representatives in this chamber.

Shri SARAT CHANDRA SINHA (Chief Minister): I meet the demonstrators, addressed them and explained to them our view-points.

Shri DULAL CHANDRA BARUA: To-day ?

Shri SARAT CHANDRA SINHA (Chief Minister): Yes.

শ্ৰীকন্দৰ্প কুমাৰ দাস : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীবিজয় কৃষ্ণ সান্দিকৈ ডাঙৰীয়াই অনা ধন্যবাদসূচক প্ৰস্তাৱটি সমৰ্থন কৰি মাত্ৰ কেইটামান কথা কবলৈ খুজিছো। আজি স্বাধীনতাৰ পচিশ বছৰ পাচত অসমৰ ৰাজধানী শিলঙৰ পৰা ভৈয়ামলৈ নামি আহিছে। অসমৰ ৰাজধানী দিচপুৰত আজি অসমৰ ভৈয়ামৰ লোকসকলৰ লগত একেলগে বহি ৰাইজৰ দুখ-দুৰ্দ্দশাৰ কথা আলোচনা কৰিবলৈ সুবিধা পাইছো। আজি অসমৰ ৰাইজৰ পচিশ বছৰৰ সপোন বাস্তৱত ৰূপায়িত হৈছে। আজি দিচপুৰত ৰাজধানী নিৰ্ম্মাণৰ কামত থলুৱা লোকে অগ্ৰাধিকাৰ পাইছে তাৰ ফলত বহুত শিক্ষিত যুৱকে তেওঁলোকৰ নিবনুৱা দিনৰ ওৰ পেলাই নিজৰ ভৱিত থিয় হবলৈ সুযোগ পাইছে কৰ্ম সংস্থানৰ যোগেদি।

ৰাজ্যপালৰ ভাষণত বহুকেইটা কথা উল্লেখ কৰিছে। কিন্তু চাৰিটা বিষয় বহলভাৱে গুৰুত্ব আৰোপ কৰা নাই। মই কৃষি বিভাগৰ বিষয়ে অলপ কম।

ৰাজ্যপালৰ ভাষণত আমাৰ কৃষি বিষয়টো অলপ বহল ভাৱে উল্লেখিত হৈছে। চৰকাৰে ভূমি নীতিৰ সম্পৰ্কত যোৱা বাজেট অধিবেশনত এখন আইন পাছ কৰিছিল আৰু এই আইনমতে মাটিৰ সৰ্ব্বোচ্চ পৰিমাণ ৭৫ বিঘাৰ পৰা ৫০ বিঘালৈ কমাই দিছে। সেইবিলাক কাম হল যদিও সেইবিলাক হলে আজিলৈকে কাৰ্য্যকৰী হোৱা নাই। ইয়াৰ ফলত দুনীতি কেনেকৈ হৈছে সেই কথা বিলাক আমাৰ জনসাধাৰণে ভালকৈ হৃদয়ঙ্গম কৰিছে। এই আইনৰ অতিৰিক্ত মাটি অধিগ্ৰহণ কৰি সেইবিলাক যে কোনো ব্যক্তিগত মানুহৰ মাজত বিতৰণ কৰিব তাৰ কোনো ব্যৱস্থা নাই। ৰাইজৰ মাজত এটা গোজৰ ওলাইছে যে, যিবিলাক মানুহৰ মাটি সাত বিঘাতকৈ কম, সেই সকলৰ মাজত এই অতিৰিক্ত মাটি বিতৰণ কৰিব। এনে ধৰণৰ গোজাৰ ওলোৱাৰ ফলত আমাৰ অজলা লোকসকলে মাটি পোৱাৰ আশাত মণ্ডল-কাননগো, এছ, ডি, চি আদিৰ লগ ধৰি দৰ্খাস্ত আদি দিছে। এজনে আন এজনৰ ওচৰলৈ পঠিয়াইছে, তাৰ পিছত আৰু এজনে অন্য এজনলৈ পঠাইছে। এইদৰে মানুহ বিলাক বিভিন্ন জেগাত দৰ্খাস্ত দিয়াই বৰ জুলুম সৃষ্টি কৰিছে। কিন্তু কাম হলে একোৱেই হোৱা নাইকীয়া। এনেধৰণৰ এটা দুনীতিয়েই আজি মাটি বিতৰণৰ ক্ষেত্ৰত আজি হৈছে। এই দুনীতি যদি চলি থাকিব লগা হয় তেতিয়া হলে, চৰকাৰৰ ভূমিনীতি কাৰ্য্যকৰী নহব আৰু ৰাইজৰ মাজত এক প্ৰৱল বিক্ষুভে দেখা দিব। এই বিষয়ে মই আমাৰ সদনৰ নেতা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ।

তাৰ পিছত ৰবিশস্যৰ যদি এটা পৰ্য্যালোচনা কৰো তেতিয়াহলে আমি দেখা পাও যে, এই আঁচনিটো একৰকম অকৃতকাৰ্য্য হৈছে বুলিয়েই কব লাগিব। কাৰণ ৰবিশস্যৰ দায়িত্বত থকা অফিচাৰ সকলে তেওঁলোকৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিব পৰা নাই। আমি এই সংশ্লিষ্ট বিষয়া সকলক কিছুমান প্ৰশ্ন কৰিছিলো যে, ৰবিশস্যৰ কাৰণে চৰকাৰে ইমান টকা খৰছ কৰিছে, কিন্তু তথাপিও মাটিত পানীও দিবপৰা নাই কিয়? তাৰ উত্তৰ আমি পালো এইদৰে যে, আমি পথাৰলৈ বিজুলী শক্তি সৰবৰাহ কৰিব পৰা নাই কিয়নো কিছুমান মানুহে লাইন আদি নিবৰ কাৰণে গছ আদি কাটিবলৈ নিদিয়ে। সেইকাৰণেই হেনো তেওঁলোকে পানী যোগান ধৰিব পৰা নাই। ৰবিশস্যৰ ক্ষেত্ৰত সফলতা লাভ কৰিব নোৱাৰি এইবিলাক অজুহাট দেখুৱা হৈছে। যদি বাস্তৱ অৱস্থা এইটোৱেই হয় তেতিয়াহলে, আমাৰ চৰকাৰৰ সকলো আঁচনি কাগজ-কলম আৰু বক্তৃতাতে থাকিব। সেইবিলাক কেতিয়াও বাস্তৱত পৰিণত হব নোৱাৰিব। আমাৰ মুখ্য মন্ত্ৰীয়ে এই ৰবিশস্যৰ সংক্ৰান্তত এইবুলি কৈছিল যে, যদি আমাৰ বিষয়া সকলে তত্‌পৰতাৰে কাম নকৰে তেতিয়া হলে, তেওঁলোকৰ বিৰুদ্ধে যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰা হব। কিন্তু অৱহেলাৰ এইবিলাক দৃষ্টান্ত থকা স্বত্বেও চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই। যেহেতু কঠিয়া বহুতো মাটি নোহোৱা মানুহকো দিয়া হৈছিল, সেই মানুহ বিলাকে সেই কঠিয়া

বিলাক খাই গেলালে আৰু কিছুমানে সেই বিধানবিলাক লৈ গৈ বজাৰত বিক্ৰী কৰি দিলে। উপাধ্যক্ষ মহোদয়, এনেধৰণেই যদি আমাৰ আঁচনিৰ কামবিলাক কৰা হয় তেতিয়াহলে, চৰকাৰৰ কোনো আঁচনিটো কাৰ্য্যকৰী নহব। সেইকাৰণেহে মই আমাৰ মুখ্য মন্ত্ৰীক অনুৰোধ কৰিছোঁ যে, এইবিলাক বিষয় পুংখানুপুংখ ভাবে অনুসন্ধান কৰি তাৰ যথাবিহিত ব্যৱস্থা নললে বহুতো চৰকাৰী টকা অথলে যাবলগীয়া হব পাৰে। নিৰ্ব্বাচনৰ সময়ত আমাৰ এই চৰকাৰে 'গৰীবি-হতাও,ৰ শ্লগান দিছিল। কিন্তু আমি যিটো দেখিছোঁ শাসন যন্ত্ৰৰ বিফলতাৰ কাৰণে আমাৰ চৰকাৰৰ সকলো আঁচনিয়েই বিপথে পৰিচালিত হৈছে। সেই কাৰণে এই বিষয়টোৰ প্ৰতিও মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ।

দুনীতিৰ সম্পৰ্কেও আমাৰ বহুতো কিজন সদস্যই কৈছে। গতিকে মই আৰু এইবিষয়ে বেছিকৈ নকওঁ। মোৰ সমষ্টিৰে এটা ঘটনা হৈছে যে, এজন মৌজাদাৰক ১৯৭২ চনত নিযুক্ত দিয়া হৈছিল কিন্তু নিকটবৰ্ত্তী কিছুমান ৰাইজৰ পৰা অভিযোগ থকাৰ কাৰণে তেওঁক বৰ্দালিৰ হুকুম দিয়া হৈছিল ৰাজহমন্ত্ৰীৰ ফালৰ পৰা। কিন্তু কামৰূপ উপায়ুক্তই সেই মন্ত্ৰীমহোদয়ৰ হুকুম উঠাই লবৰ কাৰণে শ্বিলঙলৈ পথাই দিছিল। তাৰ পিছত হুকুম দিয়া হৈছিল যদিও সেই হুকুম এতিয়াও কাৰ্য্যকৰী হোৱা নাইকীয়া আৰু ফলত কি অৱস্থাৰ হৈছে সেইটো কোৱা নেযায়। এইধৰণেই যদি আমাৰ কাম-কাজ চলি থাকে তেনেহলে, আমাৰ ৰাইজে চৰকাৰ কেনেকৈ ৰাখিব। এই ঘটনাটোৰ সম্পৰ্কে আমাৰ মুখ্যমন্ত্ৰীও সম্পূৰ্ণ অবগত কাৰণে আমি তেখেতক এইবিষয়ে সময়ে সময়ে জনাই আছোঁ। আমাৰ চিঠিও তেখেতৰ তাত আছে। গতিকে এই বিষয়ে মই মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰো।

তাৰ পিছত বস্তুৰ মূল্য বৃদ্ধিৰ সম্পৰ্কত কওঁ যে, আমাৰ উৎপাদিত বস্তুৰ বা আমাৰ ব্যৱহাৰ্য্য যিবিলাক বস্তু আছে সেইবিলাকৰ যদি আমি সমবিতৰণ কৰিব পাৰিলোহোতেন তেতিয়াহলে, নিত্য ব্যৱহাৰ্য্য বস্তুৰ মূল্য কেতিয়াও নেবাঢ়িল হেতেন। এটা কথা আমি ভালদৰে জানো যে, ধৰক চেনিৰ ক্ষেত্ৰত চহৰত যিবিলাক ৰিটেইল প্ৰাইচ'ৰ দোকান আছে তাতে দি থয়, ফলত গাৱত ৰাইজে চাৰি টকাত চেনি খাবলগীয়া হয়। গতিকে চহৰৰ 'হোলচেল'ৰ দোকান বিলাক বন্ধ কৰি দিব নোৱাৰিলে এই ধৰণৰ দুৰ্নীতিও নিবাৰণ কৰিব নোৱাৰিব আৰু গাঁৱত আমাৰ দুখীয়া ৰাইজ সকলে চাৰি টকা দৰতে চেনি কিনি খাব লাগিব। আজি আমাৰ মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই থিকেই কৈছে যে, বহুত জমিদাৰী শ্ৰেণীৰ মানুহেও তেনেধৰণৰ কাৰবাৰ কৰি আছে।

মীন মহলৰ ক্ষেত্ৰতো সেই একেই হৈছে। কিছুমান ধনীকশ্ৰেণীৰ মানুহেহে এই সুবিধাবিলাক ভোগ কৰি আছে। মীন-মহলৰ কেইবা লাখো টকাৰ ৰাজহ এতিয়াও বাকী পৰি আছে। এইবাৰ মীনমহলবোৰ সমবায়ক দিয়াৰ ব্যৱস্থা হৈছে। এইবিলাকৰ ডাক পায় কিছুমান ধনীক শ্ৰেণীৰ মানুহেহে। ইয়াৰ দ্বাৰাও আমাৰ কিছুমান দুখীয়া মানুহক আমি বঞ্চিত কৰি আহিছোঁ। এই ধনী মানুহ বিলাকে নানান ফাঁকি দি অৰ্থাৎ লোকচান হৈছে বুলি কৈ চৰকাৰৰ লাখ লাখ টকা মাৰি আছে। সেইবিলাক টকা আজি আদায় নোহোৱা-কৈয়ে এই ফিচাৰিবোৰ আকৌ এইবাৰ ডাক হৈছে। তাকো আকৌ 'দিফল্ট' হোৱা লোককহে এইবোৰ দিয়া হৈছে। এয়ে হৈছে আমাৰ মীনমহলবোৰৰ অৱস্থা। গতিকে মুখ্যমন্ত্ৰীয়ে এইবিলাক বিষয়ে চকু দিব বুলি আশা কৰিছোঁ আৰু অনাদায়ী টকা বিলাক আদায় কৰাৰ যাতে ব্যৱস্থা হাতত লয়। লগতে এইটোও চাবলগীয়া বিষয় যে, আমাৰ এই মীনমহলবোৰ প্ৰকৃতপক্ষে কোনে চলাইছে ? এইবিলাক চলাইছে আমাৰ অনুসূচিত আৰু অনুন্নত সম্প্ৰদায় বিলাকক বঞ্চিত কৰি ধনীক শ্ৰেণীয়ে চলাই আছে। এই লোকসকলৰ কাৰণে আমাৰ চৰকাৰে লাখৰ হিচাবত টকা মঞ্জুৰ কৰি আছে কিন্তু সেই টকা তেওঁলোকৰ উন্নয়ণত খৰছ হোৱা নাই। ৰাজ্যপালৰ ভাষণত আমাৰ এই লোকসকলৰ কাৰণে মঞ্জুৰ কৰা টকাৰ কথা আছে যদিও কোনো সুপৰিকল্পিত আঁচনিৰ কথা হলে উল্লেখ কৰা

লাইকীয়া। তদুপৰি আৰু এটা চাবলগীয়া বিষয় হৈছে যে, বিভিন্ন কামৰ কাৰণে আমাৰ লোকসকলে টকাবিলাক চৰকাৰৰ পৰা আমাৰ যিবিলাক টকা মীন মহলৰ কাৰণে দিছে তাৰ দ্বাৰা যে বিশেষ উপকাৰ সধা হব সেইটো কব নোৱাৰি। সমবায় বিলাকক দিয়া হলে বহুখিনি উপকাৰ হলহেতেন সমবায় বিলাকৰ বহুতে ভালেমান কাম কৰিছে। তাৰোপৰি বাজেটত সেইবোৰ অনুসূচিত জাতি আৰু জনজাতিৰ নামত পাচ কৰা হয় কিন্তু সিবিলাকৰ উন্নতি বিকাশৰ কাৰণে একো কৰিব পৰা নাই। ভাষণত এই অনুসূচিত জাতি আৰু জনজাতিৰ নামত বহু লাখ টকা খৰচ হব বুলি উল্লেখ কৰিছে। কিন্তু প্ৰকৃততে সেইটো নহয়। সেই টকা পইচাবোৰ কেইজনমান ব্যক্তিগত মালিক বা মানুহৰ হস্তগত হব। প্ৰকৃততে সেই টকা যেয়ে পাব লাগে সেই সকলে নাপায়। বহু টকা এই আঁচনিবোৰত খৰচ কৰা হৈছে কিন্তু এই শ্ৰেণীৰ মানুহৰ কোনো উন্নতি হোৱা নাই। পিছপৰা সম্প্ৰদায় সকলৰ কাৰণে আঁচনি কৰা হৈছে বুলি কৈছে কিন্তু যিবোৰ টকা-পইচা এই ক্ষেত্ৰত বিতৰণ কৰা হব সেইমতে যি আঁচনিত টকা খৰচ কৰিব লাগে তাত নকৰি কিছুমানে কুটিৰ শিল্প, কিছুমানে মাছ পোহা আকৌ কিছুমানে গাহৰি পোহা ইত্যাদি আন আন কামত লগাইছে, ফলত সেই টকা-পইচাবোৰ আচল কামত সংব্যৱহাৰ নহবগৈ পাৰে। গতিকে প্ৰকৃততে যদি এই পিচপৰা জাতিসমূহৰ উন্নয়নৰ কাৰণে চেষ্টা কৰিব বিচাৰিছে তেতিয়াহলে ভালদৰে আন্তৰিকতাৰে আঁচনি প্ৰস্তুত কৰক।

ৰাজ্যপালৰ ভাষণত যদিও বানপানীৰ কথা উল্লেখ কৰিছে কিন্তু সেইটো জুলাই মাহৰ বানপানীহে। অথচ মে মাহৰ বানপানীয়ে কোনো কোনো অঞ্চলত কোনো মৌজাত শস্যৰ বিস্তৰ ক্ষতি সাধন কৰিছে, সেইদৰে কোনো কোনো অঞ্চলত মথাউৰি ভাঙিচিঙি টকা-পইচা অযথা নষ্ট হৈছে। সেই বিষয়েও কোনো কথা উল্লেখ নাই। টেষ্ট ৰিলিফৰ সংক্ৰান্ততো কওঁ যে টেষ্ট ৰিলিফৰ টকা পাবলগীয়া যিসকল লোক আছে তেওঁলোকক আজি পৰ্য্যন্ত সেই টকা দিব পৰা হোৱা নাই। পি, ডবিল্উ, ডিৰ এচ, ডি, অ' ইঞ্জিনীয়াৰ সকলে কিছুমান মিছা অযুহাত দেখুৱাই সেই টকাপইচাবোৰ বিতৰণ কৰা নাই। যদি পাবলগীয়া টকাখিনিও নিদিয়ে কেনেকৈ এই শ্ৰেণীৰ মানুহে বাচিব ? সেই কাৰণে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই এই বিষয়ে মুখ্য-মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে অহা ৩১ মাৰ্চ্চৰ আগতে 'টেষ্ট ৰিলিফৰ' টকাপইচাবোৰ বিতৰণ কৰা হয়।

বান নিয়ন্ত্ৰণ বিভাগত কিছুমান হীন-দেৱী প্ৰায়ে চলি থকা দেখা যায়, বান-নিয়ন্ত্ৰণ বিভাগে এফালে মথাউৰিৰ নিৰ্ম্মাণ কাৰ্য্য হাতত লৈছে অথচ আনফালে নিৰ্ম্মাণৰ কাম হাতত নলয়, এনে কৰাত এফালৰ ৰাইজৰ যদিও কিছু সুবিধা হৈছে কিন্তু আনফালে ৰাইজৰ বিষম ক্ষতি হৈছে, গতিকে মোৰ সমষ্টিত অকল বাঁওফালে মথাউৰি নিদি দুয়ো ফালে মথাউৰি বান্ধিব লাগে যাতে দুয়োফালৰ ৰাইজৰ উপকাৰ হয়।

কৃষি নিগমৰ যি মাটি দিয়াৰ চিন্তা কৰিছে সেইটো ভাল কথা কিন্তু যি উদ্দেশ্যৰে মাটি দিয়াৰ কথা চিন্তা কৰিছে সেইটো ফলৱৰ্ত্তি নহব পাৰে যদিহে তাক ভালদৰে সমালোচনা কৰা নহয় কিয়নো যিসকল বিষয়াক এনেবোৰ কামত ন্যস্ত কৰা হৈছে সেইসকলে নানা ধৰণৰ পলিচি এডাপ্ত কৰি মাটি থকা পৰিয়ালকো লিষ্টিভুক্ত কৰি নানা ধৰণৰ ষড়যন্ত্ৰ কৰিছে। গতিকে সেই বিষয়ে মই মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

উদ্যোগৰ সম্পৰ্কতো ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে— নিবনুৱা ডেকাক কৰ্ম্ম সংস্থান দিয়াৰ কাৰণে চৰকাৰে ৭২ লাখ টকাৰ আঁচনি আৰম্ভ কৰাৰ কথা ইয়াত উল্লেখ কৰিছে, কিন্তু সংক্ৰান্তত কও যে যিসকল বিষয়াক এনেবিলাক কামৰ দায়িত্বৰ পৰিচালনাৰ দায়িত্ব দিয়া সকলৰ ওপৰত ভালকৈ দৃষ্টি ৰাখিব লাগে নহলে আঁচনি সমূহত যি উদ্দেশ্যে টকা খৰচ কৰা ফল পোৱা নেযাব। গতিকে সেই টকাবোৰ খৰচ কৰাৰ আগতে ভালকৈ পৰীক্ষা কৰা প্ৰয়োজন।

আমাৰ অসমীয়া দেকাসকলক মূল উদ্দেশ্য হৈছে চাকৰী কৰা। তেওঁলোকে তাৰ বাহিৰে আন একো কথা চিন্তা নকৰে। গতিকে শিক্ষাৰ পাঠ্যক্ৰম এনে হব লাগে যে, আমাৰ ডেকা সকলে চাকৰীৰ বাহিৰেও অনান্য বিষয় বিলাকৰ প্ৰতি আসক্ত হব পাৰে। সেয়ে নহলে আমাৰ চৰকাৰে যিবোৰ আঁচনি লৈছে সেই আঁচনিবিলাকৰ আচল উদ্দেশ্য কেতিয়াও সফল কাম নহব। মই এইখিনি কথা কৈয়ে মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

Shri CHARAN NARZARY: Mr. Deputy Speaker, Sir, the Governor's address is silent about many things which should have been mentioned in the address. I shall try to dwell on some of the points stated in the Governor's address. First of all, with regard to democratic decentralisation policy of the State Govt., I must say that the policy of democratic decentralisation will not be successful because of foul politics indulged in our politicians at all levels of our society. The State Government declared that the two-tier system of Panchayati raj will be non-political institutions; but what we have seen in practice is that because of crafty delimitttion of the Gaon Panchayat conducted all over the State the masses have been utterly disappointed. With particular reference I want to speak that in the tribal areas on the Northern bank of the Brahmaputra the Gaon Panchayat areas have been delimited in such a crafty manner that nowhere its rivals can secure representation to the Gaon Panchayats or the Mahkuma Parishads. Personally I have been receiving a number complaints, objections and I also had the chance of gathering bitter experience at Kokrajhar. As an M. L. A. I am a member of the Gaon Panchayat delimitation committee in Kokrajhar sub-division, but what I have seen is that the delimitation has been done by the Congress members in pre-planned way and in many areas inspite of the possibility of securing tribal representation the scope has been completely sealed off, and that is why a serious problem has arisen not only at Kokrajhar but throughout the tribal areas. I do not understand why this crafty delimitation has been done in all the areas. Mr. Deputy Speaker, Sir, I would like to convey the feelings of my people through you to this august House that if delimitation is not conducted in a democratic manner our people will not prefer the system of Gaon Panchayati raj because as you all know the Panchayat system is the lowest strata of democratic Government. If our people do not get the opportunity of participating in the last stratce of local Government. Government then the Panchayati system will be of no use to my people. The Panchaya areas are constituted in such a manner so that the entire Panchayati system is utilised for serving the purpose of a particular political party which our people will never welcome. So I would request the Government to reconsider the whole affair with regard to Panchayat delimitation.

With regard to education, the basic problems of education have not been mentioned in the Governor's address. I being a member of the plains tribal community must ventilate the feelings and genuine sentiments of our people because for others there

are many representatives to speak, but for we the plains tribals there is practically none to speak for their problems although the tribals have a good number of representation here.

With regard to promotion of education, I may mention a particular point regarding introduction of Boro medium upto the secondary stage of education. Honourable Members know that the State Government have been pleased to reconise Boro language as medium of instruction upto the secondary stage of education, but the peculiar thing is that the Boro people who constitute a substantial portion of the plains tribals had to launch an agitation for proper implementation of Boro medium.

Adjournment

The House there rose at 4-30 P. M. and stood adjourned till 10 A. M. on Thursday the 22nd March 1973.

Dispur

21-3-73

Shri P. D. BARUA
Secretary, Lagislative Assembly
Assam

AGP. (Gau.) L. A. 412/73 —1,700+24—17-11-73.